পঞ্চায়ত প্ৰাৰ্থীৰ ব্যয়ৰ পৰিমাণ বৃদ্ধি!
ই সংবাদ, ২৯ ডিচেম্বৰঃ বিধানসভা সমষ্টি পুনৰ গঠনৰ পিছতে প্ৰথমবাৰ অসম ৰাজ্যিক ৫ পৃষ্ঠাত চাওক

www.newsnextone.com
e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

MONDAY, DECEMBER 30, 2024 ■ সোমবাৰ, ১৪ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৫ Guwahati, Assam ।। মূল্যঃ এটকা

## ‘আমি চান্দ সদাগৰৰ মেৰঘৰ সাজি নাথাকো’

■ ডo বসন্ত কুমাৰ গোস্বামী

অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয় চন্দ্ৰকান্ত ভৱনটোৰ লগত এটা পৰিয়ালৰ সন্তানৰ স্মৃতি জড়িত হৈ আছে। সন্তানৰ শেষাংশ ৭ পৃষ্ঠাত



সাহিত্য সভাত ৰবি ৰবি ধৰ ধৰ মাৰ মাৰ... দেওবাৰে, ফটোঃ ই-সংবাদ, শুৱালকুছি

### দদৰাত ফলাফলৰ পূৰ্বে অঘটন

## মাৰপিট! সাহিত্য সভাত লাগিল অথন্তৰ

ই-সংবাদ, শুৱালকুছি, ২৯ ডিচেম্বৰঃ “চিৰ চেনেহী মোৰ ভাষা জননী”, অসম সাহিত্য সভাৰ এই গীতটো প্ৰতিগৰাকী অসমীয়াৰ বাবে অতি আদৰৰ। অসমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা শেষাংশ ৪ পৃষ্ঠাত

# সাহিত্য সভাৰ নতুন সভাপতি ড° বসন্ত গোস্বামী

## ডo নগেন শইকীয়াৰ দুখ আৰু অসম সাহিত্য সভাৰ নিৰ্বাচন

■ ছাইদুল ইছলাম



### উপ-সভাপতি পদত জয়ী পদুম ৰাজখোৱা

### দেৱজিৎ বৰা প্ৰধান সম্পাদক পদত জয়ী



■ দদৰাৰ ভৃগু কুমাৰ ফুকন প্ৰেক্ষাগৃহৰ পৰা মৃণাল ডেকা


শুৱালকুছি, ২৯ ডিচেম্বৰঃ অসমীয়া ভাষা-সাহিত্যৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ বাবে সভাপতি হিচাপে নিৰ্বাচিত হ'ল ডঃ বসন্ত কুমাৰ গোস্বামী। ৪ নং পৃষ্ঠাত

## চন্দ্ৰকান্ত সন্দিকৈ ভৱনত আনন্দৰ লহৰ



যোৰহাটৰ পৰা ৰমেন শইকীয়া, ২৯ ডিচেম্বৰঃ অৱশেষত বহু জল্পনা-কল্পনাৰ অন্ত পেলাই ঘোষিত হ'ল অসম সাহিত্য সভাৰ ২০২৫-২৭ ৮ পৃষ্ঠাত

### বিশেষ কলম



অন্ত পৰিল অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচন। নিৰ্বাচনী প্ৰক্ৰিয়াৰ শেষ দিনটোত সকলো সীমা অতিক্ৰমি তথাকথিত সাহিত্যকৰ্মীৰ মাজত হতাহতি গতিয়াগতি পৰ্যন্ত হ'ল। সাহিত্য সভাৰ দৰে গৰিমামণ্ডিত অনুষ্ঠান এটিৰ এই দুৰ্গতি দেখি শেষাংশ ২ পৃষ্ঠাত

### ১৭৯ গৰাকী যাত্ৰী নিহত, কথমপি প্ৰাণ ৰক্ষা পৰিল দুজনৰ

# দক্ষিণ কোৰিয়াত ৰানৱে'ত জ্বলিল বিমান

ছিউল, ২৯ ডিচেম্বৰঃ বছৰটোৰ শেষৰ ফালে এক ভয়ংকৰ বিমান দুৰ্ঘটনাই শোকস্তব্ধ কৰি তুলিছে সমগ্ৰ বিশ্বক। দেওবাৰে দক্ষিণ কোৰিয়াৰ মুয়ান আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণৰ সময়তে ১৮১ জন যাত্ৰীসহ দুৰ্ঘটনাগ্ৰস্ত হয় এখন যাত্ৰীবাহী বিমান। স্থানীয় প্ৰশাসনৰ তথ্য অনুসৰি শেষাংশ ৫ পৃষ্ঠাত



## স্বাধীনতাৰ পূৰ্বে বৰপেটাৰ তেমূৰাত স্থাপিত স্কুলৰ শতবৰ্ষ পালন



ই-সংবাদ, ২৯ ডিচেম্বৰঃ ‘তেমূৰা’ নামটোৰ ‘ৰ’টোত পেট কটা আছে। ‘ৰ’টোৰ তলত বিন্দু ৬ নং পৃষ্ঠাত

### অসাৰ সোণোৱালৰ স্বপ্ন

## মাজুলীত গ্ৰীষ্টাৰ হোটেলত গৰু-ঘোঁৰা!



মাজুলীৰ বনগাঁৱৰ পৰা পৰাণজ্যোতি বৰা, ২৯ ডিচেম্বৰঃ ২০১৬ চনৰ বিধান সভাৰ নিৰ্বাচনত মাজুলীৰ পৰা বিধানসভালৈ ৭ পৃষ্ঠাত

### নিজম পৰিল চেলেংহাটৰ ডামচাও তিলক গগৈ ক্ষেত্ৰ

## পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ সামৰণি




ই-সংবাদ, মৰিয়নি, ২৯ ডিচেম্বৰঃ যোৰহাট জিলাৰ সীমামূৰীয়া চেলেংহাটৰ ডামচাও তিলক গগৈ ক্ষেত্ৰত তিনিদিনীয়াকৈ শেষাংশ ৫ পৃষ্ঠাত

### অজুহাত দেখুৱাই দিলে বিদায়

## গ্ৰন্থমেলাত স্থান নাপালে ইউএছটিএমে




ই-সংবাদ, ২৯ ডিচেম্বৰঃ ৰজাই ভাল পাই যাক হাতী-ঘোঁৰা নালাগে তাক। কিন্তু ৰজাই যাক বেয়া পাই, ৰজাৰ ৮ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ড০ নগেন শইকীয়াৰ দুখ আৰু অসম

সঁচাকৈয়ে সচেতন মহলৰ মাজত হতাশাজনক পৰিৱেশ বিৰাজ কৰিছে, কৰাটোৱেই স্বাভাৱিক। প্ৰত্যাশিত অথবা আশংকা কৰাৰ দৰেই সভাপতি নিৰ্বাচিত হল ডঃ বসন্ত কুমাৰ গোস্বামী। সাহিত্য সভাৰ সভাপতি পদবীটো এতিয়া কেৱল সন্মানীয় আৰু আলংকাৰিক হৈ থকা নাই, ই সাংগঠনিক আৰু কুটিল ৰাজনীতিৰ পাকচক্ৰত পৰিছেই। সেয়ে প্ৰকাশিত পেনেলৰ ভিতৰত ডঃ বসন্ত গোস্বামী ডাঙৰীয়া হ'ব লাগে পৰৱৰ্তী সভাপতি। তেখেত দীৰ্ঘকালীন সাংগঠনিক অভিজ্ঞতাৰে পুষ্ট, পূৰ্বতে উপ সভাপতি আৰু প্ৰধান সম্পাদক হিচাপে কাম কৰি থৈছে। সাহিত্য সভাৰ আভ্যন্তৰীণ কুটিল ৰাজনীতি আৰু সংগঠন দুয়োটা চম্ভালিব পৰাকৈ তেওঁ যোগ্য ব্যক্তি বুলি ভাবোঁ, সভাত এতিয়া শুদ্ধ-সাহিত্যিকৰ কাম নাই। লেতেৰা দলীয় ৰাজনীতিৰ কৰিব পৰা বা চম্ভালিব পৰা হ'ব লাগিব। আন বিষয়ববীয়া হ'বলৈ অলপ মল্লযোদ্ধাৰ কচৰতো লাগিব।

এইবাৰৰ সভাপতি নিৰ্বাচনে বহু প্ৰশ্নক অধিক মুকলিকৈ তুলি ধৰিছে। অসম সাহিত্য সভা মানেই এতিয়া যেন বিতৰ্ক আৰু বিষয়বাবৰ বাবে অৰিয়াঅৰি। বিগত কিছু বছৰে এই জটিল পৰিৱেশ অধিক উন্মুক্ত কৰি ৰাখিছিল বহুবিতৰ্কিত ডঃ পৰমানন্দ ৰাজবংশীয়ে। পৰমানন্দ ৰাজবংশী বিধায়ক হ'ল, বৰ্তমান সভাত নাই তেওঁ কিন্তু এতিয়াও সেই একেই কথা, একেই পূৰণি স্বভাৱৰ পুনৰাবৃত্তি চলি আছে। কিছুদিন পিছত সভাৰ বৰ্তমানৰ সভাপতি ডঃ সূৰ্যকান্ত হাজৰিকাৰ কাৰ্যকালৰ অন্ত পৰিব, কাজেই এগৰাকী সভাপতি নিৰ্বাচন বা মনোনীত কৰাৰ পাল। এখন উচ্চ ক্ষমতাসম্পন্ন সমিতিৰ হাতত সভাপতিৰ বাবে এখন পেনেল প্ৰস্তুতকৰণৰ দায়িত্ব ন্যস্ত কৰা হ'ল। সংবাদ মাধ্যমত এখন তালিকা বৰকৈ চৰ্চিত হ'ল, কিছুদিন বিতৰ্কও হ'ল। অৱশ্যে এনে সকলো চৰ্চাই আছিল একমুখী, অৰ্থাৎ সভাপতি নিৰ্বাচন প্ৰক্ৰিয়াক লৈ তীব্ৰ অসন্তুষ্টি আৰু বিযোদগাৰ, তাৰ কাৰণো বহুত। এই লেখাত স্থানান্তৰত তাৰ উল্লেখ কৰা হ'ব।

এনে জটিল আৰু হতাশাজনক পৰিৱেশৰ সময়তেই বহুতেই বিভিন্ন মাধ্যমত চিন্তা উদ্ৰেককাৰী ঘটনাক্ৰমৰ মাজত উন্মেষিত উদ্বেগ আৰু ক্ষীণকায় আশাবাদ(!)ৰ লগতে সভাপতি নিৰ্বাচন প্ৰক্ৰিয়া সন্দৰ্ভত উত্থাপিত বহু বিতৰ্কৰ মাজতো এক নতুন পথৰ সন্ধান দিবলৈ প্ৰয়াস কৰা দেখিছো। এই প্ৰয়াস দেখি কিছু কথা লিখিবলৈ মন গ'ল। সভাৰ লগত সাংগঠনিকভাৱে জড়িত নহ'লেও অসমৰ জাতীয় জীৱনৰ প্ৰতি দায়বদ্ধ সৰ্বসাধাৰণৰ এই প্ৰচেষ্টাই শেহতীয়া সময়ত অসম সাহিত্য সভাৰ ভিতৰ বাহিৰৰ কৰ্মকাণ্ড দেখি ব্যথিত হৈ পৰা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ নগেন শইকীয়াৰ মনৰ বেজাৰৰ নিদানপত্ৰ হ'বগৈনে? আজিৰ দিনত আমাৰ মনত সৃষ্টি হোৱা ই এক গভীৰ আৰু সংবেদনশীল প্ৰশ্ন।

অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচনৰ দুটা নিৰ্বাচনী প্ৰক্ৰিয়া আমি দেখিছো। সভাৰ শাখা সমূহে সভাপতিৰ বাবে নাম মনোনয়ন কৰাৰ দৰে এটি প্ৰক্ৰিয়া আছিল, তাৰেই সৰ্বাধিক ভোট পোৱা গৰাকী সভাপতি নিৰ্বাচিত হয়। আনহাতে সভাৰ উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে পাঁচগৰাকী ব্যক্তিৰ নামত বাছনি কৰি নিৰ্বাচনী প্ৰক্ৰিয়াৰ বাবে আগবঢ়োৱা প্ৰক্ৰিয়া এটাও চলে। দুয়োটা প্ৰক্ৰিয়াতেই ভাল-বেয়া দিশ আছে, থকাটোৱেই স্বাভাৱিক। কিন্তু সমস্যাটো হ'ল দুয়োটা প্ৰক্ৰিয়াই বহু স্বনামধন্য ব্যক্তিৰ প্ৰতি অন্যায় কৰাৰ দৰে অনুভৱ কৰিবলৈ সৰ্বসাধাৰণক বাধ্য কৰিছে। ইয়াৰ পৰা মুক্তিৰ বাট কি?

অসম সাহিত্য সভাৰ সংবিধান অনুসৰি এই তালিকা প্ৰস্তুত কৰাৰ অধিকাৰ থাকে ৭ জনীয়া উচ্চস্তৰীয় কমিটিৰ হাতত। এই কমিটিত থাকে সাহিত্য সভাৰ সভাপতিগৰাকীৰ লগতে উপ-সভাপতি, প্ৰধান সম্পাদক, সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, প্ৰাক্তন সম্পাদক, অসম সাহিত্য সভাৰ সদস্য মহীয়ান বিভূষিত এগৰাকী সদস্য আৰু এগৰাকী সাহিত্যচাৰ্য। তালিকা অনুসৰি বৰ্তমান এই পদবীসমূহত আছে অসম সাহিত্য সভাৰ সভাপতি ডঃ সূৰ্য হাজৰিকা, উপ-সভাপতি গিৰীশ সন্দিকৈ, সম্পাদক উপেন্দ্ৰজিৎ শৰ্মা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কুলধৰ শইকীয়া, উপ-সভাপতি মৃণালিনী দেৱী, সদস্য মহীয়ান সত্যেন্দ্ৰ নাৰায়ন গোস্বামী আৰু সাহিত্যচাৰ্য নাহেন্দ্ৰ পাডুন। তেওঁলোকে অতি কৌশলেৰে প্ৰস্তুত কৰা তালিকাত নাম আছিল অৰূপা পটংগীয়া কলিতা, নাহেন্দ্ৰ পাডুন, লীলাবতী বৰা শইকীয়া, ড০ হিতেশ ডেকা আৰু গিৰীশ সন্দিকৈৰ। উচ্চস্তৰীয় সমিতিখন আৰু সভাপতি পদৰ বাবে প্ৰস্তুত কৰা প্ৰাৰ্থীৰ তালিকালৈ লক্ষ্য কৰিলে দেখা যায় যে নিজৰ নাম নিজেই নিৰ্বাচিত কৰি তালিকা প্ৰস্তুত কৰিছে এইসকল ক্ষমতাশালী ব্যক্তিয়ে, ই কম কথানে? অৰ্থাৎ উচ্চ স্তৰীয় কমিটীত থকা দুই সদস্যই নিজৰ সন্নিৱিষ্ট কৰিছে সভাপতিৰ প্ৰাৰ্থী তালিকাত। এইখিনিতে কৈ থওঁ যে নহেন্দ্ৰ পাদুন এগৰাকী অত্যন্ত যোগ্য ব্যক্তি, কিন্তু তেওঁৰ আঁৰ লৈ কোনোবাই নিজৰ অভিষ্ট সিদ্ধিৰ প্ৰয়াস কৰাৰ সন্দেহ সৰ্বসাধাৰণৰ মাজত। সেই সন্দেহ ঘাইকৈ সভাৰ উপসভাপতি গিৰীশ সন্দিকৈক লৈ। কাৰোবাৰ বয়স, কাৰোবাৰ অসুস্থতাৰ দোহাই দিয়াৰ লগতে আন কাৰোবাৰ অনীহাৰ সুযোগ লৈ হয়তো নিৰ্বাচনী প্ৰচাৰৰ ধামখুমীয়াৰে ঠিক 'পৰমানন্দ-কায়দা'ৰে গিৰীশ সন্দিকৈয়ে সভাপতি হোৱাৰ পাং পাতিছিল। সেয়া অসমৰ ৰাইজে ক্ষিপ্ৰতৰভাৱে বানচাল কৰিলে যদিও প্ৰশ্নবোৰ আলোচনা কৰাৰ অৱকাশ থাকি গৈছে। দৰাচলতে সাহিত্য সভাৰ আঠশ শাখাৰ সংগঠকসকলৰ ওপৰত ৰাইজৰ আস্থা নাই, সেই কথা বিগত দিনবোৰৰ প্ৰতিক্ৰিয়াই প্ৰমাণ কৰিছে। পেনেলৰ তিনিগৰাকীয়ে নাম প্ৰত্যাহাৰকৰাটোৱেও শাখা সমূহৰ বিচক্ষণতা, কৰ্মদক্ষতা আৰু স্পষ্টতাৰ ক্ষেত্ৰত তেওঁলোকৰ আস্থাহীনতাকেই প্ৰকাশ কৰিছে। সাহিত্য সভাৰ সভাপতি আৰু আন আন পদৰ নিৰ্বাচন সাহিত্য সভাৰ আভ্যন্তৰীণ বিষয় নহয়, বৰং ই ৰাজহুৱা বিষয়। সভাৰ সভাপতি নিৰ্বাচনৰ ক্ষেত্ৰতেই নহয়, শাখা আৰু জিলা সাহিত্য সভাৰ ক্ষেত্ৰতো আমূল সংস্কাৰৰ প্ৰয়োজন আছে। সভাৰ লেতেৰা কদৰ্য পৰিৱেশ আতৰাই ধুই-মচি চাফা কৰিব পাৰে শাখাসমূহে, শাখাবোৰ তাৰ পূৰ্বে চাফা হোৱাতো জৰুৰী।

সভাই বাধ্য হৈ একপ্ৰকাৰ বাতিল কৰিবলগীয়া হোৱা তালিকাখনত অৰূপা পতংগীয়া কলিতাই সাহিত্য সভাৰ কঠোৰ আৰু নিৰ্মোহ সমালোচক হিচাপে সভাপতিৰ নিৰ্বাচনী ভোটযুদ্ধৰ পৰা আতৰি যাব বুলি বহুতেই শংকা প্ৰকাশ কৰিছিল। আটাইতকৈ পৰিতাপৰ কথাটো হ'ল তথাকথিত উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে তেওঁৰ অনুমতি লোৱাৰ বা সেই সন্দৰ্ভত আগতীয়াকৈ জনোৱাৰ প্ৰয়োজনবোধো নকৰিলে। এইবোৰ বিতৰ্কই তোলপাৰ লগাই থাকোতে এচামে প্ৰশ্ন কৰিলে পেনেলত থকা বিশিষ্ট শিক্ষাবিদ ডঃ হিতেশ ডেকাই পাঁচখন মৌলিক গ্ৰন্থ ৰচনা কৰা নাই। এই সমগ্ৰ ঘটনা ক্ৰমত আমাৰ প্ৰশ্নটো হল ডঃ হিতেশ ডেকাই নিজে সভাপতি হ'বলৈ ইচ্ছুক হৈ তালিকাভুক্ত হ'বলৈ যোগাযোগ কৰিছিল নে? আমাৰ দৃষ্টিত নিশ্চয়কৈ তেনে কৰাতো অস্বাভাৱিক কথা। যদি সাহিত্য সভাৰ তৰফৰ পৰা তেখেতৰ নাম পেনেলত ৰখা হৈছিল, তেন্তে সাংবিধানিকভাৱে তেওঁ যোগ্যতাৰ দেৱাল অতিক্ৰম কৰে নে নকৰে, তাক আগতীয়াকৈ পৰীক্ষা নিৰীক্ষা কৰাৰ দায়িত্বও সভাৰ বিষয়ববীয়াসকলৰ নাছিল জানো? আনহাতে, সভাপতিৰ দৌৰত নিজৰ নাম সন্নিৱিষ্ট কৰা উচ্চ ক্ষমতা সম্পন্ন সমিতিৰ দুই সদস্যই তেনে অভিপ্ৰায় ৰাজহুৱাকৈ প্ৰদৰ্শন কৰি পেনেলৰ বাবে নিজৰ নাম নিজে লিখাৰ পূৰ্বে সমিতিৰ পৰা অন্ততঃ পদত্যাগ কৰাটো নৈতিক দায়িত্ব নাছিল নে? এনে ক্ষেত্ৰতেই সৰ্বসাধাৰণৰ মাজত সভাৰ বেছি অংশৰেই কৰ্মকাণ্ড আৰু গতিবিধি পৰ্যবেক্ষণ কৰি হতাশ হ'বলৈ আৰু সন্দেহৰ আঙুলি টোৱাবলৈ বাধ্য হৈছে। এনে পৰিস্থিতিত জনমানসত সাহিত্য সভাৰ এই অৱনমন অসমৰ জাতীয় জীৱনৰ লগতে সাহিত্য সভাৰ সামগ্ৰিক অৱস্থাৰ পতনৰেই ইংগিত বহন কৰা বুলি অনিচ্ছাসত্বেও ভাবিবলৈ বাধ্য হৈ পৰো। হয়তো সভাৰ লগতে এনে তথাকথিত উচ্চস্তৰীয় সমিতিৰ ওপৰত সৰ্বসাধাৰণ মানুহৰ অনাস্থা, বিযেদগাৰ আৰু অবিশ্বাসৰ কাৰণ বুজিবলৈ অসুবিধা কাৰোৱেই নহ'বগৈ। হয়তো উচ্চ স্তৰীয় সমিতিৰ এই কৰ্মকাণ্ডৰ আঁৰত দীঘলীয়া পৰিকল্পনা আছে। যদি সেয়াই হয়, তেন্তে প্ৰৱল বিশ্বাস আৰু গভীৰ আশাৰে প্ৰাক্তন সভাপতি সকলোকে লৈ উচ্চ ক্ষমতা সম্পন্ন সমিতি গঠনেৰে ভোটযুদ্ধৰহিতভাৱে এগৰাকী সভাপতি মনোনীত কৰাৰ পৰামৰ্শ কাৰ্যকৰী কৰিলেও বৰ্তমানৰ সভাপতি ডঃ সূৰ্য হাজৰিকা, কুল শইকীয়াৰ দৰে ব্যক্তিয়ে থকাৰ পিচতো সংঘটিত শেহতীয়া ঘটনাৰ দৰে বা শেষাংশ ৩ পৃষ্ঠাত

■ ২নং পৃষ্ঠাৰ পৰা...

# ড০ নগেন শইকীয়াৰ দুখ আৰু অসম

ততোধিক বেয়া ফলাফল সংঘটিত নহ'ব বুলি ক'ব নোৱাৰি। কেনেবাকৈ তাত ডঃ পৰমানন্দ ৰাজবংশীৰ দৰে প্ৰাক্তন সভাপতিৰ সংযোগ হ'লে, কেনে পৰিস্থিতি হ'বগৈ, সেয়া হয়তো অকল্পনীয়।

এনে অনাহুত জটিল পৰিস্থিতিবোৰ দীৰ্ঘদিন ধৰি দেখি দেখিয়েই ২০০৩ চনৰ পৰা সভাৰ পৰা আতৰি থকা স্বনামধন্য অসমীয়া তথা সভাৰ প্ৰাক্তন সভাপতি ডঃ নগেন শইকীয়াই আক্ষেপ আৰু উষ্মাৰে কবলগীয়া হৈছে, "সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বুলি ক'বলৈ লাজ লাগে। একবিংশ শতিকাৰ পৰা সাহিত্য সভাৰ অৱনমন হৈছে। মোৰ ৰাইটিং পেডতো প্ৰাক্তন সভাপতি বুলি লিখা নাই।" মই ভাবো নগেন শইকীয়াৰ মনৰ এই বেজাৰে অসমীয়া মানুহৰ চেতনাকেই প্ৰতিফলিত কৰিছে, এই বেজাৰে সাহিত্য সভাৰ গাত লগা দুৰাৰোগ্য বেমাৰকো তুলি ধৰিছে। সেই পৰিস্থিতিত সভাৰ এই ৰোগৰ প্ৰতিকাৰ কি? এক জটিল প্ৰশ্ন।

বহুতেই ক'ব খোজে অসম সাহিত্য সভাৰ দৰে অনুষ্ঠানৰ সভাপতি পদত ভোট যুদ্ধ হ'ব নালাগে, প্ৰশ্ন হয় ভোটযুদ্ধ ৰহিত প্ৰক্ৰিয়াক সকলোৱে গ্ৰহণ কৰিবনে? আনহে নালাগে, কুল শইকীয়া আৰু ডঃ সূৰ্যকান্ত হাজৰিকা সন্নিৱিষ্ট হৈ থকা এখন উচ্চ ক্ষমতাসম্পন্ন সমিতিৰ সিদ্ধান্তৰ স্তৰ আৰু পৰ্যায় কি হয়, কেনে হৈছেগৈ, সেয়া আমি দেখিলো। তেন্তে সভাপতি পদটোৰ ঐতিহ্য, সন্মান আৰু মৰ্যদা ৰক্ষাৰ বাবে পৰম আশাৰে ভোটযুদ্ধবিহীন মনোনয়নৰ প্ৰস্তাৱ বিতৰ্কমুক্ত হ'বনে? সাহিত্য সভাৰ জীৱিত সভাপতিসকলক লৈ এনে সমিতি গঠনৰ পৰামৰ্শ আহিছে, পিছে এনেদৰে গঠিতব্য সমিতিৰ দ্বাৰা ভৱিষ্যতে অতিকে নিৰ্মোহ আৰু নিস্বাৰ্থ সিদ্ধান্ত আশা কৰিব পৰা যাবনে?

পূৰ্বতে শাখা সাহিত্য সভাৰ পৰা নামসমূহ আহিছিল, সেয়াও এক ভোটযুদ্ধই আছিল। সেই ভোটযুদ্ধৰ ফলাফলে সভাৰ সামগ্ৰিক চৰিত্ৰ বিচাৰ কৰিবলৈ সহজ কৰি দিয়ে। মাছ মূৰৰ পৰা গেলাৰ দৰে সভাও কেৱল ওপৰটোহে গেলিছে বুলি ভবাটো ভুল। মূৰৰ পৰা গেলা সভাৰ তললৈকে গেলিছে। এটা উদাহৰণ দিয়া যাওক। এয়া ২০১৭ চনৰ সভাপতি নিৰ্বাচনৰ ফলাফল, ডঃ পৰমানন্দ ৰাজবংশী ৩৯০ টা আৰু প্ৰহ্লাদ তাচাই ১৭৪ ভোট লাভ কৰিছিল। তাৰ বিপৰীতে য়েছে দৰজে ঠংচিয়ে ৩৫, কৰবী ডেকা হাজৰিকা ৩৬ টা, নাহেন্দ্ৰ পাদুনে ১৬ টা, ৰতিমোহন দাসে ৩ টা, ৰমেশ পাঠকে ২ টা, ডঃ অমৰ জ্যোতি চৌধুৰীয়ে মাত্ৰ ১৭ টা, প্ৰখ্যাত কথাশিল্পী হোমেন বৰগোহাঞি ১ টা, হৰেকৃষ্ণ ডেকা ২ টা, কুলধৰ শইকীয়া ৩ টা, ফণীন্দ্ৰ দেৱ চৌধুৰী ১ টা ভোট লাভ কৰিছিল। এই ফলাফল বিশ্লেষণ কৰিলেই সভাৰ শাখা পৰ্যায়ৰ স্থিতি, গুনগত মান, লবীকেন্দ্ৰিক ৰাজনীতিৰ দৌৰাত্ম আদি জলজল পটপটকৈ ওলাই পৰিব। সভাৰ আভ্যন্তৰীণ ভোটাৰৰ পৰমানন্দ ৰাজবংশীৰ তুলনাত সাহিত্য সভাৰ সভাপতি পদৰ বাবে যোগ্য নহয় য়েছে দৰজে ঠংচি বা হোমেন বৰগোহাঞি, অমৰজ্যোতি চৌধুৰী অথবা কৰবী ডেকা হাজৰিকা । এয়াই বৰ্তমানৰ অসম সাহিত্য সভা। এই ফলাফলে সভাৰ সভ্যসকলৰ দৃষ্টি আৰু চেতনাৰ মাণদন্দ উদঙাই দিলে যদিও অসমৰ জনসাধাৰণৰ দৃষ্টিত আজিও পৰমানন্দ ৰাজবংশীতকৈ বহুগুণে ওপৰত স্থান উল্লেখিত ব্যক্তি সকলৰ।

বিগত সময়ত জনমতৰ প্ৰতি সন্মান জনাই য়েছে দৰ্জী ঠংছিয়ে নিৰ্বাচন খেলিও হাৰিল। জনসাধাৰণে বিছাৰিছিল তেওঁৱেঁই সভাপতি হওঁক, কিন্তু শাখা সাহিত্য সভাৰ ভোটাৰ তালিকাভুক্ত সদস্যই জনমতক উপেক্ষা কৰিলে, ভোটযুদ্ধত পৰিল ঠংছি আৰু ৰাইজ। নিজৰ সাহিত্য সৃষ্টিৰে অসমীয়া জাতিক সমৃদ্ধ কৰা বহু সংখ্যক সাহিত্যিকে এই যুঁজলৈ এই কাৰণেই যাবলৈ অনিচ্ছুক। এইটো কথাও স্পষ্ট নিৰ্বাচন প্ৰক্ৰিয়া বাহাল থাকিলে ৰাইজে ভবাৰ দৰে সভাপতি বিচাৰি লাভ নাই। নিৰ্বাচনত ভোটাধিকাৰেই মূল কথা, সাংগঠনিক ভোটাৰজনৰ ক্ষমতা আছে । য়েছে দৰজে ঠংছি সাহিত্য সভাৰ সভাপতি হ'ব নোৱাৰে, ৰাইজে ইচ্ছা প্ৰকাশ কৰিলেও তেনে আন বহুতক পাতিব নোৱাৰে সভাপতি। কিয় হ'ব নোৱাৰে? কেৰোণটো ক'ত? কেৰোণটো নিৰ্বাচনী ৰাজনীতি, শাখা সাহিত্য সভাৰ ৰাজনীতি। তেনেক্ষেত্ৰত ঠংছিৰ দৰে বৰেণ্য পুৰুষক সভাপতি পদত মনোনীত কৰাৰ ব্যৱস্থা এটাৰ প্ৰাসংগিকতা আছে, এই কেইদিন চৰ্চিত কথাবোৰত সৰ্বসাধাৰণৰ এনে সদিচ্ছা বিদ্যমান। য়েছে দৰ্জে ঠংছি বা চেনে বহু স্বনামধন্য সাহিত্যিক অসম সাহিত্য সভাৰ সভাৰ নহলেও তেওঁলোকৰ একো হীন দেৰি নহয়। কিবা লাভ হ'লে, অসম সাহিত্য সভাৰেই হলহেঁতেন।

এনে পৰিস্থিতিত তুলনামূলকভাৱে উচ্চ ক্ষমতাসম্পন্ন সমিতিৰ দ্বাৰা তালিকা প্ৰস্তুতকৰণ বা মনোনীত কৰা ব্যৱস্থাটো অধিক সন্মানজনক যেন লাগে যদিও এইবাৰ প্ৰথম পৰ্যায়ত চৰ্চিত তালিকাখনে সেই বিশ্বাসযোগ্যতাক ম্লান কৰিছে, স্বচ্ছতাৰ অভাৱ জলজল পটপটকৈ বিদ্যমান। তাৰোপৰি পৰৱৰ্তী সময়ত অসমৰ জনসাধাৰণৰ হেঁচাত পুনৰ নতুনকৈ প্ৰকাশিত চূড়ান্ত তালিকাৰ পৰা এগৰাকী এগৰাকীকৈ তিনি গৰাকী সাহিত্যিকে নিজৰ নাম প্ৰত্যাহাৰ কৰি নিৰ্বাচনী কাৰবাৰটোত সোমাবলৈ অনীহা প্ৰকাশ কৰাটোৱে নতুনকৈ কথাবোৰ ভাবি চাবলৈ অৱকাশ দিছে। আনহাতে প্ৰশ্ন হয়, যি তিনি গৰাকী সন্মানীয় সাহিত্যিকে নিজৰ নাম প্ৰত্যাহাৰ কৰিছে, তেওঁলোকক তালিকা প্ৰকাশৰ পূৰ্বতে জনোৱা হৈছিল নে, অনুমতি লোৱা হৈছিলনে? যদি হৈছে, তেন্তে সন্মতি প্ৰদানৰ পিচত নাম প্ৰত্যাহাৰ বা নিৰ্বাচনত অৱতীৰ্ণ হোৱাত অনীহা প্ৰকাশৰ যুক্তি নেদেখো। আৰু যদি তেনে অনুমতি নোলোৱাকৈ তেওঁলোকক নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ আগুৱাই দিয়া হৈছে, ই মোৰ দৃষ্টিত সাহিত্যিক কেইগৰাকীৰ প্ৰতি অসন্মানজনক কাৰ্য। এই পৰ্যন্ত এই বিষয়ক লৈ উচ্চ ক্ষমতা সম্পন্ন সমিতি বা সাহিত্য সভাই স্পষ্টীকৰণ দিয়া নাই। তেনেক্ষেত্ৰত এনে তথাকথিত উচ্চ ক্ষমতাসম্পন্ন সমিতিৰ উচ্চ চিন্তা আৰু নিৰ্মোহ দৃষ্টিভংগী সন্দেহাতীত নহয়, পূৰ্বৰ তালিকাখনৰ লগতে শেহতীয়া তালিকাৰ অৱস্থাটো চাই তাকেই ক'ব পাৰো।

আনহাতে অসমৰ জাতীয় সংগঠনৰ ব্যাপকতা আৰু ক্ষেত্ৰ চাপি আহিছে। অসম সাহিত্য সভাৰো একেই গতি। সভাৰ অধিৱেশনবোৰৰ স্থানবোৰলৈ লক্ষ্য কৰিলেই গম পোৱা যায় যে সাহিত্য সভাৰ বিচৰণক্ষেত্ৰ ক্ৰমান্বয়ে সংকুচিত হৈ আহিছে। এসময়ত চিলঙতো সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছিল, ১৯৮৮ চনত হাইলাকান্দি আৰু ১৯৭২ চনত ধুবুৰীত অন্তিমবাৰৰ বাবে সাহিত্য সভাৰ অধিৱেশন হৈছিল। অৱশ্যে আমেৰিকাতো সভাৰ শাখা সাহিত্য সভা আছে বুলি বহুতেই নিজকে প্ৰবোধ দিব পাৰে। আজিৰ তাৰিখত কোকৰাঝাৰ, গোৱালপাৰা, হাফলং আদি ঠাইসমূহত অধিৱেশন পাতিব পৰাকৈ সভাৰ উক্ত অঞ্চলসমূহত সাংগঠনিক ভেটি নাই বুলিবই পাৰি। আনহাতে একপ্ৰকাৰ চৰকাৰী পৃষ্ঠপোষকতাত বৰাকত বাংলা সাহিত্য সভাৰ উন্মেষ ঘটিছে। জনজাতীয় সভাবোৰৰ সৈতে সাহিত্য সভাৰ সম্পৰ্ক একপ্ৰকাৰ গতানুগতিক। দীৰ্ঘদিন ধৰি জনজাতীয় মুখ সভাপতি পদত দেখিবলৈ পোৱা নাই। এইবাৰ নিৰ্বাচন হ'ল ডঃ বসন্ত গোস্বামী আৰু উপেন ৰাভা হাকাচামৰ মাজত। কিন্তু সভাৰ পূৰ্বৰ যোগাযোগ, নিৰ্বাচনী প্ৰচাৰৰ লগতে বিভিন্ন আনুসংগিক কাৰণত মুৰকত গৈ সভাপতি হ'ল ডঃ বসন্ত কুমাৰ গোস্বামী। পিছে, অসম আন্দোলনৰ সময়ত এক আৱেগিক ধাৰাত সংযুক্ত হোৱাৰ বাদে মাজে সময়ে বেনাৰ ছাইন বৰ্ডত ক'লা ৰং সনা আৰু কাজেই নাগৰিকত্ব সংশোধনী আইনক লৈ হোঁহকা পিছলা নীতি গ্ৰহণ কৰি ৰাজনৈতিক সুবিধাবাদৰ স্থিতি গ্ৰহণ কৰাৰ পিছত এতিয়া সাহিত্য সভাৰ জাতীয় স্থিতি অস্পষ্ট, বৰ ধূসৰ। সভাৰ অধিৱেশনত ৰাজনৈতিক নেতাৰ ভিৰ। তাত সাহিত্যৰ স্থান ক'ত? সচাকৈয়ে অসম সাহিত্য সভাই জাতীয় চৰিত্ৰ বৰ্তাই ৰাখিব পাৰিছেনে? ক্ৰমান্বয়ে ই মেৰুদণ্ডহীন অতীতৰ গৰিমাৰে গৰিমামণ্ডিত চৰকাৰী পৃষ্ঠপোষকতাত চলা অনুষ্ঠান হৈ পৰিছে নেকি? মধ্যবিত্তীয় শ্ৰেণীৰ আৱেগিক বাগধাৰাৰ প্ৰতিনিধিত্ব কৰাতেই ই সীমাবদ্ধ হ'বলৈ ধৰিছে নেকি? কথাবোৰ ভবাৰ এয়াই উপযুক্ত সময়।

এনে জটিল পৰিস্থিতিত বহল আৰু উদাৰমনা হৈ বহুতেই আগবঢ়োৱা ভোটযুদ্ধৰহিত সভাপতি নিৰ্বাচনৰ প্ৰক্ৰিয়াৰ বাবে অহা জনমতৰ প্ৰতি আন্তৰিকতা প্ৰদৰ্শন কৰিও কওঁ যে সভাৰ বাহিৰে ভিতৰে চৰ্চিত প্ৰৱল অবিশ্বাসৰ পৰিস্থিতিত আমি সাধাৰণ সাহিত্যপ্ৰেমী জনসাধৰণ কিংকৰ্তব্যবিমূঢ়। এনে পৰিস্থিতিত আমি বিশ্বাস কৰো যে অসম সাহিত্য সভাৰ তৃণমূলপৰ্যায়ৰ পৰা এক ব্যাপক বৈপ্লৱিক সংস্কাৰৰ প্ৰয়োজন হৈছে। সভাৰ সভাপতিৰ আঁৰ লৈ বহু সময়ত শেষাংশ ৪ পৃষ্ঠাত

■ ৩নং পৃষ্ঠাৰ পৰা...

# ড০ নগেন শইকীয়াৰ দুখ আৰু অসম

তলমুৰীয়াকৈ বহু অনাকাংক্ষিত কথা সংঘটিত হয়, আনকি অৰ্থনৈতিক অস্বচ্ছতা বা অনিয়মৰ দৰে ঘটনাও ঘটাৰ বহু বাতৰি পূৰ্বতে প্ৰকাশিত হৈছে। শাখা সাহিত্য সভাসমূহ ইয়াৰ মেৰুদণ্ড, অসমৰ জাতীয় চেতনা সম্পন্ন জনসাধাৰণৰ চিন্তাক এই শাখা সমূহে স্নায়ুতন্ত্ৰত প্ৰবাহিত কৰি সংস্কাৰ কৰিব লাগিব। তাকে নকৰিলে বা কৰিব নোৱাৰিলে অসম সাহিত্য সভাৰ প্ৰতি থকা শেষকণ আশা, আস্থা আৰু সন্মানো লোপ পাবলৈ অধিক সময় নালাগিব। মোৰ দৃষ্টিত নতুন পদ্ধতি বিচাৰতকৈ শাখা সাহিত্য সভাৰ সদস্যসকলৰ কাৰ্যকুশলতা আৰু সততাইহে সভাক সঠিকভাৱে পৰিচালিত কৰাৰ লগতে সভাপতি আৰু আনবোৰ পদবীলৈ যোগ্য ব্যক্তিক আগুৱাই আনিব। অসম সাহিত্য সভাৰ সভাপতি পদবীৰ ঐতিহাসিক মৰ্যাদা আৰু অধিক বিনষ্ট বা লঘু নহ'বলৈ সভাৰ ভিতৰত আৰু বিশেষকৈ তৃণমুল পৰ্য্যায়ত তীব্ৰ জনমত গঠন নহ'লে, আমাৰ এই আশংকাই সত্য হ'বগৈ। তেনে হ'লে অসম সাহিত্য সভাৰ অধিক অৱনমিত হোৱাৰ পূৰ্বে আৰু ইয়াৰ ঐতিহাসিক মৰ্যাদাপূৰ্ণ পৰিক্ৰমাৰ সন্মান আৰু সংৰক্ষণৰ স্বাৰ্থত অসম সাহিত্য সভা ভংগ কৰি দিয়াটোহে যুগুত হ'ব। আৰ্কাইভত সংৰক্ষিত হৈ থাকক, অন্ততঃ ঐতিহাসিক সমল আৰু প্ৰেৰণাস্ৰোত হিচাপে। আৰু তেনে ধৰণৰ কিবা এটা হ'লেও আজিৰ সময়ত অসম সাহিত্যসভাৰ কৰ্মকাণ্ড দেখি শুনি অসমৰ জাতীয় জীৱনৰ বিশেষ বা সাংঘাতিক ক্ষতি হ'ব বুলি মনে নধৰে।

নৱনিৰ্বাচিত সমিতিলৈ শুভকামনা জনায়ো আজিৰ সময়ৰ অসম সাহিত্য সভাৰ প্ৰতি আমাৰ অনাস্থা, হতাশা আৰু ক্ষোভ প্ৰকাশ কৰিলো, আমাৰ আশংকাক ভুল প্ৰমাণিত কৰাৰ প্ৰত্যাহ্বান ডঃ বসন্ত কুমাৰ গোস্বামী আৰু নেতৃত্বই গ্ৰহণ কৰক। ডঃ নগেন শইকীয়াৰ মৰ্মবেদনা উপলব্ধি কৰিব নোৱাৰিলে সাহিত্য সভাৰ ভৱিষ্যত শূন্য।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাহিত্য সভাৰ নতুন সভাপতি ডঃ বসন্ত

মুঠ ৪০৩টা ভোট লাভেৰে বিজয় সাব্যস্ত কৰিছে ড° বসন্ত কুমাৰ গোস্বামীয়ে। আজি ঘোষণা কৰা অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ নিৰ্বাচনৰ ফলাফলত নতুন উপ-সভাপতি হিচাপে পদুম ৰাজখোৱা নিৰ্বাচিত হৈছে। কামৰূপ জিলা সাহিত্য সভাৰ উদ্যোগত আৰু দদৰা আঞ্চলিক শাখা সাহিত্য সভাৰ আতিথ্যত দদৰাৰ ভৃগু কুমাৰ ফুকন প্ৰেক্ষাগৃহত চলি থকা অসম সাহিত্য সভাৰ ২০২৩-২৫ বৰ্ষৰ সপ্তম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভাৰ অন্তত আৰম্ভ হোৱা ভোট গণনাত ৪০৩ টা ভোট লাভ কৰি সভাপতি হিচাপে নিৰ্বাচিত হয় ড০ বসন্ত কুমাৰ গোস্বামী। গোস্বামীৰ প্ৰতিদ্বন্দী ড০ উপেন ৰাভা হাকাচামে লাভ কৰে ৩২৫ টা ভোট। লগতে উপ-সভাপতি পদত ত্ৰিকোণীয়া প্ৰতিদ্বন্দ্বিতাৰে অন্তত পদুম ৰাজখোৱাই ৩৯৩ টা ভোট লাভ কৰি জয়লাভ কৰে। ৰাজখোৱাৰ প্ৰতিদ্বন্দী বিপিন কলিতা আৰু ছহীৰ ভূঞাই লাভ কৰে ক্ৰমে ২৪৬ টা আৰু ১০০ টা ভোট। বাতৰি লিখা সময়লৈকে সভাৰ প্ৰধান সম্পাদক পদৰ ভোট গণনা সম্পূৰ্ণ হোৱা নাই। উল্লেখ্য সভাৰ প্ৰধান সম্পাদক পদত ড০ সঞ্জীৱ শৰ্মা, ড০ অজিত প্ৰসাদ শৰ্মা আৰু দেৱজিৎ বৰাই প্ৰতিদ্বণ্ডিতা কৰিছে। সভাৰ প্ৰধান সম্পাদক পদত ৪০৫ টা ভোট লাভ কৰি জয়ী হয় যোৰহাটৰ দেৱজিৎ বৰা। বৰাৰ প্ৰতিদ্বন্দী ড০ অজিত প্ৰসাদ শৰ্মাই লাভ কৰে ক্ৰমে ২৪০টা আৰু সঞ্জিত শৰ্মাই লাভ কৰে ৯৭টা ভোট। দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভোট গণনা কক্ষৰ পৰা ফলাফলৰ এই তথ্য সংগ্ৰহ সংগ্ৰহ কৰা হৈছে যদিও নিশা প্ৰায় ৯ বজা পৰ্যন্ত এই বাতৰি যুগুতোৱালৈ নিৰ্বাচনী সমিতিয়ে আনুষ্ঠানিক ফলাফল ঘোষণা কৰা নাই। উল্লেখ্য যে, অসম সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ সভাপতি, উপ-সভাপতি, প্ৰধান সম্পাদক পদত অনুষ্ঠিত হোৱা নিৰ্বাচনৰ ভোট গণনাৰ আগমুহূৰ্তত কাৰ্যনিৰ্বাহক সভাত নিমন্ত্ৰণ নোপোৱাক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰো সৃষ্টি হয়। ভোট গণনাৰ পূৰ্বে প্ৰধান সম্পাদক পদৰ প্ৰাৰ্থী অজিত কুমাৰ শৰ্মাই এগৰাকী কাৰ্যনিৰ্বাহক সদস্যক প্ৰহাৰ কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে বৌদ্ধিক সমাজত। ইফালে, সভাপতি নিৰ্বাচিত হোৱাৰ পিছতে ড° বসন্ত কুমাৰ গোস্বামীৰ যোৰহাটৰ বাসগৃহত উৎসৱমুখৰ পৰিৱেশ হোৱা বুলি জানিব পৰা গৈছে। যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি-সম্পাদককে ধৰি বিষয়ববীয়াসকলে আহি উষ্ম আদৰণি জ্ঞাপন কৰে নৱ-নিৰ্বাচিত সভাপতি ড° বসন্ত কুমাৰ গোস্বামীক। আনহাতে সভাপতিৰ পদত জয়ী হৈ অসম সাহিত্য সভাক অনাগত দিনবোৰত এক নতুন মাত্ৰা দিব বুলি ঘোষণা কৰে গোস্বামীয়ে। অসম সাহিত্য সভাৰ প্ৰতি ৰাইজে হেৰুৱাই পেলোৱা আস্থা ঘূৰাই আনিবলৈ কাম কৰি যাব বুলিও সংবাদ মাধ্যমৰ আগত মন্তব্য কৰিছে গোস্বামীয়ে। ইফালে, ভোটগণনা পৰ্বৰ প্ৰাৰম্ভিক পৰ্যায়তে কিছু খেলি-মেলি আৰু বেমেজালি হোৱা বুলিও অভিযোগ উঠিছে। প্ৰাৰম্ভিক অৱস্থাতে সাহিত্য সভাৰ নিৰ্বাচনী সমিতি আৰু উচ্চ ক্ষমতাসম্পন্ন সমিতিলৈ সেই আসোঁৱাহপূৰ্ণ ভোটগণনাৰ পদ্ধতিৰ কথা উল্লেখ কৰি উপেন ৰাভা হাকাচামে এক পত্ৰও প্ৰেৰণ কৰিছিল। এই পত্ৰত তেওঁ বেলট বাকচ খোলা পদ্ধতিসহ ৩টা আসোঁৱাহ সংঘটিত হোৱাৰ কথা উল্লেখ কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাৰ-পিট! সাহিত্য সভাত লাগিল

হৈছিল ১৯১৭ চনত। বৰ্তমান অসমৰ লগতে বিদেশতো আছে ইয়াৰ শাখা। কিন্তু, প্ৰতিগৰাকী অসমীয়াৰ অতি আদৰৰ অসম সাহিত্য সভাৰ ভিতৰচ'ৰাত ক্ৰমান্বয়ে যেন সংঘটিত হ'বলৈ ধৰিছে বিভিন্ন বিক্ষিপ্ত ঘটনা। যিবোৰ ঘটনাৰ কথা অসম সাহিত্য সভাৰ ভিতৰচ'ৰাত কেতিয়াও গ্ৰহণযোগ্য নহয়, বা ই আমাৰ বাবে, প্ৰতিগৰাকী অসমীয়াৰ বাবে খুৱেই এক দুৰ্ভাগ্যৰ বিষয়। যিসকল পুৰোধা ব্যক্তিয়ে অসম সাহিত্য সভাৰ মজিয়া শুৱনি কৰি ৰাখিছিল, সেই অসম সাহিত্য সভাৰ মজিয়াতে এতিয়া ইটোৰ পিছত আনটো বিতৰ্কই লগ নেৰা হৈছে। কিয়নো, আকৌ এক বিতৰ্কৰ মাজত সোমাই পৰিছে অসম সাহিত্য সভা। আজি দদৰাত অনুষ্ঠিত হৈ থকা সপ্তম কাৰ্যনিৰ্বাহক সভাৰ আগমুহূৰ্তত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ প্ৰাৰ্থী অজিত কুমাৰ শৰ্মাই এগৰাকী সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্যক মাৰপিট কৰা ঘটনাই বৌদ্ধিক সমাজৰ লগতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি অসম সাহিত্য সভাৰ ভিতৰচ'ৰাত। কামৰূপৰ দদৰাত অনুষ্ঠিত হৈ থকা অসম সাহিত্য সভাৰ আজি কাৰ্যনিৰ্বাহক সভাৰ দ্বিতীয়টো দিন। আজিৰ পুৱা ১০.৩০ বজাৰ পৰা অসম সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ সভাপতি, উপ-সভাপতি, প্ৰধান সম্পাদক পদত অনুষ্ঠিত হোৱা নিৰ্বাচনৰ ভোট গণনাৰ আৰম্ভ হোৱাৰ সময় আছিল যদিও অসম সাহিত্য সভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ আগমুহূৰ্তত কাৰ্যনিৰ্বাহক সভাত নিমন্ত্ৰণ নোপোৱাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ভোট গণনা পূৰ্বে প্ৰধান সম্পাদক পদৰ প্ৰাৰ্থী অজিত কুমাৰ শৰ্মাই এগৰাকী কাৰ্যনিৰ্বাহক সদস্যক প্ৰহাৰ কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে বৌদ্ধিক সমাজত। অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য সুশীল চন্দ্ৰ ডেকাই অভিযোগ কৰা অনুসৰি বৰ্তমানৰ প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাক তেওঁ কাৰ্যনিৰ্বাহক সভাত কিয় নিমন্ত্ৰণ নাপালে এই সন্দৰ্ভত সোধাত খৰ্গহস্ত হৈ তৰ্কাতৰ্কিত লিপ্ত হোৱা বুলি অভিযোগ কৰে। ইয়াৰ পিছতে সুশীল চন্দ্ৰ ডেকাৰ সৈতে তৰ্কাতৰ্কিত লিপ্ত হৈ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক পদৰ প্ৰাৰ্থী অজিত প্ৰসাদ শৰ্মাই প্ৰহাৰ কৰা বুলি গুৰুতৰ অভিযোগ তোলে। অসম সাহিত্য সভাত আজি ঘটা এই ঘটনাই সভাক এতিয়া লজ্জানত কৰিছে। এই ঘটনাক লৈ অসমৰ ৰাইজৰ অতি মৰমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ ভিতৰত চ'ৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ফলত নিৰ্দিষ্ট সময়তকৈ এঘন্টা পলমকৈ ভোট গণনা আৰম্ভ হয়। উল্লেখ্য যে, কামৰূপৰ দদৰা ভৃগু কুমাৰ ফুকন ৰাজহুৱা প্ৰেক্ষাগৃহত ২৮ আৰু ২৯ ডিচেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে অসম সাহিত্য সভাৰ সপ্তম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দক্ষিণ কোৰিয়াত ৰানৱেত জ্বলিল

এই দুৰ্ঘটনাত প্ৰাণ হেৰুৱায় ১৭৯ জন লোকে। জানিব পৰা মতে, বিমানখনত আছিল ১৭৫ জন যাত্ৰী আৰু ৬ গৰাকী ক্ৰু মেম্বাৰ। ইফালে দুৰ্ঘটনাৰ পিছত উদ্ধাৰ অভিযান চলাই ধ্বংসাৱশেষৰ মাজৰ পৰা দুজন ক্ৰু মেম্বাৰক জীৱন্তে উদ্ধাৰ কৰি হাস্পতাললৈ প্ৰেৰণ কৰা হয়। দুৰ্ঘটনাগ্ৰস্ত জেজু এয়াৰ বিমানখন দুৰ্ঘটনাৰ সময়ত বেংককৰ পৰা দক্ষিণ কোৰিয়ালৈ উভতি আহিছিল। জানিব পৰা মতে বিমানখন অৱতৰণ কৰি থকাৰ সময়তে ৰানৱেত এই দুৰ্ঘটনা সংঘটিত হয়। স্থানীয় সময় অনুসৰি পুৱা প্ৰায় ৯.০০ বজাত মুয়ান আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত দুৰ্ঘটনাগ্ৰস্ত হয় বিমানখন। দুৰ্ঘটনাটোত জড়িত বিমানখন আছিল কোৰিয়াৰ বাজেট বিমান সংস্থা জেজু এয়াৰৰ দ্বাৰা পৰিচালিত বয়িং ৭৩৭-৮০০ বিমান। জেজু এয়াৰৰ পৰিচালনা দলে কয় যে “বিমানখনৰ কোনো কাৰিকৰী বিজুতি নাছিল”। দলটোৱে কয় যে "দুৰ্ঘটনাৰ কাৰণসমূহৰ তদন্ত কৰা হ’ব।" ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ে জনোৱা মতে, দুৰ্ঘটনাৰ খবৰ পোৱাৰ পিছতে দক্ষিণ কোৰিয়াৰ ভাৰপ্ৰাপ্ত ৰাষ্ট্ৰপতি চয় চাং-মোকে দুৰ্ঘটনাস্থলীত উপস্থিত হয়। ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ে জনোৱা মতে, উদ্ধাৰ অভিযানত সহায়ক হোৱাকৈ প্ৰয়োজনীয় জৰুৰীকালীন কৰ্মী আৰু সঁজুলি যোগান ধৰাৰ লগতে আহতসকলৰ চিকিৎসাৰ ব্যৱস্থা কৰিবলৈ ৰাষ্ট্ৰপতিয়ে নিৰ্দেশ দিয়ে। কাৰ্যালয়ে আৰু কয় যে চৰকাৰে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সহায়ৰ বাবে সকলো প্ৰচেষ্টা গ্ৰহণ কৰিছে। ইফালে, এই মৰ্মান্তিক দুৰ্ঘটনাৰ পৰিপ্ৰেক্ষিতত দক্ষিণ কোৰিয়াত সাত দিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰা হৈছে। এই সময়ছোৱাত চৰকাৰী কাৰ্যালয়ত ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰা হ’ব আৰু সকলো চৰকাৰী বিষয়াই ক’লা ফিটা বান্ধিব। সংস্থাটোৰ মতে, বুধবাৰে স্থানীয় সময় অনুসৰি পুৱা ০৫:০০ বজালৈকে মুয়ান বিমানবন্দৰৰ ৰাণৱে বন্ধ থাকিব। অন্যহাতে, সংবাদ সংস্থা য়নহাপৰ মতে, বিমানখনত থকা যাত্ৰীসকলৰ ভিতৰত ১৭৩ জন যাত্ৰী দক্ষিণ কোৰিয়াৰ নাগৰিক হোৱাৰ বিপৰীতে আন দুগৰাকী আছিল থাইলেণ্ডৰ নাগৰিক। এই দুৰ্ঘটনাগ্ৰস্ত বিমানখনত তিনি বছৰৰ পৰা ৭৮ বছৰ বয়সলৈকে যাত্ৰী আছিল। এই বিমান দুৰ্ঘটনাক লৈ শোক প্ৰকাশ কৰিছে থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী পাটংটাৰ্ণ শ্বিনাৱাট্ৰাইও। তেওঁ লিখিছে, "দুৰ্ঘটনাটোত নিহত আৰু আহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছো।" দক্ষিণ কোৰিয়াৰ অগ্নিনিৰ্বাপক বাহিনীয়ে জনোৱা মতে, ৩২টা অগ্নিনিৰ্বাপক বাহিনীৰ ইঞ্জিন আৰু ১৫০০ জৰুৰীকালীন কৰ্মী ঘটনাস্থলীলৈ প্ৰেৰণ কৰা হৈছে। মন কৰিবলগীয়া যে, মুয়ান আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰলৈ দক্ষিণ কোৰিয়াৰ ৰাজধানী ছিউলৰ পৰা দূৰত্ব হৈছে ২৮৮ কিলোমিটাৰ। যাত্ৰীবাহী বিমানখনৰ দুৰ্ঘটনাৰ কাৰণ সন্দৰ্ভত এতিয়ালৈকে কোনো সুনিৰ্দিষ্ট তথ্য দিয়া হোৱা নাই। কিন্তু অগ্নিনিৰ্বাপক বাহিনীয়ে জনোৱা মতে, চৰাইৰ সৈতে খুন্দা আৰু বেয়া বতৰৰ বাবেই এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি অনুমান কৰা হৈছে। দক্ষিণ কোৰিয়াৰ এজন পৰিবহণ বিষয়াই কয় যে বিমানখনে ৰাণৱেত অৱতৰণ কৰিবলৈ চেষ্টা কৰি থকাৰ সময়তে বিমান পৰিবহণ নিয়ন্ত্ৰণে সকীয়াই দিছিল যে বিমানবন্দৰৰ ওচৰত চৰাই আছে আৰু ই আপাততঃ আকাশত থাকিব লাগে। এই সতৰ্কবাণীৰ দুই মিনিট পিছতে পাইলটে ‘মে ডে’ৰ সতৰ্কবাণী দিয়ে। তাৰ পিছত এয়াৰ ট্ৰেফিক কণ্ট্ৰ’লে তেওঁক ওলোটা ফালৰ পৰা অৱতৰণ কৰাৰ অনুমতি প্ৰদান কৰিছিল। সংবাদ সংস্থা য়নহাপৰ মতে, বিমানখনত চৰাইৰ খুন্দাৰ ফলতে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে। বিমান দুৰ্ঘটনাৰ পিছত ছ’চিয়েল মিডিয়াত এটা ভিডিঅ’ ভাইৰেল হৈ পৰে, অৱশ্যে এই ভিডিঅ’ৰ সত্যাসত্যতা এতিয়াও নিশ্চিত হোৱা নাই। এই ভিডিঅ’টোত বিমানখনে চকা বা লেণ্ডিং গিয়াৰ অবিহনে অৱতৰণ কৰিবলৈ চেষ্টা কৰিছিল আৰু অৱতৰণ কৰাৰ সময়ত ৰাণৱেৰ পৰা পিছলি গৈ দেৱালত খুন্দা মাৰে। ইয়াৰ পিছত বিমানখনৰ এটা অংশ জুইৰ শিখাই আগুৰি ধৰে। আন এটা ভিডিঅ’ত ক’লা ধোঁৱাৰ ডাৱৰ আকাশলৈ উঠি অহা দেখা গৈছে। পৰিবহণ বিভাগৰ তথ্য অনুসৰি ২০১৯ চনৰ পৰা বিমানখনৰ মুখ্য পাইলটে এই ভূমিকাত কাম কৰি আহিছিল আৰু তেওঁৰ ৯৮০০ ঘণ্টাৰ উৰণৰ অভিজ্ঞতা আছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ দ্বি-বাৰ্ষিক

অনুষ্ঠিত হোৱা পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ ৪১ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰে। তৃতীয় দিনৰ কাৰ্যসূচী অনুসৰি পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ কেন্দ্ৰীয় সভাপতি অতুল ফুকনে মূল পতাকা উত্তোলন কৰে। মূল পতাকাৰ সমান্তৰালভাৱে বিভিন্ন দল সংগঠনৰ নেতৃত্ব তথা বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৪১খনকৈ পতাকা উত্তোলন কৰা হয়। ইয়াৰ পিছতেই ‘মৈদাম তৰ্পণ’" কাৰ্যসূচী সম্পাদন কৰে টাই জাতীয় সংগীত ‘ম’খাম-ফান-তাই মুঙ’ৰ সুৰকাৰ তথা মলুঙ নবেন মোহনে। সাংস্কৃতিক শোভাযাত্ৰাত অসমৰ জাতি জনগোষ্ঠীৰ কলা সংস্কৃতিৰ লগতে আহোমৰ শৌৰ্য বীৰ্য সুন্দৰকৈ উপস্থাপন কৰা হয়। আনহাতে অন্তিম দিনা অধিৱেশনস্থলীৰ বিশেষ আকৰ্ষণ আছিল টাই নৃত্য পৰিচালক সুশীল ফুকনৰ নৃত্য পৰিচালনাত এহেজাৰ এগৰাকী যুৱক-যুৱতী কিশোৰীয়ে পৰিবেশন কৰা ‘লাই লুঙ খাম’ নৃত্য। টাই নৃত্য অনুষ্ঠানৰ উদ্বোধন কৰে পদ্মশ্ৰী ড° যোগেন্দ্ৰনাথ ফুকনে। টাই নৃত্য অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে নগালেণ্ড চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী চময় ইয়ং উপস্থিত থাকি নৃত্য উপভোগ কৰে। বিয়লি ৩ বজাত অতুল ফুকনৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভা উদ্বোধন কৰে পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দয়ানন্দ বুঢ়াগোঁহাইয়ে। সভাত পূৰ্বাঞ্চল টাই সাহিত্য সভাৰ তিনি গৰাকী প্ৰাক্তন সভাপতি পদ্মশ্ৰী ড° যোগেন্দ্ৰনাথ ফুকন, ড০ পুষ্প গগৈ আৰু জীৱেশ্বৰ মহনক সম্বৰ্ধনা জনোৱা হয়। মান নাং ইলা বৰগোহাঁইলৈ উপন্যাস সম্ৰাজ্ঞী বঁটা, নবেন মহনলৈ টাই ভাষা সংস্কৃতিৰ জীৱন জোৰা সাধনা বঁটা আৰু দেৱজ্যোতি ফুকনলৈ কুকীল কণ্ঠী বঁটা আগবঢ়োৱা হয়। সভাত উপস্থিত থাকি ব্যক্তব্য আগবঢ়াই অসম চৰকাৰৰ মন্ত্ৰী যোগেন মহন, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিনজ্যোতি গগৈ, বিধায়ক ৰূপজ্যোতি কুৰ্মী, প্ৰাক্তন বিধায়ক জিতেন গগৈকে ধৰি বহু কেইগৰাকী বিশিষ্ট অতিথিয়ে। ইফালে সন্ধিয়া ৮ বজাৰ পৰা আৰম্ভ হোৱা সাংস্কৃতিক সন্ধিয়াত জনপ্ৰিয় কণ্ঠ শিল্পী মীৰ দ্বীৰ আৰু বিশ্বজীৎ সোণোৱালে গীত পৰিবেশন কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পঞ্চায়ত প্ৰাৰ্থীৰ ব্যয়ৰ পৰিমাণ বৃদ্ধি!

নিৰ্বাচন আয়োগে পঞ্চায়ত নিৰ্বাচনৰ বাবে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰিছে। ২৭ খন জিলাত অনুষ্ঠিত হ’বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰিছে। চূড়ান্ত ভোটাৰ তালিকাত ১,৮০,১৪,৯১৩ গৰাকী ভোটাৰৰ অন্তৰ্ভুক্ত হৈছে। ৯০,৬০,৬৪০ ভোটা পুৰুষ আৰু ৮৯,৫৩,৮৬৫ ভোটাৰ মহিলা। তৃতীয় লিংগৰ ভোটাৰ আছে ৪০৮। ২৪,৮৮৪টা ভোট কেন্দ্ৰত আৰু ৩৯৭টা জিলা পৰিষদ, ১৮১ আঞ্চলিক পঞ্চায়ত, ২,১৯২ গাঁও পঞ্চায়ত আৰু ২১,৯২০ ৱাৰ্ডৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ’ব। বিধানসভা সমষ্টি পুনৰ গঠনৰ পিছতে প্ৰথমবাৰ অনুষ্ঠিত হ’বলগীয়া পঞ্চায়ত নিৰ্বাচনত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তত দলীয় প্ৰতীক চিহ্ন থাকিব যদিও গাঁও পঞ্চায়তত দলীয় প্ৰতীকচিহ্ন নাথাকিব বুলি কৈ আহিছে শাসকীয় দলে। বেলট পেপাৰতে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ’ব। পঞ্চায়ত সভাপতিৰ পদৰ বাবে নিৰ্বাচন নহয়, গাঁও পঞ্চায়তৰ নিৰ্বাচিত সদস্যই পঞ্চায়তৰ সভাপতি নিৰ্বাচিত কৰিব। নতুন সীমাৰে গঠিত গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদত ৰাজনৈতিক দলসমূহে নতুন ৰূপত সাজু হ’বলগীয়া হৈছে। ৰাজ্যিক নিৰ্বাচন বিভাগে উল্লেখ কৰা মতে, পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীৰ ব্যয় নিৰ্ধাৰণ কৰা হৈছে। এইবাৰ জিলা পৰিষদৰ প্ৰাৰ্থীয়ে সৰ্বাধিক ১০ লাখ টকা ব্যয় কৰিব পাৰিব। আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীয়ে এইবাৰ সৰ্বাধিক ২.৫ লাখ টকা ব্যয় কৰিব পাৰিব। আগত আছিল ১ লাখ টকা। গাঁও পঞ্চায়তৰ সদস্যই সৰ্বাধিক ২৫ হাজাৰ টকা কৰছ কৰিব পাৰিব। পূৰ্বে ১০ হাজাৰ টকা নিৰ্বাচনী ব্যয় কৰিব পাৰিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# স্বাধীনতাৰ পূৰ্বে বৰপেটাৰ তেমূৰাত

নাই। তাৰ বাবে আজি নিজকে অসমীয়া হিচাপে গৌৰৱ কৰিছো। আপোনালোকেও ইয়াক লৈ গৰ্ব কৰিব। আপোনালোকেও মোৰ সমানে অসমীয়া। আজি বৰপেটা জিলাৰ সংখ্যালঘু অধ্যুষিত তেমূৰাত এখন বিদ্যালয়ৰ শতবৰ্ষ উদযাপনৰ মুকলি সভাত বিশিষ্ট অতিথি উপস্থিত থাকি এই মন্তব্য প্ৰদান কৰিছে ৰাজ্যৰ বিশিষ্ট চিকিৎসক ডাঃ নৱনীল বৰুৱাই। তেমূৰা অঞ্চলত দেশ স্বাধীন হোৱাৰ পূৰ্বেই শিক্ষাৰ পোহৰ বিলাববলৈ একাংশ নিৰক্ষৰ লোকে স্থাপন কৰা ৫২৩নং তেমূৰা প্ৰাথমিক বিদ্যালয়ৰ শতবৰ্ষ উদযাপনৰ শেষ দিনটোৰ কাৰ্যসূচী মুকলি সভাত নৱনীল বৰুৱাই এইখিনি লোকে একো নোহোৱা ঠাইত উৰ্বৰতা বৃদ্ধি কৰি অসমৰ গোটেই অৰ্থনৈতিক পৰিস্থিতি পৰিৱৰ্তন কৰিববলৈ সক্ষম হোৱা বুলি উল্লেখ কৰিছে। নৱনীল বৰুৱাই কয় যে এখন ১০০ বছৰীয়া স্কুল। আজি ইয়াত আহি পৰিস্থিতি দেখি কিছু কথা ভাবিছো। এশ বছৰ আগতে মানুহখিনিয়ে এটা বেলেগ ঠাইৰ পৰা উঠি অহাৰ বেছি দিন হোৱা নাছিল। বাধ্যত পৰি ইয়ালৈ আহিছিল বা অনা হৈছিল। এখন বেলেগ ঠাইৰ পৰা আহি একো নোহোৱা ঠাইত উৰ্বৰতা বৃদ্ধি কৰি অসমৰ গোটেই অৰ্থনৈতিক পৰিস্থিতি পৰিৱৰ্তন কৰিববলৈ সক্ষম হ'ল। ভাবি আচৰিত লাগে। তেমূৰা অঞ্চলটো এশ বছৰ আগতে কেনেকুৱা আছিল বুলি প্ৰশ্ন কৰি বৰুৱাই কয় যে তেতিয়া তেমূৰাত বাট-পথ নাছিলেই। অনগ্ৰসৰ লোকসকলে এখন স্কুল পতাৰ কথা ভাবিলে। শিক্ষা-দীক্ষা নথকা লোকে কোনোবাই মাটি দিলে, কোনোবাই ছান্দা দিলে। এই মানুহখিনিয়ে শিক্ষাৰ কথা বুজিলে। বিশিষ্ট চিকিৎসক নৱনীল বৰুৱাই এশ বছৰে আগতে যি সংখ্যালঘু এলেকাত শিক্ষানুষ্ঠান গঢ়ি উঠিছিল সেই সংখ্যালঘু অঞ্চলসমূহ শিক্ষাফালৰ পৰা আজিও পিছ পৰি ৰোৱা বুলি আক্ষেপ কৰে। আৰেগিক হৈ চিকিৎসক বৰুৱাই কয় যে তেমূৰাৰ 'ৰ'ৰ তলত কেতিয়াও বিন্দু আহিববলৈ নিদিব। মুকলি সভাত ভাষণৰত অৱস্থাতে বাৰে বাৰে 'ৰ'টোত কেতিয়াও বিন্দু আহিব নিদিব বুলি আহ্বান জনাই চিকিৎসকগৰাকীয়ে কয় যে আমি সকলোৱে মিলি অসমীয়া জাতি। ইয়াৰ কণ কণ ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া পঢ়ি কোনোবাই ডাক্তৰ, ইঞ্জিনিয়াৰ হৈছে। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি পোৱাৰ প্ৰসংগ উল্লেখ কৰি বৰুৱাই কয় যে ধ্ৰুপদী ভাষাটো গুৱাহাটীত নহয়, উপন্যাসত নহয়। মানুহৰ অন্তৰত জীয়াই থাকিব লাগে। অসমীয়া ভাষাক ধ্ৰুপদী ভাষা ঘোষণা কৰাত অতি হিন্দু আৰু সাম্প্ৰদায়িক কিছুমান মানুহে তাৰ কৃতিত্ব দাবী কৰিব খুজিছিল। তেতিয়া আমি সজোৰে দাবী কৰিছিলো এয়া আপোনালোকে কৰা নাই। অসম সাহিত্য সভাৰ সভাপতি কুলধৰ শইকীয়াৰ নেতৃত্বত আৰম্ভ হৈছিল আৰু সকলোৱে মিলি কৰিছিল। তাত চৰ-চাপৰি সাহিত্য সভাৰ যিমান অৱদান আছে, সিমানে অসম সাহিত্য সভাৰ অৱদান আছে। এই কথা যেতিয়ালৈকে সকলোৱে মানি নল'ব তেতিয়ালৈকে অসমীয়া জাতি গঠন প্ৰক্ৰিয়া সম্পূৰ্ণ নহ'ব। আজিৰ ছাত্ৰ-ছাত্ৰীয়ে কেৰিয়াৰ আৰু সংস্থাপনক লৈ যুঁজি আছে। ইঞ্জিনিয়াৰ হৈ পিয়নৰ চাকৰি, বেংকত চাকৰি কৰিছে। তাৰ সমানে আজিৰ ছাত্ৰই সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে যুঁজিছে। ছাত্ৰ-ছাত্ৰীয়ে সংস্থাপন আৰু সাম্প্ৰদায়িকতা বিৰুদ্ধে সমানে যুঁজিব লাগিব। নিজৰ টকা খৰচ কৰি অসমীয়া পঢ়িছে। অসমীয়া ভাষাক জীয়াই ৰাখিছে। অসমীয়াক শিক্ষকতা কৰিছে। কিন্তু এইসকলৰ প্ৰত্যাহ্বান এয়াই যে অসমীয়াত্বৰ ওপৰত প্ৰশ্ন কৰা হয়? বাৰে বাৰে বাংলাদেশী, সন্দেহজনক বাংলাদেশীৰ দৰে অবান্তৰ, অসভ্য কিছুমান কথা চলি আছে। যাৰ ফলত বহু মানুহ হতাশ হৈছে। পঢ়া-শুনা এৰি দিছে। ড্ৰাগছৰ আসক্তি বৃদ্ধি পাইছে। বেয়া কামৰ প্ৰতি আসক্ত হৈছে। ইয়াৰ দায়িত্ব সংখ্যালঘুৰেই নহয় সংখ্যাগুৰুৱেও ল'ব লাগিব। ছাত্ৰ-ছাত্ৰীসকলক বুজাব লাগিব যে তেওঁলোক এইখন ৰাজ্যৰ বাসিন্দা। এইখন ৰাজ্যত তেওঁলোকৰ সমঅধিকাৰ আছে। এই কথা প্ৰতিষ্ঠা কৰাটো আমাৰ সকলোৱে দায়িত্ব বুলি কৈ ছাত্ৰ-ছাত্ৰীক কোনো কাৰণত হতাশ নহ'বলৈ পৰামৰ্শ আগবঢ়ায় বিশিষ্ট চিকিৎসকগৰাকীয়ে। মুকলি সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি জ্যেষ্ঠ সাংবাদিক তথা প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই ধৰ্মৰ নামত সমাজখনত ভাগ কৰিব খোজাৰ অভিযোগ আনে। বৰাই কয় যে একাংশ ৰাজনৈতিক দলৰ নেতাই ক্ষমতাৰ নামত সমগ্ৰ দেশখনক বিভাজন কৰি পেলাইছে। তাৰ প্ৰভাৱ অসমতো পৰিছে। হিন্দু, খ্ৰীষ্টান, জৈন এই সকলোবোৰ ধৰ্ম। এই সকলোবোৰ ৰাজনীতিলৈ আনি নিজৰ স্বাৰ্থৰ বাবে ব্যৱহাৰ কৰিছে। যদি আমি এই ধৰ্মৰ ৰাজনীতিৰ কথাবোৰ অনুভৱ কৰিব নোৱাৰো তেন্তে মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, আজান ফকীৰৰ বাণীৰ কোনো অৰ্থ নাথাকিব। বেদব্ৰত বৰাই বৰপেটা-গোৱালপাৰা অঞ্চলত দেশ স্বাধীন হোৱাৰ পূৰ্বেই ১৯০০ চনৰ পিছৰে পৰা বহু শিক্ষানুষ্ঠান গঢ়ি উঠাৰ উদাহৰণ দাঙি ধৰে। বৰাই শিক্ষানুষ্ঠান ক'ত ক'ত গঢ়ি উঠিছিল সেই নামসমূহ মুকলি সভাত উল্লেখ কৰি কয় যে আপোনালোকে এশ বছৰৰ আগৰ পৰাই অসমীয়া ভাষা, সাহিত্য-সংস্কৃতিৰ বাবে কাম কৰি আছে। এই সকললোকক বাৰে বাৰে তুচ্ছ-তাচ্ছিল্য কৰা হয়, বিদেশী বুলি কোৱা হয়। তাৰ উত্তৰ আজি অসমীয়া মাধ্যমৰ প্ৰাথমিক বিদ্যালয়ৰ শতবাৰ্ষিকী উদযাপন কৰি আপোনালোকে দিলে বুলিও কয় বৰাই। আজিৰ মুকলি সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ দিলীপ বৰা, চৰ-চাপৰি সাহিত্য সভাৰ সভাপতি ড০ হাফিজ আহমেদ, পাটবাউসী সত্ৰৰ সত্ৰাধিকাৰ ভাস্কৰজ্যোত গোস্বামী, বিশিষ্ট সমাজকৰ্মী ছফি জামাল হুছেইন, লেখক ৰেজাউল কৰিম, চিকিৎসক ডা০ চান্দ মহম্মদসহ কেবাগৰাকী বিশিষ্ট লোক উপস্থিত থাকে। বৰপেটা জিলাৰ ঐতিহ্যমণ্ডিত তেমূৰা অঞ্চলত দেশ স্বাধীন হোৱাৰ পূৰ্বেই শিক্ষাৰ পোহৰ বিলবালৈ একাংশ লোকে স্থাপন কৰিছিল ৫২৩নং তেমূৰা প্ৰাথমিক বিদ্যালয়। সংখ্যালঘু অধ্যুষিত তেমূৰাত ১৯২৩ চনত স্থাপিত তেমূৰা প্ৰাথমিক বিদ্যালয়ে শতবৰ্ষ গৰকিছে। বৰ্তমানৰ ছাত্ৰসমাজ, শিক্ষক, অভিভাৱক, অঞ্চলবাসী, প্ৰাক্তন শিক্ষক, তেমূৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰসকলে তেমূৰা প্ৰাথমিক বিদ্যালয়ৰ শতবৰ্ষ কাৰ্যসূচী বছৰজুৰি পালন কৰিছিল। শতবৰ্ষ উদযাপনৰ সামৰণি অনুষ্ঠান ২৭, ২৮ আৰু ২৯ ডিচেম্বৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। বিদ্যালয়খনৰ প্ৰাংগণত অনুষ্ঠিত কাৰ্যসূচী অনুসৰি ২৭ ডিচেম্বৰৰ পুৱা ছাফাই অভিযান, সৰ্বধৰ্ম প্ৰাৰ্থনা, এশখন পতাকা উত্তোলন, বৃক্ষৰোপণ, তোৰণ মুকলি, সাংস্কৃতিক শোভাযাত্ৰা, সংগীত আৰু নৃত্য প্ৰতিযোগিতা, উদ্বোধনী সভা আৰু সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়। ২৮ ডিচেম্বৰত মাৰাথান দৌৰ প্ৰতিযোগিতা, ভেশচন প্ৰতিযোগিতা, খেল-ধেমালি, কুইজ-আকস্মিক বক্তৃতা প্ৰতিযোগিতা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ প্ৰীতি সমাৰোহ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰীৰ সম্বৰ্ধনা, বিদ্যালয়ৰ ভূমিদাতাক মৰণোত্তৰভাৱে সন্মান, বঁটা বিতৰণী আৰু শৈক্ষিক সজাগতা সভাৰ পিছতে সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়। ২৯ ডিচেম্বৰত দুপৰীয়া ২ বজাৰ পৰা অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাত কেবাগৰাকী বিশিষ্ট লোকৰ উপস্থিতিত শতবৰ্ষ উপলক্ষে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়।

# ৰঙিয়াত ভাৰতীয় শিক্ষণ মণ্ডলৰ সভাত ৰাজ্যপাল লক্ষ্মণ আচাৰ্য

**ই-সংবাদ, ৰঙিয়া, ২৯ ডিচেম্বৰঃ** ৰঙিয়াত ভাৰতীয় শিক্ষণ মণ্ডলৰ উত্তৰ অসম প্ৰান্তৰ সপ্তবিংশতিতম অভ্যাস বৰ্গৰ আজি সামৰণি পৰে। তদুপলক্ষে স্থানীয় হৰদত্ত বীৰদত্ত ভৱণ প্ৰেক্ষাগৃহত আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যৰ ৰাজ্যপাল লক্ষ্মণ আচাৰ্যই অংশগ্ৰহণ কৰে। তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা অভ্যাস বৰ্গৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকি ৰাজ্যপাল গৰাকীয়ে তত্বগধুৰ বক্তব্য ৰাখে। অসমীয়া জাতিৰ জনক গুৰুদুজনাৰ সশ্ৰদ্ধ স্মৰণৰে বক্তব্যৰ শুভাৰম্ভ কৰা ৰাজ্যপাল গৰাকীয়ে ভাষা গৌৰৱ সপ্তাহত মাতৃভাষাৰ প্ৰাসংগিকতা সম্পৰ্কে উল্লেখ কৰে। ভাৰতবৰ্ষত শিক্ষণ মণ্ডলৰ পৰাই আচাৰ্য-আচাৰ্যা সম্বোধনেৰে সকলোকে সুখী, সকলো এক ভাৱধাৰা ৰখা হয় বুলি নিজৰ ভাষণত তেওঁ কয়। পাশ্চাত্য সংস্কৃতিৰ বিপৰীতে ভাৰতীয় পৰম্পৰা, গতিবিধি আৰু সংস্কৃতি লৈ আত্মনিৰ্ভৰ ভাৰত-বিকশিত ভাৰতৰ সপোনক সাকাৰ ৰূপ দি ভাৰতবৰ্ষক বিশ্ব গুৰুৰ আসনত প্ৰতিষ্ঠা কৰাৰ পোষকতা কৰি শিক্ষা ব্যৱস্থাত অকল বিশ্ববিদ্যালয়ৰ শিক্ষাই নহয়,আত্মজ্ঞান, সংস্কাৰ আদিও থাকিব লাগিব বুলি নিজৰ ভাষণত কয় ৰাজ্যপাল আচাৰ্যই। ড০ নীলমোহন ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত সামৰণি অনুষ্ঠানটোত ৰঙিয়াৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ -ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী তথা গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘আমি চান্দ সদাগৰৰ মেৰঘৰ সাজি

প্ৰতি থকা মৰম, বিদায়ৰ চকুলো, দুখ-কষ্ট, বেদনা, বেজাৰ এই ভৱনটোৰ প্ৰতি চপৰা ইটাৰ সৈতে জড়িত হৈ আছে। এই ভৱনটোৰ হৃতমৰ্যাদা আৰু গৌৰৱ আমি ঘূৰাই আনিবলৈ চেষ্টা কৰিম। মই আপোনাসকলক এটা কথাই ক'ব পাৰো যে এই বৰ্ষৰ পৰা অসমৰ সাহিত্য সভাৰ বিত্তীয় বা আন যিকোনো বিতৰ্ক মই আৰু কেতিয়াও হ'বলৈ নিদিও। তাৰ কাৰণে আমাৰ সংবিধানখন, বিধি-ব্যৱস্থা যিবোৰ আছে আমি সম্পূৰ্ণকৈ পানী নসৰকাকৈ যুগুত কৰিব লাগিব। মই সাহিত্য সভাৰ যিটো নীতি-আদৰ্শৰ কথা ক'ব খুজিছো, অসম সাহিত্য সভাৰ বা অসমীয়া সাহিত্যৰ বিকাশ তেতিয়াহে সম্পূৰ্ণ হ'ব যেতিয়া অসমৰ জনগোষ্ঠীসমূহৰ ভাষা-সাহিত্যৰ বিকাশ হ'ব। সেইকাৰণে তেখেতসকলৰ লগত সহযোগ কৰি আমি অসমীয়া ভাষাটোৰ যিখিনি লোক আছো, সেই লোকখিনিক জনগোষ্ঠীয় ভাষা, সংস্কৃতিৰ সৈতে পৰিচয় কৰাই দিবৰ বাবে আমি ইতিবাচক পৰিৱেশ সৃষ্টি কৰিম। তেওঁলোকক আমি বুকুৰ আপোন হিচাপে লৈছো। আগলৈকো আমি ল'ম। তেওঁলোকৰ লগত সমন্বয়ৰ যোগেদি কথাবোৰ আগবঢ়োৱা হ'ব। কাৰণ, সাংস্কৃতিক ধৰ্মইহে এটা মহাজাতি গঠন কৰিব পাৰে। ৰাজনীতিয়ে ভাগ ভাগ কৰে, সংস্কৃতিয়ে সদায় এক কৰে। সাংস্কৃতিকভাৱে বৃহৎ অসমখনৰ সকলোৰে আমি মাত্ৰ এক অসমৰ সন্তান বুলি ধৰি ল'ম। আমি কিছুমান কাৰ্যসূচী হাতত ল'ম। নতুন প্ৰজন্মই অসমীয়া ভাষা শিকিবলৈ আগ্ৰহ কৰে। নতুন যুগেৰে আমাৰ যিখিনি সুবিধা দিছে, ইন্টাৰনেটৰ যোগেদি যিখিনি সুবিধা আহিছে, সেইখিনিৰে নতুন প্ৰজন্মৰ কাষলৈ যাম। তেওঁলোকেও যাতে আমাৰ কাষলৈ আহে। এই যুগত আমি পিছ পৰা থকা চৰাই হৈ নাথাকিম। আমি চান্দ সদাগৰৰ মেৰঘৰ সাজি নাথাকো। তাৰ মাজত আমি লুকাই নাথাকো। আমি নতুন যুগটোৰ লগতো সম্পূৰ্ণভাৱে আগবাঢ়ি যাবলৈ চেষ্টা কৰিম। অসম সাহিত্য সভা কেৱল সাহিত্যিকৰহে অনুষ্ঠান বুলি ধৰি ল'ব নালাগে। সেয়া নহয়। আমাক সাহিত্য কৰ্মীৰো প্ৰয়োজন। সাহিত্য সভাত সাংগঠনিক কাম-কাজ কৰি থকা মানুহখিনিও লাগে। গতিকে নতুন প্ৰজন্ম আৰু সাংগঠনিক কৰ্মীক লৈ আমি একেলগে কাম কৰি যাম।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মাজুলীত থ্ৰীষ্টাৰ হোটেলত গৰু-ঘোঁৰা!

নিৰ্বাচিত হৈ ৰাজ্যত প্ৰথমবাৰৰ বাবে গঠন হোৱা বিজেপি চৰকাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত লৈ পৰৱৰ্তী সময়ত নিজ সমষ্টি মাজুলীৰ বাবে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে একাধিক প্ৰকল্প ঘোষণা কৰিছিল। কিন্তু অতি দুৰ্ভাগ্যৰ বিষয় যে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰা অধিকাংশ প্ৰকল্পৰ বৰ্তমান মাজুলীত অস্তিত্বহীন হোৱাৰ লগতে অধিকাংশ প্ৰকল্প বৰ্তমানো নিৰ্মীয়মান অৱস্থাতে আছে। চৰকাৰী প্ৰাককলন অনুসৰি অধিকাংশ প্ৰকল্প প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে নিজ কাৰ্যকালৰ ভিতৰতে উদ্বোধনৰ তৎপৰতা চলাইছিল যদিও সেয়া সম্ভৱ হৈ উঠা নাছিল। তাৰ ভিতৰত বিশেষকৈ ২০১৭-১৮ বিত্তীয় বাজেটত ঘোষণা কৰা এক অভিলাসী আঁচনি হৈছে গ্ৰামীণ আন্তঃগাঠনি উন্নয়ন পুঁজিৰ অধীনত ১০ কোটি টকাৰ অৰ্থ সাহাৰ্য্যৰে মাজুলীত তিনি তাৰকা যুক্ত হোটেল-ৰিজৰ্ট স্থাপন কৰা। সেই অনুসৰি তিনি তাৰকা যুক্ত হোটেল-ৰিজৰ্টৰ বাবে সেই সময়ত মাজুলীৰ বনগাঁৱত বহু বিঘা মাটিও আৱন্টন দিয়া হৈছিল। সেই অনুসৰি প্ৰাক্তন মুখ্যমন্ত্ৰী সোণোৱালে নিজ কাৰ্যকালৰ ভিতৰতে উদ্বোধন কৰিব পৰাকৈ নিৰ্মাণৰ ক্ষেত্ৰত সকলোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সেই সময়ত তৎপৰতা গ্ৰহণ কৰিছিল যদিও সোণোৱালৰ উক্ত সপোনৰ প্ৰকল্প মূৰকত ঘোষণাতে সীমাবদ্ধ হৈ থাকিল। বাজেট প্ৰস্তাৱিত উক্ত ঘোষণা আজি ৭ টাকৈ বছৰে বাস্তৱ প্ৰতিফলন নঘটাৰ সন্দৰ্ভত 'ই-সংবাদ'ৰ এই প্ৰতিবেদকে চলোৱা নিজাববীয়া চৰজমিন তদন্তত পোহৰলৈ অহা ভয়ংকৰ সত্যটো হৈছে গ্ৰামীণ আন্তঃগাঠনি উন্নয়ন পুঁজিৰ অধীনত নিৰ্মাণ হ'বলগীয়া তিনি তাৰকাযুক্ত হোটেলৰ নামত আৱন্টিত ভূমিত আজি ৭ বছৰে শিলগুটি এটাও নপৰিল। ইয়াৰ বিপৰীতে হোটেলৰ বাবে বনগাঁৱত আৱন্টিত ভূমিত বৰ্তমান গৰু, ঘোঁৰা চৰি থকাহে এই প্ৰতিবেদকে প্ৰত্যক্ষ কৰে। আৱন্টিত ভূমিৰ ওচৰে-পাজৰে বসবাস কৰা লোক তথা স্থানীয় ৰাইজে তিনি তাৰকাযুক্ত হোটেলৰ নামত কেৱল চৰকাৰে আভুৱা ভৰাৰ লগতে এই ক্ষেত্ৰত মাজুলীৰ বিধায়ক ভুবন গামে বিধান সভাত টু এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰাটো দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰে। আশ্বৰ্য্যজনক বিষয় হৈছে মাজুলীত হৈ থকা কেন্দ্ৰীয় পুজিৰ ৯০০ কোটিৰ দলং ৩-৪ বছৰত সম্পূৰ্ণ কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ যদিও মাত্ৰ ১০ কোটি টকাৰ এক প্ৰকল্প নিৰ্মাণৰ বাবে আজি ৭ বছৰে চৰকাৰ অসমৰ্থ হোৱাটো এক ভাবিবলগীয়া বিষয় হিচাপেও চিহ্নিত হৈছে। মাজুলীৰ চুবুৰীয়া জিলাসমূহত চৰকাৰৰ উন্নয়নমূলক কামৰ ঢল বোৱাৰ বিপৰীতে তুলনামূলকভাৱে যোৱা ৩ টা বছৰ মাজুলীত হোৱা কেন্দ্ৰীয় আৰু অসম মালাৰ পুঁজিৰ দলং দুখনৰ বাহিৰে একপ্ৰকাৰে উন্নয়ন স্তব্ধ হোৱা বুলিও সততে চৰ্চা চলা পৰিলক্ষিত হৈছে। কি পাকচক্ৰত সোণোৱালৰ সপোনৰ ইটোৰ পাছত সিটো প্ৰকল্পত এই স্থবিৰতা আহিছে সেয়াও চিন্তনীয় বিষয় হিচাপে চিহ্নিত হৈছে। এই বৰ্ষত মাজুলীবাসীয়ে আশা কৰিছিল এই তিনি তাৰকা যুক্ত হোটেল-ৰিজৰ্টৰ কামে অগ্ৰগতি লাভ কৰিব। কিন্তু বৰ্ষটোৰ শেষতো কোনো অগ্ৰগতি লাভ নকৰিলে কামৰ। ফলত স্বাভাৱিকতে হতাশ হৈ পৰিছে উন্নয়নৰ সপোন দেখা মাজুলীবাসী।

## শীঘ্ৰে বৰপেটা জিলা প্ৰশাসনক বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী ৰেজাউলৰ

# বাণিজ্য মেলাৰ নামত চলা অবৈধ জুৱাৰ বিৰুদ্ধে কলগাছিয়াত তীব্ৰ প্ৰতিক্ৰিয়া আমছুৰ সভাপতিৰ

**ই-সংবাদ, কলগাছিয়া ২৯ ডিচেম্বৰঃ** বৰপেটা জিলাৰ কলগাছিয়াত আজি হঠাৎ উপস্থিত হয় আমছুৰ সভাপতি ৰেজাউল কৰিম সৰকাৰ। তেখেত উপস্থিত হৈ সাংবাদিকৰ সৈতে হোৱা সাক্ষাৎকাৰত কেইবাটাও বিস্ফোৰক মন্তব্য আগবঢ়াই। লগতে বৰপেটা জিলাৰ অন্তৰ্গত বিশেষকৈ সংখ্যালঘু বসতি অঞ্চলসমূহত প্ৰায় এমাহ ধৰি ধাৰাবাহিক ভাবে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰি উদ্যোক্তা সকলে বিভিন্ন ধৰণৰ কু-সংস্কাৰৰ লগতে জুৱা আদি অসামাজিক কাম-কাজ চলাই থকাৰ মাজতেই অঞ্চলসমূহত ড্ৰাগচ আসক্তৰ সংখ্যাও বৃদ্ধি পোৱা বুলি আমছুৰ সভাপতি ৰেজাউল কৰিম সৰকাৰে জানিবলৈ দিয়ে। আনহাতে বৰ্তমান সময়ত স্নাতক বৰ্ষৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ষান্মাসিকৰ চূড়ান্ত পৰীক্ষা চলি আছে আৰু অহা ২০২৫ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ ১৫ তাৰিখৰ পৰা উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হ'ব। উক্ত পৰীক্ষাৰ বাবে ছাত্ৰ ছাত্ৰীসকলে প্ৰস্তুতি চলাই থকাৰ মাজতেই এই ধৰণৰ অসামাজিক গান বাজনা কৰি সাংস্কৃতিক মঞ্চ মাতাল কৰি ৰখা কাৰ্য্যক তীব্ৰ গৰিহণা দিয়ে। কিন্তু বৰপেটা জিলা প্ৰশাসনে এনে অবৈধ কাৰ্যকলাপ বন্ধ কৰিবলৈ সক্ষম হোৱা নাই বুলি জনায়। এই ক্ষেত্ৰত যদি বৰপেটা জিলা প্ৰশাসনৰ লগতে আৰক্ষী অধীক্ষকে যদে মদে গ্ৰন্থ আৰু বাণিজ্য মেলাৰ অনুমতি বন্ধ কৰিবলৈ সক্ষম নহয় তেন্তে অসমৰ মুখ্যমন্ত্ৰী আৰু আৰক্ষী সঞ্চালকক বিষয়ে অৱগত কৰাব বুলি সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে। লগতে কয় অসম সাহিত্য সভা আমাৰ হিয়াৰ আমঠু। অসম সাহিত্য সভা ধৰি ৰখাটো আমাৰ সকলোৰে কৰ্তব্য। গতিকে এই সভাৰ এখন কাৰ্যনিৰ্বাহ সভাত যি মাৰপিটৰ ঘটনা সংগঠিত হৈছিল এই কাৰ্যক দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰে আমছুৰ সভাপতি ৰেজাউল কৰিম সৰকাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চন্দ্ৰকান্ত সন্দিকৈ ভৱনত আনন্দৰ লহৰ

বৰ্ষৰ সভাপতি আৰু প্ৰধান সম্পাদকৰ নিৰ্বাচনৰ ফলাফল। যোৰহাটবাসীলৈ আনন্দ কঢ়িয়াই আজি ঘোষিত ফলাফলত সভাপতি আৰু প্ৰধান সম্পাদক দুয়োটা পদতে নিৰ্বাচিত হৈছে যোৰহাটৰ প্ৰাৰ্থী। উল্লেখ্য যে, নতুন বছৰৰ প্ৰাকক্ষণত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় থকা স্থান যোৰহাটৰ পৰা শতবৰ্ষ অতিক্ৰম কৰা অসমৰ জাতীয় অনুষ্ঠানটোৰে ৩৭ বছৰৰ পিছত অসম সাহিত্য সভাৰ সভাপতি লাভ কৰিছে। ৰাজ্যৰ সাহিত্য-সংস্কৃতিৰ পীঠস্থান বুলি গণ্য কৰি অহা যোৰহাট জিলাই ১৯৮৭ চনত সাহিত্য সভাৰ সভাপতি ৰূপে লাভ কৰিছিল সাহিত্যচাৰ্য যতীন্দ্ৰ নাথ গোস্বামীক। দীৰ্ঘদিনীয়া অপেক্ষাৰ অন্তত যোৰহাট জিলাৰ সন্তান ড০ বসন্ত কুমাৰ গোস্বামীয়ে অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰাত জিলাখনৰ বাসিন্দা উৎফুল্লিত হৈ পৰিছে। অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ত থকা স্থানৰ পৰা শতবৰ্ষ অতিক্ৰম কৰা অসমৰ জাতীয় অনুষ্ঠানটোৰ দুয়োগৰাকী শীৰ্ষ বিষয়ববীয়া নিৰ্বাচিত হোৱাত যোৰহাটবাসী স্বাভাৱিকতেই উৎফুল্লিত হৈ পৰিছে। সভাপতিৰূপে যোৰহাট ডি চি বি কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ বসন্ত কুমাৰ গোস্বামী আৰু প্ৰধান সম্পাদকৰূপে উত্তৰ-পশ্চিম যোৰহাটৰ গৰখীয়া দ'ল কমলাবাৰীয়া গাঁৱৰ নিৱাসী, বৰ্তমান অসম প্ৰকাশন পৰিষদৰ কৰ্মচাৰী দেৱজিৎ বৰা নিৰ্বাচিত হয়। উল্লেখ্য যে, ডঃ বসন্ত কুমাৰ গোস্বামী অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ চাৰিবাৰ সহকাৰী সম্পাদকৰ দায়িত্বত থকাৰ লগতে বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞি সভাপতি হৈ থকা সময়ত প্ৰধান সম্পাদকৰ দায়িত্বত আছিল। অসম সাহিত্য সভাৰ লগত দীৰ্ঘদিন জড়িত হৈ থকা বসন্ত কুমাৰ গোস্বামীয়ে ফলাফল ঘোষণা হোৱাৰ পিছতে কয়, "অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱন এটা পৰিয়ালে এজন যুৱকৰ মৃত্যুৰ চিনস্বৰূপে দান দিয়া ঘৰ। এই ঘৰটোত পৰিয়ালটোৰ চকুলো, আৱেগ জড়িত হৈ আছে। ইয়াৰ প্ৰতিচপৰা ইটাই তাকেই সোঁৱৰায়। অসম সাহিত্য সভাৰ হৃত মৰ্যাদা গৌৰৱ ঘূৰাই আনিব লাগিব। তদুপৰি অসম সাহিত্য সভাত বিগত বছৰসমূহত হোৱাৰ দৰে বিত্তীয় কেলেংকাৰি, বিতৰ্ক আদি আৰু হ'বলৈ দিয়া নহ'ব। তাৰবাবে অসম সাহিত্য সভাৰ সংবিধানখন পানী নসৰকাকৈ প্ৰস্তুত কৰি উলিওৱা হ'ব। তাৰবাবে বিধি-ব্যৱস্থা গ্ৰহণ কৰা হ'ব। অসমীয়া ভাষা-সাহিত্যৰ বিকাশ কৰাৰ বাবে সকলো জাতি-জনগোষ্ঠীৰ ভাষাৰ বিকাশ কৰা হ'ব, পৰিৱেশ সৃষ্টি কৰা হ'ব। সকলোৰে লগত সুযম সমন্বয়ৰ যোগেদি সাংস্কৃতিকভাৱে সকলোকে এক অসমীয়া জাতি হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰা হ'ব। বৰ্তমান আধুনিক যুগ, ইন্টাৰনেটৰ যুগ। অসমীয়া শিকিব বিচৰা সকলক এই যুগৰ দ্বাৰাই শিকাবলৈ প্ৰচেষ্টা কৰা হ'ব।" তাৰবাবে পিছপৰা চৰাইৰ দৰে বৈ নাথাকোঁ বুলিও নৱনিৰ্বাচিত সভাপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ আৰু কয়, অসম সাহিত্য সভা কেৱল সাহিত্যিকৰে অনুষ্ঠান নহয়, ইয়াত কৰ্মীৰো প্ৰয়োজন আছে, সেয়ে নতুন প্ৰজন্মৰ পৰা সাহিত্যকৰ্মী, সাংগঠনিক কৰ্মীৰো প্ৰয়োজন। উল্লেখ্য যে, অসম সাহিত্য সভাৰ উকমুকনি তথা যোৰহাট সাহিত্য সভা অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাৰ পূৰ্বে শৰৎ চন্দ্ৰ গোস্বামী তথা যোৰহটীয়া একাংশ ৰাইজে প্ৰতিষ্ঠা কৰিছিল। তাৰপাছতেই শিৱসাগৰত ১৯১৭ চনত অসম সাহিত্য সভা প্ৰতিষ্ঠা হৈছিল। সভাপতি আৰু প্ৰধান সম্পাদক ২০২৫-২৭ বৰ্ষৰ বাবে যোৰহাটৰ পৰা নিৰ্বাচিত হৈছে যদিও অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ বৰ্তমান জঁকাটোহে আছে। এনে পৰিপ্ৰেক্ষিতত দুয়োগৰাকী শীৰ্ষ বিষয়ববীয়া যোৰহাটৰ পৰা নিৰ্বাচিত হোৱাত চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ হৃত মৰ্যাদা গৌৰৱ ঘূৰাই আনিব পাৰিব বুলি এতিয়া আশাৰে বাট চাই ৰৈছে যোৰহাটৰ সাহিত্য প্ৰেমী ৰাইজে। ইপিনে অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি যোৰহাটৰ নিবাসী ড০ বসন্ত কুমাৰ গোস্বামীক সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। গোস্বামীৰ নেতৃত্বত অসম সাহিত্য সভাই লক্ষ্য আৰু উদ্দেশ্য পূৰণত সফল হোৱাৰ কামনা কৰিছে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গ্ৰন্থমেলাত স্থান নাপালে ইউএছটিএমে

সিংহাসনৰ লগতে পালি-প্ৰহৰী, চিপাহী-চন্তৰী সকলোৰে তাক বেয়া পাবই লাগিব। কাণ্ড কাৰখানা এতিয়া তেনেকুৱাই। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বেয়া পোৱা বাবে অসম গ্ৰন্থমেলাৰ পৰা আঁতৰাই পঠোৱা হ'ল এখন শিক্ষানুষ্ঠানক। খানাপাৰাত ২৬ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা গ্ৰন্থমেলাত মেঘালয়ৰ ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয় ইউএছটিএমে স্থাপন কৰা ছেলফি পইণ্ট আৰু মেডিকেল ইউনিট বন্ধ কৰি দিয়া হৈছে। এই অভিযোগ উত্থাপন কৰিছে ইউএছটিএমৰ উপ-পঞ্জীয়কে। ২৬ ডিচেম্বৰত গ্ৰন্থমেলা মুকলি কৰাৰ দিনটোত ইউএছটিএম গ্ৰন্থমেলাত মুকলি কৰিছিল এটা ছেলফি পইণ্ট আৰু স্বাস্থ্য সেৱাৰ এটা দল নিয়োগ কৰিছিল। আজি পুৱাৰ ভাগত কোনো আতগীয়া জাননী নিদিয়াকৈ ইউএছটিএমক নিৰ্দিষ্ট কৰি দিয়া ঠাইৰ সন্মুখত লগোৱা বেনাৰখন আতৰাই পেলাই গ্ৰন্থমেলা কৰ্তৃপক্ষই। লগতে ইউএছটিএমক গ্ৰন্থমেলাৰ পৰা আতৰি যাবলৈ নিৰ্দেশ দিছে। আজি পুৱা এটা মেইল প্ৰেৰণ কৰি নিৰ্দিষ্ট ঠাইতকৈ বেছি ঠাই লৈ ইউএছটিএমে নিৰ্দেশনা উলংঘা কৰাত এনে ব্যৱস্থা লোৱা হৈছে বুলি কয়। গ্ৰন্থমেলা কৰ্তৃপক্ষই টেলিফোনযোগে অভিযোগ কৰি কৈছে যে ছেলফি পইণ্টৰ বাবে দিয়া নিৰ্ধাৰিত ঠাইতকৈ অকণমান ঠাই বেছিকৈ লৈছিল ইউএছটিএমে। ইপিনে ইউএছটিএমৰ উপ-পঞ্জীয়কে দিয়া প্ৰত্যুত্তৰ মতে, যিখিনি ঠাইত ছেলফি পইণ্ট স্থাপন কৰা হৈছিল সেইখিনি ঠাই মুকলি ঠাই। সেই ঠাইখিনি ধুলি হৈ আছিল। যাৰ বাবে ধুলিখিনি ঢাকিবলৈহে কাৰ্পেট পাৰি দিয়া হৈছিল। বিশ্ববিদ্যালয়ৰ উপ-পঞ্জীয়কজনে কয় যে দুটা বিপণীৰ ঠাই লৈ তেওঁলোকে স্বাস্থ্য সেৱাৰ ঠাই কৰিছিল। দুটা বিপণীৰ বাবে ৩ লাখ টকা আৰু ছেলফি পইণ্টৰ বাবে ১ লাখ টকা মুঠ চাৰি লাখ টকা দি চুক্তি কৰিহে স্বাস্থ্য সেৱাৰ দলৰ ঠাইখিনি আৰু ছেলফি পইণ্টৰ ঠাই লোৱা বুলি দাবী কৰিছে। ইউএছটিএমৰ উপ-পঞ্জীয়কে অভিযোগ কৰা মতে, মেডিকেল ইউনিট আৰু ছেলফি পইণ্ট বহুৱাবৰ বাবে পূৰ্বতে অনুমতি প্ৰদান কৰিছিল গ্ৰন্থমেলা কৰ্তৃপক্ষই। ইউএছটিএমৰ বিপণী বন্ধ কৰাৰ মুখ্য কাৰণ বেলেগ বুলি চৰ্চা হৈছে। কিয়নো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শত্ৰু ইউএছটিএমৰ আচাৰ্য্য মহববুল হক। ধৰ্ম বিশেষক টাৰ্গেট কৰি লোৱাতো মুখ্যমন্ত্ৰীৰ পৰম্পৰাত পৰিণত হোৱাৰ সময়তে যোৱা বাৰিষা সময়ত গুৱাহাটী চহৰ বাৰে বাৰে বানত ডুব গৈছিল। মানুহে হাহাকাৰ কৰিবলগীয়া হৈছিল। সেই সময়ত গুৱাহাটীৰ বানৰ বাবে দোষাৰোপ কৰি ইউএছটিএমে ফ্লাদ জেহাদৰ অভিযোগ আনিছিল মুখ্যমন্ত্ৰীয়ে। মেঘালয়ৰ ৰি-ভই জিলাৰ বিশ্ববিদ্যালয়খনে যোৰাবাটৰ পাহাৰ কাটি ফ্লাদ জেহাদ কৰাৰ অভিযোগ আনিছিল। গুৱাহাটীৰ কৃত্ৰিম বানৰ বাবে ইউএছটিএমক দোষাৰোপ কৰিছিল যোৱা আগষ্ট মাহত। সেই সময়ত বাৰে বাৰে এজাক বৰষুণতে গুৱাহাটী ডুব গৈছিল। সেই সময়ত জনগণৰ ৰোষত পৰিছিল চৰকাৰ। সেই সময়তে চৰকাৰে নিজৰ ব্যৰ্থতা ঢাকিবলৈ এটা বিষয় মুকলি কৰি দিছিল সেয়া আছিল ফ্লাদ জেহাদ। মুখ্যমন্ত্ৰীয়ে কৈছিল যে ইউএছটিএমৰ মালিকে নিৰ্দয়ভাৱে পাহাৰ কাটি শিক্ষানুষ্ঠান নিৰ্মাণ কৰিছে। বুলডজাৰ চলাই পাহাৰ শেষ কৰা কৰি দিয়া হৈছে। পাহাৰসমূহ ধ্বংস কৰাৰ বাবেই গুৱাহাটীত বৰষুণ নহ'লেও যোৰাবাটৰ পৰা খানাপাৰালৈকে ভয়াৱহ কৃত্ৰিম বান হয়। লগতে ইএছটিএমৰ শিক্ষা আৰু গেটৰ প্ৰসংগ উল্লেখ কৰি তালৈ গ'লে মক্কাত যোৱা যেন লাগে বুলি কৈছিল। কিন্তু এইগৰাকী মুখ্যমন্ত্ৰীয়ে ইউএছটিএমত কেবাবাৰো গৈ উদ্বোধনী কাৰ্যসূচীত ভাগ লৈছিল। মুখ্যমন্ত্ৰীৰ পত্নীৰ সংস্থাৰ কাৰ্যসূচীও ইউএছটিএমত অনুষ্ঠিত হৈছিল।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

## ৰাজুমণি বেজবৰুৱা সভাপতি, জয়জ্যোতি গগৈ প্ৰধান সম্পাদক নিৰ্বাচিত

# সদৌ অসম কবি সন্মিলনৰ সপ্তদশ দ্বি-বাৰ্ষিক পূৰ্ণাংগ শিৱসাগৰ অধিৱেশনৰ সামৰণি

**ই-সংবাদ, শিৱসাগৰ, ২৯ ডিচেম্বৰঃ** ঐতিহ্য নগৰী শিৱসাগৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা সদৌ অসম কবি সন্মিলনৰ সপ্তদশ দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিবেশনখন আজি সামৰণি পৰে। শিৱসাগৰত সামৰণি পৰা অধিৱেশনতে পৰৱৰ্তী দুটা কাৰ্যকালৰ বাবে নতুন সভাপতি আৰু প্ৰধান সম্পাদক নিৰ্বাচিত কৰা হয়। বিশিষ্ট কবি ৰাজুমণি বেজবৰুৱাক সভাপতি আৰু বিশিষ্ট কবি, সাংবাদিক জয়জ্যোতি গগৈক প্ৰধান সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। অনাগত দিনত দুয়োগৰাকীয়ে সন্মিলনৰ মজিয়াত থাকি সততাৰে, নিষ্ঠাৰে দায়িত্বভাৰ পালন কৰি যাব বুলি দৃঢ় মত প্ৰকাশ কৰিছে। অন্যহাতে আজি পুৱা কবি সকলে শিৱসাগৰ চহৰখনত উলিয়াই " কবিতাৰ সমদল। দুপৰীয়া ১২ বজাৰ পৰা দ্বিতীয় মুকলি সভা অনুষ্ঠিত হয়। বংশী বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাখন উদ্বোধন কৰে শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষ প্ৰতীম শৰ্মাই। আদৰণী সমিতিৰ সভাপতি ব্ৰজেন বড়াই আদৰণী ভাষণ আগবঢ়োৱা সভাত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি বক্তব্য ৰাখে উড়িয়া সাহিত্যৰ প্ৰথিতযশা সাহিত্যিক ড° ফনী মহান্তি, পশ্চিমবংগৰ প্ৰথিতযশা সাহিত্যিক সুবোধ সৰকাৰে। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট কবি প্ৰেম গগৈ, নীলকান্ত শইকীয়া, দেৱজিৎ দত্ত,পৰাগজ্যোতি মহন্ত, হৰেণ গগৈ, গংগা মোহন মিলি, উজ্জ্বল পাওগামকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে। মুকলি সভাতে সন্মিলনৰ বিভিন্ন সন্মান আৰু বঁটাসমূহ প্ৰদান কৰা হয়। প্ৰথিতযশা সাহিত্য সমালোচক প্ৰভাত বৰাক 'সাহিত্য ভাস্কৰ', প্ৰথিতযশা কবি জ্ঞান পূজাৰীক 'কাব্যৰত্ন', বিশিষ্ট কবি ছাৰ এৎ হাঞ্চেক 'কবিপ্ৰাণ', বিশিষ্ট কবি শ্বৰিফা খাতুন চৌধুৰীক 'কাব্য মহীয়সী', বিশিষ্ট কবি গংগামোহন মিলিক 'ড° কুতুবুদ্দিন আহমেদ সোঁৱৰণী বঁটা', বিশিষ্ট কবি তথা কাব্য সংগঠক প্ৰয়াত অজিত কুমাৰ বৰদলৈক (মৰণোত্তৰভাৱে) 'থানেশ্বৰ গোস্বামী কাব্য বঁটা', 'কিৰীলি' শীৰ্ষক কাব্যগ্ৰন্থৰ বাবে পুঞ্জন বৰুৱাক 'পৃথিৱীৰ কবি ৰাম গগৈ বঁটা, ৪০ বছৰ অনূৰ্ধ্ব কাব্যগ্ৰন্থ 'ৰঙা শিমলু ৰ'দত' শীৰ্ষক কাব্যগ্ৰন্থৰ বাবে মিণ্টু দাসক 'কাব্যপ্ৰাণ চুজাউদ্দিন আহমদ বঁটা', ৩০ বছৰ অনূৰ্ধ্ব 'আয়ুচাকি' শীৰ্ষক পাণ্ডুলিপিৰ বাবে স্বপ্নজ্যোতি কলিতাক 'অৱনী চক্ৰৱৰ্তী বঁটা', 'আনিছ-উজ-জামান-কবি আৰু কবিতা' শীৰ্ষক আলোচনাত্মক গ্ৰন্থৰ বাবে ড° উৎপলা দাসক 'বেণু চিৰিং বঁটা', 'য়াকাচী' শীৰ্ষক ৪০ বছৰ অনূৰ্ধ্ব পাণ্ডুলিপিৰ বাবে শ্যামন্ত পায়েঙক 'সমাজকৰ্মী ইন্দ্ৰেশ্বৰ মিলি বঁটা', বিশিষ্ট সমাজকৰ্মী কমল চিৰিঙক 'সমাজকৰ্মী বিকিৰাম পাওগাম সোঁৱৰণী কাব্য সন্মান', 'মৰাৰখীয়া' শীৰ্ষক অনুবাদ কাব্যগ্ৰন্থৰ বাবে গীতিমণি তালুকদাৰক 'পৰেশমল্ল বৰুৱা সোঁৱৰণী অনুবাদ বঁটা, 'নিৰ্ভাবনা' শীৰ্ষক কাব্যগ্ৰন্থৰ বাবে উদীয়মান কবি বৰ্ণালী বৰাক 'সম্প্ৰীতি(টুকটুক) শইকীয়া সোঁৱৰণী বছৰৰ শ্ৰেষ্ঠ যুৱ কবিৰ সন্মান', 'কবিতাৰ গুণগুণ' শীৰ্ষক পাণ্ডুলিপিৰ বাবে মাশ্বাৰিক আব্দুলাক 'কাব্যশ্ৰী হাজৰিকা উদগনিমূলক বঁটা' আৰু শিশু আবৃত্তিকাৰ, কবি অদিভিৎ বৰাক 'আলহাজ চৈয়দ আমান উল্লাহ শিশু কাব্য বঁটা', সন্মিলনৰ কবি-সংগঠকসকল ক্ৰমে- আৰেছা বেগম, দীপ হেষ্টিংছ বৰি, দীপাংকৰ জ্যোতি বৰা, গীতা হাঞ্চেপী, হেমন্তজ্যোতি গগৈ, ড° ইফতিকাৰ আহমেদ, জয়জ্যোতি গগৈ, মানসী গগৈ, পবিত্ৰ বৰঠাকুৰ, ৰাজু সমীৰণ, ৰীতা বৰুৱা, স্বাগতা বৰা, তৰুণ চন্দ্ৰ নাথ আৰু টুনমণি বৰদলৈক 'কবিপ্ৰাণ আনন্দ দত্ত কাব্য বঁটা', বিশিষ্ট কবি তথা কাব্য সংগঠকসকল ক্ৰমে- অমলা গগৈ, ভূৱন চন্দ্ৰ ডেকা, বিদ্যুৎ মেচ, বিজু বৰঠাকুৰ, হেমপ্ৰভা হাজৰিকা শইকীয়া, হৰেণ চন্দ্ৰ নাথ, জোনালী ভূঞা, কবিতা বৰা, কমলেশ্বৰী বৰুৱা বাঢ়ে, মীনা মহন্ত, পল্লৱী শৰ্মা, পাৰিজাত বৰুৱা, পৰিমিতা গোস্বামী, প্ৰভাত বৰদলৈ, প্ৰদ্যুম্ন বৰা, ৰবীন বেজবৰুৱা, ৰাজীৱ চহৰীয়া, ৰুণু দেৱী বৰুৱা, সংগীতা ৰাজখোৱা আৰু শশীমা কলিতাক 'তৰুণ কোঁৱৰ কাব্য বঁটা' প্ৰদান কৰা হয়। " সাহিত্য ভাস্কৰ " সন্মান গ্ৰহণ কৰি বিশিষ্ট সাহিত্য সমালোচক , চিন্তাবিদ প্ৰভাত বৰাই কয় "কবিতা পঢ়ো, কিন্তু বুজি পাওঁ বুলি ক'ব নোৱাৰোঁ। আজি পঢ়ি যি বুজিছো, কাইলৈ পঢ়িলে বেলেগ এটা বুজি পাম। বহুতে এআই বা কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত কবিতাৰ ভৱিষ্যত নাই বুলি কোৱা কথাটোত মই বিশ্বাস নকৰো। এআইৰ ফলত কবিতা বা সাহিত্য নাথাকিব বুলি কোৱাটো শুদ্ধ নহয়। সাহিত্য সদায়ে থাকিব, চিৰকাল থাকিব।" তেওঁ লগতে কবি সকলে কেৱল ইংৰাজী সাহিত্য অধ্যয়নতে সীমাবদ্ধ নাথাকি জাৰ্মান, ফৰাচী আদি আন আন ভাষা বিলাকতো অধ্যয়ন কৰিবলৈ চেষ্টা কৰা উচিত বুলি মন্তব্য কৰে। ইয়াৰ পিছতে সন্ধ্যা ডেৰকুৰিৰো অধিক কবিয়ে অংশগ্ৰহণ কৰা বীৰেন বৰগোহাঁই সোঁৱৰণী আমন্ত্ৰিত কবিৰ কবিতা পাঠৰ অনুষ্ঠানটি উদ্বোধন কৰে বিশিষ্ট কবি দিলীপ ফুকনে, সঞ্চালনা কৰে ডাঃ প্ৰণয় ফুকনে আৰু বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে উৰিষ্যাৰ বিশিষ্ট কবি যামিনীকান্ত দাস আৰু প্ৰথিতযশা উড়িয়া সাহিত্যিক ড° ফনী মহান্তি। সন্ধ্যা ৬ বজাত শিৱসাগৰ ছোৱালী কলেজৰ হীৰক জয়ন্তী বৰ্ষ উদযাপনৰ লগত সংগতি ৰাখি অনুষ্ঠিত ডঃ নিৰ্মল প্ৰভা বৰদলৈ সোঁৱৰণী সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক সমীৰণ ফুকনে। তাৰ পিছতে সদৌ অসম কবি সন্মিলনৰ পতাকা অৱনমনেৰে অধিৱেশনৰ তিনিদিনীয়া কাৰ্যসূচীৰ সামৰণি পৰে। এই অধিৱেশনে কবি সমাজলৈ আশা কঢ়িয়াইছে।

# বালিজানত পোনাকণ বৰুৱাৰ উপস্থিতিত চাবুৱাৰ কংগ্ৰেছ নেতা অমৃত তাছাৰ অগপত যোগদান

**ই সংবাদ, চাবুৱা-লাহোৱাল, ২৯ ডিচেম্বৰঃ** অসম ৰাজ্যিক নিৰ্বাচন বিভাগে আজি পঞ্চায়ত নিৰ্বাচনৰ বাবে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰিছে। ২৭ খন জিলাত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰকাশ কৰা চূড়ান্ত ভোটাৰ তালিকাত ১,৮০,১৪,৯১৩ গৰাকী ভোটাৰক অন্তৰ্ভুক্ত কৰা হৈছে। ইপিনে ৰাজ্যৰ শাসক-বিৰোধীয়ে পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰচাৰ অব্যাহত ৰাখিছে। শাসকীয় বিজেপি, অসম গণ পৰিষদ, বিৰোধী কংগ্ৰেছ, ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদে ভাগে ভাগে প্ৰচাৰ অব্যাহত ৰাখিছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে প্ৰতিটো দলে পঞ্চায়ত নিৰ্বাচনত শক্তি প্ৰদৰ্শনৰ বাবে নিতৌ সভা-সমিতি কৰি ৰাইজক আকৃষ্ট কৰিবলৈ প্ৰয়াস অব্যাহত ৰখাৰ সময়তে অগপৰ দখলত থকা উজনিৰ চাবুৱা-লাহোৱাল সমষ্টিত পঞ্চায়ত নিৰ্বাচনৰ বাবে নিতৌ ব্যাপক তৎপৰতাৰে প্ৰচাৰ চলাই গৈছে দলটোৱে। নিতৌ চাবুৱা-লাহোৱাল সমষ্টিৰ বিধায়কজনে কমেও চাৰি-পাঁচখন সভা অনুষ্ঠিত কৰি পঞ্চায়ত নিৰ্বাচনৰ বাবে ভেটি শক্তিশালী কৰিছে। তাৰ মাজতে আজি সমষ্টিটোৰ বালিজান কেচৰগড়াত বিধায়ক পোনাকণ বৰুৱাৰ উপস্থিতিত এখন যোগদান সভা অনুষ্ঠিত হয়। যোগদান সভাত কংগ্ৰেছৰ সক্ৰিয় কৰ্মী অমৃত তাচাৰ নেতৃত্বত ৪ শতাধিক লোকে অসম গণ পৰিষদত যোগদান কৰে। কংগ্ৰেছৰ নেতা-কৰ্মীৰ হতে বহু সংখ্যক আন আন পুৰুষ-মহিলা, যুৱক-যুৱতীও দলটোত যোগদান কৰে। সকলোকে অসম গণ পৰিষদৰ বৃহৎ পৰিয়াললৈ স্বাগতম জনাই বিধায়ক বৰুৱাই। যোগদান কাৰ্যসূচীত অসম চাহ পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি প্ৰকাশ নন্দ, অগপৰ বালিজান আঞ্চলিক সমিতিৰ সভাপতি শংকৰ ৰাও আৰু সম্পাদক শ্যামল সেনাপতিসহ বহু নেতা-কৰ্মী উপস্থিত থাকে।

# কোকৰাঝাৰত উন্মোচন ১৫খনকৈ বড়োভাষাৰ গ্ৰন্থ



**ই-সংবাদ, কোকৰাঝাৰ, ২৯ ডিচেম্বৰঃ** গ্ৰন্থপ্ৰেমীলৈ সুখবৰ কঢ়িয়াই আনি ২০২৪ চনৰ শেষৰটো ৰবিবাৰে অৰ্থাৎ নৱবৰ্ষৰ প্ৰাকমুহূৰ্তত কোকৰাঝাৰত উন্মোচন হ'ল ১৫খনকৈ বড়োভাষাৰ গ্ৰন্থ। বড়ো মহিলা লেখিকা সন্থাৰ উদ্যোগত কোকৰাঝাৰৰ ডনবস্কো স্কুলৰ সন্মুখত থকা এনআইবিৰ কাৰ্যালয় প্ৰেক্ষাগৃহত আজি একেদিনাই ১৫ খনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। ইয়াৰে ৯ খন কবিতাপুথি, ২ খন চুটিগল্প আৰু আন চাৰিখন ৰচনা আৰু সমালোচনাত্মক গ্ৰন্থ বুলি সদৰি কৰিছে সাহিত্য একাডেমী বঁটা প্ৰাপক তথা বড়ো মহিলা লেখিকা সন্থাৰ সভানেত্ৰী অনজু বসুমতাৰীয়ে। উল্লেখ্য যে আজি এনআইবিত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ যোগেদি কিতাপকেইখন উন্মোচন কৰে বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰী আৰু কোকৰাঝাৰ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ আদাৰাম বসুমতাৰীয়ে। গ্ৰন্থ উন্মোচন কৰি বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰীয়ে কয় যে পুৰুষপ্ৰধান সাহিত্য জগতত পুৰুষহে প্ৰাধান্য বিস্তাৰ কৰি আহিছে। কিন্তু সাহিত্যত নাৰীসমাজৰ মনৰ ভাব ভালদৰে প্ৰকাশ নহয়। প্ৰকৃততে পুৰুষপ্ৰধান সমাজত নাৰীয়েহে নাৰীৰ মনৰ কথা কব পাৰিব। নাৰী আগবাঢ়ি অহাটো শুভলক্ষণ। নাৰীৰ স্বাধীনতা, স্বাভিমানক সন্মান প্ৰদৰ্শন কৰি বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰীয়ে বড়ো মহিলা লেখিকা সন্থাৰ উদ্যোগত প্ৰশংসা কৰে। ইপিনে গ্ৰন্থ উন্মোচনী সভাত বড়ো মহিলা লেখিকা সন্থাৰ সভানেত্ৰী অনজু বসুমতাৰীয়ে কয় যে সাহিত্যিকসকলক উৎসাহিত কৰিবলৈ প্ৰতিবছৰে তেওঁলোকে গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত কৰি আহিছে। যোৱা বছৰ নৱেম্বৰ মাহত ১১ খনকৈ গ্ৰন্থ উন্মোচন কৰা হৈছিল আৰু এইবেলি ১৫ খনকৈ গ্ৰন্থ উন্মোচন কৰা হ'ল। ব্যস্ততাৰ বাবে গাইগুটীয়াভাৱে গ্ৰন্থ উন্মোচন কৰাটো দুৰহ কাম আৰু সেয়েহে বড়ো মহিলা লেখিকা সন্থাই এনে উদ্যোগ গ্ৰহণ কৰি আহিছে বুলি মন্তব্য কৰি ইয়াৰ দ্বাৰা সাহিত্যিকসকল নিজৰ গ্ৰন্থ উন্মোচন কৰিবলৈ আগবাঢ়ি আহিছে বুলি মন্তব্য কৰে অনজু বসুমতাৰীয়ে। উল্লেখ্য যে আজিৰ গ্ৰন্থ উন্মোচনী সভাত সাহিত্য একাডেমী বঁটা প্ৰাপক ক্ৰমে অনজু বসুমতাৰী, ভাৰ্জিন জেকোভা মুছাহাৰী, ড° ইন্দিৰা বড়োকে ধৰি আন কেবাগৰাকী নবীন-প্ৰবীণ সাহিত্যিকৰ গ্ৰন্থ উন্মোচন কৰা হয়।

# শিৱসাগৰত যুৱ ব্যৱসায়ীৰ আত্মহত্যাৰ ঘটনাক লৈ চাঞ্চল্য

**ই-সংবাদ, শিৱসাগৰ, ২৯ ডিচেম্বৰঃ** শিৱসাগৰ চহৰৰ ভুৱন চন্দ্ৰ গগৈ পথত আজি কাহিলী পুৱাতে এগৰাকী যুৱ ব্যৱসায়ীয়ে দোকানৰ ভিতৰতে চিপ লৈ আত্মহত্যা কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰোহিত গুপ্তা নামৰ যুৱ ব্যৱসায়ীজনৰ মৃতদেহ আজি পুৱা চিপ লোৱা অৱস্থাত উদ্ধাৰ হয়। ৰীতা গুপ্তাৰ পুত্ৰ ৰোহিতৰ মৃতদেহৰ কাষত এখন ছুইচাইদ নোটো উদ্ধাৰ কৰিছে আৰক্ষীয়ে। লক্ষণীয় যে পুৱা ৫ মান বজাত দোকানৰ চাটাৰ খুলি ৰোহিত গুপ্তা দোকানত প্ৰৱেশ কৰা দেখিছিল মাতৃয়ে। পিছত বহু দেৰিলৈকে ওলাই নহা দেখি দোকানৰ ভিতৰত প্ৰৱেশ কৰে মাতৃ। দোকানত সোমাইয়ে চিপ লোৱা অৱস্থাত ৰোহিত গুপ্তাৰ মৃতদেহ প্ৰত্যক্ষ কৰে। লগে লগে সদৰ আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত উপস্থিত হৈ আৰক্ষীয়ে ৰোহিতৰ মৃতদেহৰ কাষত চুইচাইদ নোট উদ্ধাৰ কৰে। দোকানৰ পৰা যাতে আগলৈ বাকী কাকো নিদিয়ে, নিজৰ জমা ধন যাতে আনক ধাৰ নিদিয়ে সেই বিষয়ে উল্লেখ কৰি থৈ যায় চুইচাইড নোটত। ইপিনে ৰোহিত গুপ্তাৰ আত্মহত্যাৰ আঁৰত আন কেইগৰাকীমান ব্যক্তি জড়িত থকা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে মাতৃয়ে। একেটা অঞ্চলৰে এগৰাকী ব্যক্তিয়ে ৰোহিত গুপ্তাৰ পৰা ২৪ লাখ টকা ধাৰলৈ নি ঘূৰাই নিদিয়া, ধাৰ ঘূৰাই খুজিলে ওলোটাই ভাবুকি দিয়া, মাতৃ-ভগ্নীক লৈ অশ্লীল গালি গালাজ পৰা বাবেই ৰোহিত গুপ্তাই আত্মহত্যা কৰা বুলি গুৰুতৰ অভিযোগ তুলিছে মাতৃ ৰীতা গুপ্তাই। ৰীতা গুপ্তাৰ অভিযোগ মতে সমীপৰ কৰিমউল্লা নামৰ এজন লোকে কেইমাহ মান আগেয়ে ব্যৱসায় সংক্ৰান্তত ২৪ লাখ টকা লৈছিল ৰোহিত গুপ্তাৰ পৰা। উত্তৰ প্ৰদেশত থকা মাটি বিক্ৰী কৰি লাভ কৰা ৩০ লাখ টকাৰে নগদ ২৪ লাখ টকা ব্যৱসায় সংক্ৰান্তত খটুৱাবলৈ দিছিল কৰিমউল্লাক। কিন্তু কৰিমউল্লাই সেই ধন ঘূৰাই নিদি, প্ৰাপ্য ধন বিচাৰিলেই গালি গালাজ পাৰিছিল বুলি অভিযোগ তুলিছে। সেইদৰে আন দুই এগৰাকীয়ে ব্যৱসায়ীক সামগ্ৰী দোকানখনৰ পৰা লৈ আজিলৈকে প্ৰাপ্য ধন ঘূৰাই নিদিয়া বাবেই ৰোহিতে হতাশ হৈ আত্মহত্যাৰ পথ বাচি লোৱা বুলি শোকত ভাগি পৰিছে মাতৃ। ইপিনে আৰক্ষীয়ে এই সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

# ফাষ্টফুডৰ বিপণীৰে সন্তানৰ পঢ়াৰ খৰচ উলিয়াইছে গহপুৰৰ পমী শইকীয়াই



**ই-সংবাদ, গহপুৰ, ২৯ ডিচেম্বৰঃ** জীৱনত বিভিন্ন বিপদ-বিঘিনি আহিলেও যে এগৰাকী নাৰীয়ে হাৰ নামানি সাহসেৰে জীৱন যুঁজত অৱতীৰ্ণ হ'ব পাৰে তাৰেই এক জলন্ত নিদৰ্শন দেখুৱাবলৈ সক্ষম হৈছে অকালতে স্বামীক হেৰুওৱা এগৰাকী মহিলাই। গহপুৰ নগৰৰ মাজমজিয়াৰ পদপথৰ কাষত ফাষ্টফুডৰ ক্ষুদ্ৰ বিপনী চলাই জীৱনৰ সংগ্ৰাম অব্যাহত ৰাখিছে এইগৰাকী স্বামী হাৰা মহিলাই। স্বামীৰ আৱৰ্তমানত 'পমীচ কিটচেন' নামৰ ফাষ্টফুডৰ ক্ষুদ্ৰ বিপণীখন চলাইয়ে নিজৰ কন্যাক উচ্চতৰ মাধ্যমিক আৰু পুত্ৰক উচ্চ মাধ্যমিক পৰ্যায়ত পঢ়ুৱাই আছে মহিলাগৰাকীয়ে। ৰোগত আক্ৰান্ত হোৱা স্বামীক অকালতে হেৰুৱাৰ পাছতো জীৱনৰ যুঁজত হাৰ নামানি সাহসেৰে জীৱনৰ পথত আগুৱাই যাবলৈ প্ৰয়াস কৰি থকা মহিলাগৰাকীৰ নাম হৈছে পমী শইকীয়া। উল্লেখ্য যে গহপুৰ সমজিলাৰ পূৱ প্ৰান্তৰ সোলেঙীৰ নিবাসী পমী শইকীয়াই ছয়বছৰ পূৰ্বে হেৰুৱাইছিল স্বামী দিলীপ শইকীয়াক। কন্যা আৰু পুত্ৰ সৰু হৈ থকা অৱস্থাতে অকাল বৈধ্যৱক আকোৱালি ল'বলগীয়া হোৱাত দিক বিদিক হেৰুৱাই পেলাইছিল পমী শইকীয়াই। পুত্ৰ-কন্যাক মানুহ হিচাপে গঢ়ি তোলাৰ সাহস বুকুত বান্ধি লৈ পমী শইকীয়া বিভিন্ন কৰ্মৰ লগত জড়িত হৈ নিজৰ পৰিয়াল চলাই থকাৰ পাছত চলিত বৰ্ষৰ ছেপ্টেম্বৰ মাহৰ পৰা গহপুৰ নগৰত পমীচ কিটচেন নামৰ ফাষ্টফুডৰ বিপণীখন আৰম্ভ কৰে। কোনো ধৰণৰ প্ৰশিক্ষণ নোলোৱাকৈ কেৱল ইউটিব ভিডিঅ' চাই পমীয়ে চাওমিন, মমো, ৰোল, চিকেন পকোৰাকে ধৰি বিভিন্ন ফাষ্টফুড তৈয়াৰ কৰিবলৈ শিকি বৰ্তমান পমীচ কিটচেনৰ জৰিয়তে গ্ৰাহকক যোগান ধৰি আহিছে। প্ৰতিদিনে বিয়লি ১ বজাৰ পৰা সন্ধ্যা ৭বজালৈকে অকলেই উক্ত বিপণীখন পৰিচালনা কৰি উপাৰ্জন কৰা অৰ্থৰে পমী শইকীয়াই নিজৰ তিনিজনীয়া পৰিয়ালটো চলাই নিবলৈ সমৰ্থ হৈছে। স্মাতৰ্ব্য যে কৰ্মৰে জীৱন যুঁজত অৱতীৰ্ণ হোৱা পমী শইকীয়াৰ কন্যাই এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সামন্তৰালভাৱে পুত্ৰয়ো এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব। এগৰাকী নাৰী যে কোনো কালেই দুৰ্বল নহয় তাৰেই উদাহৰণ দিবলৈ সক্ষম হৈছে পমী শইকীয়াই। পমী শইকীয়াৰ দৰে সৎ সাহসী আৰু কৰ্মোদ্যমী মহিলা বহু স্বামীহাৰা মহিলাৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছে।

# বছৰৰ অন্তিমটো দেওবাৰে কঠীয়াতলীৰ টেঙাপানীত বনভোজপ্ৰেমীৰ ভিৰ

**ই-সংবাদ, কামপুৰ, ২৯ ডিচেম্বৰঃ** নগাঁও জিলাৰ কঠীয়াতলীৰ গাতে লাগি থকা টেঙাপানী অন্যতম মনোৰম বনভোজস্থলী। ৰেংবেং পাহাৰৰ পৰা পানী নিগৰি ওলাই থকাৰ বাবে ঠাইখনৰ নাম টেঙাপানী হোৱা বুলি বিশ্বাস কৰে। অসমৰ বিভিন্ন ঠাইৰ পৰা প্ৰতিবছৰে হাজাৰ হাজাৰ লোকৰ টেঙাপানীলৈ সমাগম ঘটে। কঠীয়াতলী ৩৬ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা মাত্ৰ তিনি কিলোমিটাৰ নিলগত টেঙাপানী অৱস্থিত। টেঙাপানীলৈ আহি শাৰী শাৰী চাহ গছৰ মনোমোহা পৰিৱেশত এটা দিন আনন্দত পাৰ কৰে সকলোৱে। উল্লেখ্য যে কঠীয়াতলীৰ টেঙাপানীত প্ৰকৃতিৰ সৃষ্টি এটা পানীৰ উঁহ আছে য'ৰ পৰা প্ৰতিক্ষণে নিগৰিত হৈ আছে টেঙাপানী। প্ৰকৃতিৰ মনোমোহা পৰিৱেশত ৰং-ধেমালিৰে এসাঁজ খাবলৈ প্ৰতিবছৰে হাজাৰ হাজাৰ লোকৰ সমাগম হয় টেঙাপানীত। নৱবৰ্ষৰ প্ৰাক্কণত তথা বছৰৰ অন্তিমটো দেওবাৰত টেঙাপানী বনভোজস্থলীত ব্যাপক লোকৰ সমাগম ঘটে।





বালিজান কেচৰগড়াত বিধায়ক পোনাকণ বৰুৱাৰ উপস্থিতিত অগপৰ যোগদান সভা, ফটোঃ ই-সংবাদ, চাবুৱা-লাহোৱাল

## ভোটাৰ তালিকাৰ খেলিমেলি, পুনৰ নিৰ্বাচন পতাৰ দাবী

# বাঘমাৰা চৰ সমবায় সমিতিৰ নিৰ্বাচনত বিসংগতি

**ই-সংবাদ,শিমলীতোলা,২৯ ডিচেম্বৰঃ** বাঘমাৰা চৰ গাওঁ পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ সঞ্চালক মণ্ডলীৰ নিৰ্বাচন প্ৰক্ৰিয়া আজি পুৱাৰে পৰা শান্তি পূৰ্ণ ভাৱে আৰম্ভ হয়। মনোনয় পত্ৰ দাখিল কৰা মহিলাৰ বাবে সংৰক্ষিত দুখন আসনৰ বাবে ৫ গৰাকী ১২ টা সাধাৰণ আসনৰ বাবে ২০ গৰাকী সৰ্বমুঠ ২৫ আসনৰ বাবে ১৪ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ধাৰণ কৰিব ৫১৩১ গৰাকী ভোটাৰ ভিতৰত সৰ্বমুঠ পুল হোৱা ৩৪৩৯ গৰাকী ভোটাৰে। নিৰ্বাচন প্ৰক্ৰিয়া চলি থকা অৱস্থাত কেইবাগৰাকী ভোটাৰৰ তালিকাত নাম নথকাক লৈ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়।পুৱাই ভোটদান কৰিবলৈ ওলাই আহি দীঘলীয়া শাৰীত বহু সময় শাৰী পাতি অপেক্ষা কৰাৰ পিছত ভোটা দিবলৈ যোৱাত পুলিং অফিচাৰে ভোটাৰ লিষ্টত নাম নাই বুলি কোৱাত আচৰিত হৈ পৰে । পৰৱৰ্তী সময়ত বাঘমাৰা চৰ গাওঁ পঞ্চায়ত সমবায় সমিতিৰ সম্পাদকৰ লগতে বিষয়টো নিৰ্বাচনী বিষয়া আনোৱাৰ হুছাইনক স্পৰ্শকাতৰ গুৰুত্বপূৰ্ণ বিষয়টো অৱগত কৰোৱাত দায়সৰা মন্তব্য দি দায়িত্ব সামৰে যদিও নাম কৰ্তন হোৱা ভোটাৰে কোনো পধ্যেই বিষয়টো সহজভাৱে মানি লব পৰা নাই ।পুৰণি লিষ্টৰ নাম কি স্বাৰ্থত সম্পাদক ৰিপুন আলী কৰ্তন কৰিছে বুলি প্ৰশ্ন উত্থাপন কৰাৰ লগতে মৃত ভোটাৰৰ নাম মৃত্যুৰ চাৰ্টিফিকেট জমা কৰি নিজৰ পৰিয়ালৰ কোনো ব্যক্তিৰ নামত ভোট কৰিব পাৰে যদিও কোনো ভেৰিফিকেশন নকৰাকৈ জীয়াই থকা ভোটাৰৰ নাম কেনেকৈ কৰ্তন কৰিব পাৰে বুলি প্ৰশ্ন উত্থাপন কৰে। যিহেতু নিৰ্বাচনত এটা ভোটাৰ মূল্য আছে, কেতিয়াবা মাত্ৰ এটা ভোটাৰ ব্যৱধানত জয় পৰাজয় নিৰ্ভৰ কৰে তাতে যথেষ্ট সংখ্যক ভোটৰ খেলিমেলি সহজে মানিব পৰা নাই নীতি বহিৰ্ভূতভাৱে কৰ্তন কৰা ভোটাৰ সকলে। শুদ্ধ ভোটাৰ তালিকা অবিহনে নিকা নিৰ্বাচন কেনেকৈ সম্ভৱ প্ৰশ্ন তুলি, নিৰ্বাচন স্থগিত ৰাখি শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰি পৰৱৰ্তী সময়ত নিৰ্বাচন পতাৰ বাবে জিলা প্ৰশাসনৰ লগতে বিভাগীয় উৰ্ধতম কৰ্তৃপক্ষকলৈ দাবী জনায়।

# 'শংমাক'ৰ বিনামূলীয়া সত্ৰীয়া নৃত্যৰ কৰ্মশালাৰ সফল সামৰণি

**কলিয়াবৰ, ২৯ ডিচেম্বৰঃ** নগাঁও জিলাৰ কলিয়াবৰ জখলাবন্ধাৰ হাতীমুৰা চাহ বাগানৰ চাহ জনগোষ্ঠীৰ অধ্যুষিত দক্ষিণপাট- হাতীমুৰীয়া গাঁওস্থিত তপাহোলা প্ৰাথমিক বিদ্যালয়ত 'শংমাক' অৰ্থাৎ 'শংকৰ-মাধৱ কলাকেন্দ্ৰঃ এক সংস্কৃতি প্ৰৱাহ'ৰ উদ্যোগত ৭ দিনীয়া বিনামূলীয়া 'সত্ৰীয়া নৃত্যৰ কৰ্মশালা'ৰ দেওবাৰে বিয়লি সফল সামৰণি পৰে। প্ৰতিভাশালী সত্ৰীয়া নৃত্যশিল্পী দীপশিখা ভূঞাই 'শংমাক'ৰ উদ্যোগত সম্পূৰ্ণ বিনামূলীয়াকৈ যোৱা ২৩ৰ পৰা ২৯ ডিচেম্বৰলৈকে ৩০ বাগানীয়া শিশুক সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ প্ৰদান কৰে। তপাহোলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বিনীতা ডেকা মিৰ্ধা আৰু অৱসৰী প্ৰধান শিক্ষয়িত্ৰী তথা বিশিষ্টা লেখিকা ৰাণু নেওগ ভূঞাৰ সহযোগত আয়োজন কৰা সত্ৰীয়া নৃত্যৰ কৰ্মশালাত সত্ৰীয়া নৃত্যশিল্পী তথা কটন বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰী দীপশিখা ভূঞাই চাহ জনগোষ্ঠীৰ অধ্যুষিত দক্ষিণপাট-হাতীমুৰীয়া গাঁৱৰ পৰা প্ৰথমবাৰৰ বাবে বাগানীয়া শিশুসকলক উলিয়াই আনি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ অমৰ সৃষ্টি সত্ৰীয়া নৃত্য, গীত, তাল আৰু শ্লোকৰ শিক্ষাদান কৰি এক বিৰল দৃষ্টান্ত দাঙি ধৰিলে। উল্লেখ্য যে চাহ বাগানত কৰমপূজাৰ গীত-মাত আৰু ঝুমুইৰৰ সৈতে অভ্যস্ত কণ কণ শিশুক এনেদৰেই গুৰুদুজনাৰ কৃষ্টিৰ আভাস আৰু সত্ৰীয়া নৃত্যৰ প্ৰতি আগ্ৰহী কৰি তোলাত গাঁওবাসীয়ে 'শংমাক' আৰু দীপশিখা ভূঞাক ভূয়সী প্ৰশংসা কৰে। তপাহোলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বিনীতা ডেকা মিৰ্ধাই সামৰণি অনুষ্ঠানত ব্যক্তব্য ৰাখি কয় যে বিশেষভাৱে সাংস্কৃতিক, ক্ৰীড়া আৰু সাহিত্যৰ ক্ষেত্ৰত অনগ্ৰসৰ তথা ব্ৰহ্মপুত্ৰ আৰু কলং পৰীয়া বানবিধ্বস্ত অঞ্চলটোৰ একমাত্ৰ শিক্ষানুষ্ঠান-তপাহোলা প্ৰাথমিক বিদ্যালয়, এখন ডাঙৰীয়া থান আৰু এটা হাতীমুৰা মন্দিৰ আছে। শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ ১০০ বিঘা ৰাজহ ভূমিত বহু বছৰ ধৰি বাগান আৰু গাঁও পাতি বসবাস কৰিছে যদিও সত্ৰ-নামঘৰ সংস্কৃতিৰ বিশেষ




প্ৰভাৱ নাই। এনে এখন গাঁৱলৈ আহি কলিয়াবৰ যুৱ সত্ৰীয়া শিল্পী তথা সত্ৰীয়া নৃত্যৰ গৱেষক আৰু বিশাৰদ শংমাক অৰ্থাৎ শংকৰ-মাধৱ কলাকেন্দ্ৰঃ এক সংস্কৃতি প্ৰৱাহৰ বেনাৰত সম্পূৰ্ণ বিনামূলীয়াকৈ দীপশিখা ভূঞাই যিধৰণে এই বগানীয়া গাঁৱত সত্ৰীয়া সংস্কৃতিৰ বীজ ৰোপণ কৰিলে এয়া আমাৰ সমাজৰ বাবে পুৰাতন সাংস্কৃতিক উত্থানৰ এক পথ মুকলি কৰিবলৈ সক্ষম হৈছে।

## ‘চাহ জনগোষ্ঠীৰ লোকসকলক কষ্টৰ পৰা মুক্ত কৰিব লাগিব’

# ডিব্ৰুগড়ত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ৭৭ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস পালন



**ই-সংবাদ, ডিব্ৰুগড়, ২৯ ডিচেম্বৰঃ** "মুখ্যমন্ত্ৰী হিচাপে ড০ হিমন্ত বিশ্ব শৰ্মাই চাহ জনগোষ্ঠীৰ বাবে যিমান কৰিছে, অসমৰ কোনো মুখ্যমন্ত্ৰীয়ে কৰিব পৰা নাই আৰু ভৱিষ্যতে কোনো মুখ্যমন্ত্ৰীয়ে কৰিব পাৰিব বুলি আশা নকৰোঁ।" ডিব্ৰুগড় মানকটা চাহ বাগিচা খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ৭৭ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰি এই মন্তব্য অসম চৰকাৰৰ জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাৰ। আটছাৰ কেন্দ্ৰীয় সভাপতি ধীৰাজ গোৱালাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত ভাষণ প্ৰদান কৰি মন্ত্ৰী হাজৰিকাই চাহ জনগোষ্ঠীৰ বহুলোক এতিয়াও কষ্টত বসবাস কৰি থকাৰ কথা উল্লেখ কৰি কয় যে অসমৰ আটাইতকৈ ডাঙৰ উদ্যোগটো হৈছে চাহ উদ্যোগ। দুশ বছৰীয়া উদ্যোগটোক চাহ জনগোষ্ঠীৰ লোকসকলে ধৰি ৰাখিছে। দিল্লীত যেতিয়া 'অসমৰ চাহ' উজলি উঠে তেতিয়া আমাৰ বুকুখন গৌৰৱেৰে উজলি উঠে। চাহ জনগোষ্ঠীসকলে কেৱল চাহপাত তুলি জীৱন নিৰ্বাস কৰিব নালাগে। এনেকুৱা পৰিৱেশৰ পৰা আমি মুক্ত হ'ব লাগিব। অৱশ্যে আমাৰ চাহ বাগিচাখন বা চাহ উদ্যোগটোক জীয়াই ৰাখিবই লাগিব। কিন্তু তাৰ মাজতো আমাৰ ল'ৰা-ছোৱালীক ডাক্তৰ-ইঞ্জিনিয়াৰ বনাব লাগিব। তাৰ কাৰণে অসম চাহ জনজাতি ছাত্ৰ সন্থাই অহোপুৰুষাৰ্থ কৰিছে। জাতিটোৰ উন্নয়নৰ কাৰণে ব্ৰতী হৈ আছে। চাহ জনজাতি ছাত্ৰ সন্থাই ৰাজনৈতিক ক্ষেত্ৰখনত বৃহৎ মঞ্চ প্ৰদান কৰা বুলি ভাষণত উল্লেখ কৰি কয় যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চাহ জনগোষ্ঠীৰ কাৰণে যিমান কৰিছে অসমৰ কোনো এজন মুখ্যমন্ত্ৰীয়ে কৰা নাই। বাগানৰ লাইনত মোবাইল ইউনিট, স্কুল নিৰ্মাণ কৰিছে। সেইবোৰ মই ওচৰৰ পৰা দেখিছোঁ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দিনতে এতিয়ালৈকে চিকিৎসা শিক্ষাৰ বাবে ৩২খন আসন চাহ জনগোষ্ঠীৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। প্ৰতিখন অভিযান্ত্ৰিক মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহত চাহ জনগোষ্ঠীৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰিছে। হিমন্ত বিশ্ব শৰ্মাৰ ২০ বছৰীয়া ৰাজনৈতিক জীৱনত চাহ জনগোষ্ঠীৰ বাবে যথেষ্ট কাম কৰিছে। ৰূপেশ গোৱালাৰ দৰে চাহ জনগোষ্ঠীৰ সন্তানক মন্ত্ৰী পাতিছে। অসমৰ কোনো মুখ্যমন্ত্ৰীয়ে এনে কাম কৰা নাই। চাহ উদ্যোগটোক জীয়াই ৰাখিবলৈ হ'লে চাহ জনগোষ্ঠী লোকসকল সুস্থ, সবল হ'ব লাগিব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি মন্ত্ৰী হাজৰিকাই আৰু কয়, বাগানৰ মানুহবোৰ দুৰ্বল হ'লে আমাৰ উদ্যোগটো আগুৱাই যাব নোৱাৰিব। চাহ জনগোষ্ঠীসকল আগুৱাই নগ'লে অসম আগুৱাই নাযাব। মাদক দ্ৰব্য বাগানৰ পৰা নাইকিয়া কৰিব লাগিব। তেতিয়াহে জাতিটো উজ্জীৱিত হৈ অসমৰ মানচিত্ৰত সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হ'ব। বৃহত্তৰ অসমীয়া জাতি গঠন তথা অসমৰ অৰ্থনীতি নিয়ন্ত্ৰণত চাহ জনগোষ্ঠীটোৰ অপৰিসীম অৱদান আছে। বিগত ২০০ বছৰ ধৰি ৰাজ্যৰ চাহ উদ্যোগটো এইসকল লোকৰ ত্যাগ, পৰিশ্ৰমৰ বলতেই বৰ্তি আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চাহ জনগোষ্ঠীটোৰ লোকসকলৰ উন্নয়নৰ বাবে শিক্ষা, স্বাস্থ্য, নিযুক্তি আদিকে ধৰি বিভিন্ন দিশত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এইসকল লোকৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ সংকল্পৰে কাম কৰি অহা আটছাই এই ৭৭ বছৰীয়া সোণোৱালী যাত্ৰাত ৰাজ্যৰ প্ৰতিটো ৰাজহুৱা বিষয়তো গুৰুত্বপূৰ্ণ স্থিতি গ্ৰহণ কৰি আহিছে। আগন্তুক দিনতো এই সংগঠনটোক ৰাজ্যৰ উন্নয়নৰ ক্ষেত্ৰত তীক্ষ্ণ নজৰ ৰাখি কাম কৰি যাবলৈ আহ্বান জনাইছে মন্ত্ৰী হাজৰিকাই। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত অসম চাহ জনজাতি মহিলা সমিতি, আটছা ডিব্ৰুগড় জিলা সমিতি আৰু ডিব্ৰুগড় শাখা সমিতিৰ সহযোগত অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱসত অসম চৰকাৰৰ মন্ত্ৰী অতুল বৰাই উপস্থিত থাকি চাহ জনগোষ্ঠীসকল অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ বুলি উল্লেখ কৰি জাতিটোৰ যেতিয়াই বিপদ আহে তেতিয়াই চাহ জনগোষ্ঠীৰ লোকসকল ওলাই আহে বুলি মন্তব্য কৰে। ইফালে এই সভাতে চাহ জনগোষ্ঠীৰ বিশিষ্ট শিল্পী সত্যনাথ হেম্বৰম আৰু বিশিষ্ট সাহিত্যিক সুশীলা ৰাজবংশীক চাইমন সিং হ'ৰ-সন্তোষ কুমাৰ তপ্ন বঁটা প্ৰদান কৰা হয়। ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে প্ৰৱেশদ্বাৰৰ দুৱাৰ মুকলি কৰাৰ পাছতে আটছাৰ প্ৰাক্তন নেতাসকলৰ দ্বাৰা ৭৭ খন আটছাৰ পতাকা উত্তোলন কৰা হয়। পাছত এক বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা বাহিৰ কৰা হয়। বিভিন্ন জাতি-জনগোষ্ঠীৰ লগতে চাহ জনগোষ্ঠীৰ ১০৮ টা উপ-জাতিৰ সাংস্কৃতিক দলে অংশগ্ৰহণ কৰা এই শোভাযাত্ৰাই শোভাবৰ্ধন কৰি তোলে। বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দলসমূহে ৰজনজনাই তুলিছে ডিব্ৰুগড় চহৰৰ ৰাজপথ। আজিৰ এই কাৰ্যসূচীত সাংসদ কামাখ্যা প্ৰসাদ তাছা, মন্ত্ৰী অতুল বৰা, বিমল বৰা, ৰূপেশ গোৱালা, বিধায়ক সঞ্জয় কিষাণ, শ্ৰী বিনোদ হাজৰিকা, পোনাকণ বৰুৱা, তেৰশ গোৱালা, তৰংগ গগৈ, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ৰাতুল শৰ্মা, মৰাণ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, আটছাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জগদীশ বৰাইক, প্ৰাক্তন বিধায়ক দূৰ্গা ভূমিজ, ৰাজু চাহু, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱনসিং ঘাটোৱাৰ, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈ আদিকে ধৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ সংগঠনৰ বিষয়ববীয়াসকল উপস্থিত থাকি বক্তব্য প্ৰদান কৰে।

# মৈৰাবাৰীত আছাম ব্লাড ডনেচন গ্ৰুপ গঠন



**ই-সংবাদ, মৈৰাবাৰী, ২৯ ডিচেম্বৰঃ** মৈৰাবাৰী প্ৰেছ ক্লাব প্ৰেক্ষাগৃহত মৈৰাবাৰী প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি বদৰুজ জামান আকতাৰৰ সভাপতিত্বত শুকুৰবাৰে আছাম ব্লাড ডনেচন গ্ৰুপ গঠনৰ বাবে এখনি সাধাৰণ সভা সফলতাৰে সম্পন্ন হয়। সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে এছ চি চিৰ ৰাজ্যিক সভাপতি ছাবিৰৰ হুছেইনে। মৈৰাবাৰী অসামাজিক কাৰ্য-কলাপ প্ৰতিৰোধী কমিটিৰ সভাপতি অৱসৰপ্ৰাপ্ত শিক্ষক কমৰুল হুছেইন, মৈৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পংকজ দাস, মৈৰাবাৰী আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষ লুৎফুৰ ৰহমান, অৱসৰপ্ৰাপ্ত শিক্ষক হিফজুৰ ৰহমান খান, মৈৰাবাৰী পাব্লিক লাইব্ৰেৰীৰ সাধাৰণ সম্পাদক জহিৰুল ইছলাম মুক্তাৰে আছাম ব্লাড ডনেচন গ্ৰুপ গঠনৰ প্ৰয়োজনীয়তাৰ ওপৰত বক্তব্য আগবঢ়ায়। সাধাৰণ সভাৰ আহ্বায়ক সাংবাদিক আৰিফ উজ জামানে নিজৰ ভাষণ প্ৰসংগত ৰাজ্যিক ভিত্তিত আছাম ব্লাড ডনেচন গ্ৰুপ গঠন সম্পৰ্কে বিস্তাৰিতভাৱে আলোচনা কৰে। যুৱ সমাজ কৰ্মী জুলহাছ আলী আহমেদ, অৰিয়েন্টছ কোম্পানীৰ বিষয়ববীয়া আকবৰ আলী, স্কাউট এণ্ড গাইডৰ আজহাৰ উদ্দিনে চমু বক্তব্য আগবঢ়ায়। সভাত সকলোৰে পূৰ্ণ সমৰ্থনত বিশিষ্ট যুৱ সমাজ কৰ্মী আক্তাৰুল হকক সভাপতি, এছ চি চিৰ ৰাজ্যিক সভাপতি ছাবিৰৰ হুছেইনক সাধাৰণ সম্পাদক, বিশিষ্ট লেখক বাহাৰুল উলুম চৌধুৰী, সাংবাদিক আৰিফ উজ জামানক সঞ্চালক , জেষ্ঠ সাংবাদিক বদৰুজ জামান আকতাৰক উপদেষ্টা আৰু সভাত উপস্থিত থকা আমন্ত্ৰিত অতিথিসকলক পৃষ্ঠপোষক হিচাপে লৈ আছাম ব্লাড ডনেচন গ্ৰুপ গঠন কৰা হয়। সভাত শিক্ষানুষ্ঠানসমূহৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান, প্ৰতিষ্ঠানত সজাগতা সভা অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে।

## একাধিক গ্ৰন্থ উন্মোচন

# জাগীৰোড শতদল শাখা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন



**ই-সংবাদ, জাগীৰোড, ২৯ ডিচেম্বৰঃ** মৰিগাঁও জিলা সাহিত্য সভাৰ অন্তৰ্গত এটি উল্লেখযোগ্য শাখা সাহিত্য সভা জাগীৰোড শতদল শাখা সাহিত্য সভা। দেওবাৰে বিভিন্ন কাৰ্যসূচীৰে জাগীৰোড শতদল শাখা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। জাগীৰোড শতদল শাখা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি অনিৰুদ্ধ ডেকাই পতাকা উত্তোলন কৰি শুভাৰম্ভ কৰা দ্বি-বাৰ্ষিক অধিৱেশনখনিত স্মৃতি তৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী অকন দেৱীয়ে। ইয়াৰ পিছতে ভাৰপ্ৰাপ্ত সভাপতি অনিৰুদ্ধ ডেকাৰ সভাপতিত্ব অনুষ্ঠিত হয় বিষয় বাচনি সভা। উক্ত সভাতে মৰিগাঁও জিলা সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতি হৰমোহন কলিতাক উষ্ম আদৰণি জনোৱা হয়। আগন্তুক দ্বিবৰ্ষৰ বাবে লক্ষেশ্বৰ কাকতিক সভাপতি আৰু স্তুতিপ্ৰসাদ বৰাক সম্পাদক হিচাপে লৈ জাগীৰোড শতদল শাখা সাহিত্য সভাৰ নতুন সমিতিখন গঠন কৰা হয়। বিয়লিৰ ভাগত অনুষ্ঠিত হয় মুকলি সভা আৰু গ্ৰন্থ উন্মোচনী সভা। মুকলি সভাত মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰ শইকীয়া, মায়ং ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰিয়ংকা গগৈ, সোণাপুৰৰ মৌজাদাৰ উপেন বৰা, জাগীৰোড মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° পৱন চন্দ্ৰ গগৈ আদিৰ লগতে বিশিষ্ট লোকসকল উপস্থিত থাকে। জাগীৰোড শতদল শাখা সাহিত্য সভাৰ সম্পাদক স্তুতিপ্ৰসাদ বৰাই আঁত ধৰা অনুষ্ঠানটোত জাগীৰোড অঞ্চলৰ কেইবাগৰাকীও লেখক-লেখিকাৰ গ্ৰন্থ উন্মোচন কৰা হয়। চিত্ৰলেখা বৰাৰ 'মহাৰথী', খগেন চন্দ্ৰ দাসৰ 'প্ৰীতিৰ এনাজৰী', স্তুতিপ্ৰসাদ বৰাৰ 'কুন্দ্ৰাক্ষ', শিখা গগৈৰ 'যুগান্তৰ', বন্দনা দত্তৰ 'সুন্দৰ পৃথিৱী' আৰু 'প্ৰহেলিকা' শীৰ্ষক গ্ৰন্থসমূহ উন্মোচন কৰা হয়। উক্ত সভাতে অসম সাহিত্য সভাৰ আজীৱন সভ্যৰ মানপত্ৰ প্ৰদান কৰা হয়। আনহাতে জাগীৰোড শতদল শাখা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ ড° মীৰা বৈশ্য সম্পাদিত 'অভিব্যক্তি' নামৰ স্মৃতি গ্ৰন্থ উন্মোচন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহেন্দ্ৰ শইকীয়াই।

# মঙলদৈত ইলেক্ট্ৰনিক মিডিয়া ফ'ৰামৰ নৱবৰ্ষক লৈ বিশেষ অনুষ্ঠান

**ই-সংবাদ, মঙলদৈ, ২৯ ডিচেম্বৰঃ** ২০২৫ চনত মঙলদৈ চহৰৰ আন্তঃগাঁঠনিৰ আমূল পৰিবৰ্তন হ'ব। ২০২৪ চনৰ মঙলদৈ আৰু ২০২৫ৰ মঙলদৈ মাজত এক বৃহৎ প্ৰাৰ্থক্য দেখিবলৈ পাব ৰাইজে। এই মন্তব্য মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাসে। মঙলদৈ ইলেক্ট্ৰনিক মিডিয়া ফ'ৰামৰ উদ্যোগত দেওবাৰে অনুষ্ঠিত নতুন বছৰৰ আশা-প্ৰত্যাশা অনুষ্ঠানত বক্তব্য আগবঢ়ায় বিধায়ক দাসে কয় যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমে যেনেকৈ প্ৰগতি লাভ কৰিছে, তেনেকৈ মঙলদৈয়েও প্ৰগতি লাভ কৰিছে। মঙলদৈত নিৰ্মাণ কৰা অসম দক্ষতা বিশ্ববিদ্যালয়ৰ পাঠদান ২০২৫ চনৰ জুলাইৰ পৰা আৰম্ভ হ'ব। দক্ষতা বিশ্ববিদ্যালয়ৰ কাষতে ১৫০ বিঘা ভূমি আৱণ্টন দিয়া হৈছে বহুজাতিক কোকা কোলা কোম্পানীক। এই কোম্পানীৰ জড়িয়তে অঞ্চলতোৰ নিবনুৱাসকলে সংস্থাপন পোৱাৰ লগতে অৰ্থনৈতিক বিকাশৰ পথ প্ৰশস্ত হ'ব বুলি কয় বিধায়ক দাসে। মঙলদৈ প্ৰেছ ক্লাব প্ৰেক্ষাগৃহত ইলেক্ট্ৰনিক মিডিয়াৰ সম্পাদক নৱজোতি মহন্তই আঁত ধৰা গাম্ভীয্যপূৰ্ণ অনুষ্ঠানটোত বিধায়ক দাসে কয় যে মঙলদৈ চহৰৰ সো-মাজত থকা আয়ুক্ত কাৰ্যালয়, জে'ল, চক্ৰ বিষয়াৰ কাৰ্যালয় সকলো চহৰৰ পৰা স্থানান্তৰ হ'ব ২০২৫ বৰ্ষৰ ভিতৰতে। চহৰৰ দক্ষিণ দিশে ব্লক চকত নিৰ্মাণ কৰা হ'ব সংহত আয়ুক্ত কাৰ্যালয়। ইয়াৰ উপৰি মঙলদৈ চহৰত থকা আৱৰ্ত ভবনটো পকাবাঙীপাৰা গাঁৱলৈ স্থানান্তৰ কৰা হ'ব। অহা বছৰটো মঙলদৈ চহৰৰ দক্ষিণ দিশেৰে নিৰ্মাণ কৰা বাইপাছৰ কাম সম্পূৰ্ণ হ'ব। ইয়াৰ লগে লগে চহৰৰ সোমাজেৰে যোৱা ১৫নং ৰাষ্ট্ৰীয় ঘাইপথটো চহৰৰ বাহিৰেৰে যোৱাৰ লগে লগে চহৰৰ যান-জঁট কমি যোৱাৰ লগতে ৰাইজৰ বহু সমস্যা সমধান হ'ব। এইক্ষেত্ৰত সাংসদ দীলিপ শইকীয়াই দিনে-নিশাই কাম কৰি আছে বুলিও বিধায়কজনে কয়। তদুপৰি অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু সাংসদ দীলিপ শইকীয়াৰ তৎপৰতাত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ বাইহাটা চাৰিআলিৰ পৰা তেজপুৰলৈ চাৰিলেনযুক্ত পথৰ কাম ২০২৫ চনতে আৰম্ভ হ'ব বুলি বিধায়ক দাসে জানিবলৈ দিয়ে। ইলেক্ট্ৰনিক মিডিয়াৰ সভাপতি মুকুট ৰাজ শৰ্মাই বিধায়কৰ বক্তব্যৰ পিছতে এখন শিশু উদ্যান আৰু বয়োজ্যেষ্ঠৰ কাৰণে অবসৰ বিনোদনৰ স্থান আৰু খোজ কঢ়া পথ নিৰ্মাণৰ বাবে আহ্বান জনায়। অনুষ্ঠানত বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।




# বুঢ়াদিয়াৰ পাৰত নলবাৰী জিলা সাংবাদিক সন্থাৰ অন্তৰংগ আলাপ

**ই-সংবাদ, মুকালমুৱা, ২৯ ডিচেম্বৰঃ** পশ্চিম নলবাৰীৰ চামতাৰ নিকটৱৰ্তী বুঢ়াদিয়া নৈ আৰু পখুৰা পামৰ সম্প্ৰীতি আৰু সমন্বয়স্থলী আমনিস্থিত শংকৰ আশ্ৰম (বাবাৰ থান)ত দেওবাৰে নলবাৰী জিলা সাংবাদিক সন্থাৰ উদ্যোগত আৰু পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ আতিথ্যত আয়োজন কৰা হয় অন্তৰংগ আলাপ তথা সম্প্ৰীতিৰ এসাঁজ। নলবাৰী জিলা সাংবাদিক সন্থাৰ সভাপতি বীৰেন কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত উক্ত অনুষ্ঠানটোত জিলাখনৰ প্ৰায় শতাধিক সংবাদ কৰ্মীৰ লগতে শিক্ষাবিদ, শিল্পী সাহিত্যিক, কবিয়ে অংশগ্ৰহণ কৰি নিজৰ অনুভৱ ব্যক্ত কৰাৰ উপৰি কবিতা পাঠ, গীত পৰিৱেশনেৰে নান্দনিক শোভাবৰ্ধন কৰে। নলবাৰী জিলা সাংবাদিক সন্থাৰ সম্পাদক বসন্ত দাসৰ বিশেষ তৎপৰতাত আয়োজিত অন্তৰংগ আলাপত সদৌ অসম সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক নকুল তালুকদাৰ, অধ্যাপক ডঃ ৰাজেশ কাকতি, সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ৰিয়াজউদ্দিন আহমেদ, নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰুজউদ্দিন আহমেদ, চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বীৰেন বৰ্মন, সাংবাদিক পেন্সনাৰ দণ্ডীৰাম দাসৰ লগতে জিলাখনৰ বিভিন্ন দল-সংগঠনৰ বহুকেইগৰাকী প্ৰতিনিধিয়ে বক্তব্য প্ৰদান কৰে। আনহাতে, জ্যেষ্ঠ সাংবাদিক ৰাজেন বৈশ্যই সঞ্চালনা কৰা কবিতা পাঠ অনুষ্ঠানত ক্ৰমে অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰবীণ বৰ্মন, গণেশ বৰ্মন, প্ৰবক্তা দিগন্ত বৰ্মন, সঞ্জয় তালুকদাৰ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ বলেন গোস্বামী, প্ৰতিবেদক লাইভৰ সম্পাদক প্ৰধান ৰূপক বৈশ্য মুন, বিষ্ণুজ্যোতি একাডেমীৰ অধ্যক্ষ প্ৰদীপ ভাগৱতী, প্ৰবক্তা ৰাজীৱ দত্তকে আদি কৰি বহুকেইগৰাকী কবিয়ে কবিতা পাঠেৰে অনুষ্ঠানটো জীপাল কৰি তোলে। তাৰ প্ৰাকমুহূৰ্তত প্ৰবক্তা উদ্ধৱ ঠাকুৰীয়া, শিক্ষক সত্যেন মিশ্ৰ আৰু তপন কুমাৰ শৰ্মাই এটিকৈ গীত পৰিৱেশন কৰি অন্য এক মাত্ৰা প্ৰদান কৰে। পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সম্পাদক অনিমেশ বৰ্মনৰ বিশেষ সহযোগত ৰূপায়িত অনুষ্ঠানত উপস্থিত থাকি নলবাৰী জিলা ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক জিতু শৰ্মা, কাৰ্যনিৰ্বাহক সদস্য বিনোদ মালাকৰ, পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি কল্পমনি কাকতি, সম্পাদক নয়নজ্যোতি শৰ্মাৰ লগতে সাংবাদিক টিংকুমণি বৰ্মন, নলিনী কুমাৰ ডেকা, দ্বিজেন ডেকা, তপন দাস আৰু আব্দুল কাদেৰ আহমেদকে আদি কৰি প্ৰায় শতাধিক সংবাদকৰ্মীয়ে শেষত সম্প্ৰীতিৰ এসাঁজ গ্ৰহণ কৰে।

# পানীতোলা শাখা সাহিত্য সভাৰ সপ্তদশ দ্বি-বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, ডুমডুমা, ২৯ ডিচেম্বৰঃ** তিনিচুকীয়া জিলাৰ পানীতোলা শাখা সাহিত্য সভাৰ সপ্তদশ দ্বি-বাৰ্ষিক অধিৱেশন দেওবাৰে পানীতোলা নগৰ প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি, পতাকা উত্তোলন কৰে পানীতোলা শাখা সাহিত্য সভাৰ সভাপতি প্ৰবীণ দাসে। স্মৃতি তৰ্পণ কৰে পানীতোলা প্ৰাক্তন সভাপতি লম্বেশ্বৰ গোহাঁয়ে। ইয়াৰ পিছতে প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ আৰু বানান লিখা প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাসমূহৰ পৰিচালনা কৰে অজিত হাজৰিকা, প্ৰতিভা চক্ৰৱৰ্তী আৰু বিজয় গোহাঁয়ে। তিনিচুকীয়া জিলা সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ কাৰ্যকৰী সভাপতি চন্দ্ৰকান্ত হাজৰিকাৰ পৰ্যবেক্ষণত বিষয়া-বাচনি সভা অনুষ্ঠিত হয়। সভাত ২০২৫-২৭ বৰ্ষৰ কাৰ্যকালৰ বাবে পানীতোলা শাখা সাহিত্য সভাৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। সভাত সৰ্বসন্মতি ক্ৰমে সভাপতি হিচাপে প্ৰবীণ দাস, উপ-সভাপতি হিচাপে বিজয় গোহাঁই, সম্পাদকৰ পদত দুৰ্জয় লোচন চেতিয়া, সহঃ সম্পাদক হিচাপে তন্দ্ৰালী হাজৰিকা, কোষাধ্যক্ষ হিচাপে অজিত হাজৰিকা, পত্ৰিকা সম্পাদক হিচাপে মৃদুপৱন চেতিয়া নিৰ্বাচিত হয়। বনগীতৰ শিল্পী লুইত দাসৰ সংগীত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে আৰম্ভ কৰাৰ পাছতেই মুকলি সভা আৰম্ভ হয়। মুকলি সভাৰ উদ্বোধন কৰে পানীতোলা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি যজ্ঞেশ্বৰ চেতিয়াই। সভাত সভাপতিত্ব কৰে পানীতোলা শাখা সাহিত্য সভাৰ সভাপতি প্ৰবীণ দাসে। সভাত তিনিচুকীয়া জিলা সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সভাপতি লম্বেশ্বৰ চেতিয়া, চাবুৱাৰ উদ্যোগ প্ৰশিক্ষণ কেন্দ্ৰৰ সঞ্চালক প্ৰশান্ত নেওগ, উদ্ভাৱক বিজ্ঞানী সুৰেণ বৰুৱা, পানীতোলা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দুৰ্গা উজীৰ, বনগীতৰ শিল্পী লুইত দাস আৰু শতাধিক গণ্য-মান্য ব্যক্তিৰ লগতে বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। উক্ত সভাতেই তিনিচুকীয়া জিলাৰ নৱ-নিৰ্বাচিত সভাপতি লম্বেশ্বৰ চেতিয়াক এখনি চেলেং চাদৰ আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সভাত চিত্ৰাংকণ আৰু বানান লিখা প্ৰতিযোগিতাত বিজয়ী প্ৰতিযোগীসকলক কিতাপ, কলম, ৰঙৰ বাকচ আৰু মানপত্ৰৰে পুৰস্কৃত কৰা হয়। অনুষ্ঠানৰ মাজতে পানীতোলা শাখা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক মৃদুপৱন চেতিয়াই সম্পাদন কৰা সাহিত্য সভাৰ পত্ৰিকাখন উন্মোচন কৰে বিশিষ্ট কবি প্ৰশান্ত নেওগে। পানীতোলা শাখা সাহিত্য সভাৰ সহঃ সম্পাদক তন্দ্ৰালী হাজৰিকাই আঁত ধৰা অনুষ্ঠানত সম্পাদক লক্ষীন্দ্ৰ দাসে শলাগৰ শৰাই আগবঢ়োৱাৰ পাছতে জাতীয় সংগীতেৰে সভাৰ সামৰণি পৰে।

# ৰঙিয়াত দিহানাম সংৰক্ষণ মঞ্চৰ বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, ৰঙিয়া, ২৯ ডিচেম্বৰঃ** দিহানাম সংৰক্ষণ মঞ্চ, অসমৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু বাৰ্ষিক অধিৱেশন ৰঙিয়াত দুদিনীয়াকৈ উদযাপনৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। কামৰূপ জিলা সমিতিৰ আতিথ্যত অহা ৬ আৰু ৭ জানুৱাৰীত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, ৰঙিয়া জিলা শাখাৰ নামঘৰ প্ৰাঙ্গণত অনুষ্ঠিত হ'ব লগা অধিৱেশনখনি সুচাৰুৰূপে পৰিচালনা কৰাৰ উদ্দেশ্যে স্থানীয় বিধায়ক ভবেশ কলিতাক সভাপতি হিচাপে লৈ এখন সমিতি গঠন কৰা হৈছে। লগতে সমিতিখনত হীৰেণ কুমাৰ দাসক কাৰ্যকৰী সভাপতি, মঞ্জুৰাণী দাস, জিতেন শালৈক উপ-সভাপতি, পৰেশ দাসক সাধাৰণ সম্পাদক আৰু নিপন ডেকা, গায়ত্ৰী কলিতা, প্ৰণীতা ডেকাক সহকাৰী সম্পাদক হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখ্য যে অধিৱেশন উপলক্ষে ৭ জানুৱাৰীত পুৱাৰ ভাগত অন্যতম আকৰ্ষণীয় কাৰ্যসূচী ৰূপে ৰূপায়ণ কৰা হ'ব সমূহীয়া দিহানাম। তদুপলক্ষে সাংস্কৃতিক বিভাগৰ সভাপতি তথা প্ৰশিক্ষক বাণী পাঠকৰ তত্বাৱধানত দেওবাৰে অনুষ্ঠিত কৰা হয় দিহা নামৰ প্ৰশিক্ষণ কাৰ্যসূচী।

# আপকুৰ বিশ্বনাথ জিলাৰ নতুন সমিতি গঠন

**ই-সংবাদ, বিশ্বনাথ, ২৯ ডিচেম্বৰঃ** অসমৰ মফচল অঞ্চলৰ সাংবাদিকৰ সংগ্ৰামী মঞ্চ আসাম প্ৰেছ ক'ৰেছপণ্ডেণ্টছ ইউনিয়ন চমুকৈ আপকুৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা দেওবাৰে অনুষ্ঠিত হয়। বিশ্বনাথৰ বীণাপাণি নাট্য সমাজ প্ৰেক্ষাগৃহত অনুষ্ঠিত বিশ্বনাথ জিলা আপকুৰ সাধাৰণ সম্পাদক ৰূপজ্যোতি শইকীয়াই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সভাপতিত্ব কৰে বিশ্বনাথ জিলা আপকুৰ সভাপতি নৱজিৎ শইকীয়াই। সম্পাদক ৰূপজ্যোতি শইকীয়াই সম্পাদকীয় প্ৰতিবেদন পাঠ কৰাৰ লগতে দুবছৰীয়া কাৰ্যকালৰ আয়-ব্যয়ৰ খতিয়ান দাঙি ধৰে। সভাত ২০২৫ বৰ্ষৰ ১৮ আৰু ১৯ জানুৱাৰীত ঢেকিয়াজুলিত অনুষ্ঠিত হ'ব লগা কেন্দ্ৰীয় সমিতিৰ চতুৰ্দশ দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন সম্পৰ্কে আলোচনা কৰাৰ লগতে বিশ্বনাথ জিলা সমিতিয়ে ২০১৭ চনৰ পৰা কেন্দ্ৰীয় অধিৱেশনত প্ৰদান কৰি অহা বিশ্বনাথৰ জ্যেষ্ঠ সাংবাদিক প্ৰয়াত বুধিন্দ্ৰ নাথ হাজৰিকা সোঁৱৰণী ইলেক্ট্ৰনিক মিডিয়া সাংবাদিকতা বঁটা প্ৰদান সম্পৰ্কে আলোচনা কৰা হয়। এই সভাতে বিশ্বনাথ জিলাৰ পুৰণি সমিতি ভংগ কৰি নতুন সমিতিখন গঠন কৰা হয়। নতুন সমিতিৰ সৌৰভ হাজৰিকাক সভাপতি, ৰূপজ্যোতি শইকীয়া, শিবু মজুমদাৰ আৰু সুৰঞ্জন গগৈক উপ-সভাপতি, অমিতাভ বৰুৱাক মুখ্য উপদেষ্টা, প্ৰণিতা ৰয় ভূঞাক উপদেষ্টা, অঞ্জন শইকীয়াক কাৰ্যকৰী সভাপতি, ত্ৰিবেণী বৰাক সম্পাদিকা,পৱন কুমাৰ যোশী, জ্ঞান পাণ্ডেক সহকাৰী সম্পাদক, ছয়দুল ইছলাম, অম্লান কাশ্যপ, চাহিদুল ইছলাম, সঞ্জীৱ বৰাক সাংগঠনিক সম্পাদক, দিগন্ত শইকীয়াক পত্ৰিকা সম্পাদক, ৰমেশ চন্দ্ৰ চৰেণক কোষাধ্যক্ষ, নৱজিৎ শইকীয়া আৰু তুষাৰ হাজৰিকাক কেন্দ্ৰীয় প্ৰতিনিধি হিচাপে লৈ এখন শক্তিশালী পূৰ্ণাংগ সমিতি গঠন কৰা হয়। আপকুৰ কেন্দ্ৰীয় সমিতিৰ সদস্য অৰূপ মহন্ত, সৌৰভ হাজৰিকা কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে উপস্থিত থকা সভাত বিশ্বনাথৰ বিশিষ্ট সমাজকৰ্মী বীণাপাণি নাট্য সমাজৰ সম্পাদক ৰাজেন্দ্ৰ প্ৰসাদ দাস সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি সাংবাদিকসকলক সতিনিষ্ঠ বাতৰি পৰিৱেশন কৰিবলৈ আহ্বান জনোৱাৰ লগতে সংগঠনটোৰ উত্তৰোত্তৰ কামনা কৰে। আনহাতে নিৰঞ্জন দাস আৰু ৰুবেন মহন্তই আপকুত সদস্য পদ গ্ৰহণ কৰে।

# উপৰহালী প্ৰগতি সাহিত্য সভাক শতদল শাখা সাহিত্য সভাৰ স্বীকৃতি

**ই-সংবাদ, মিৰ্জা, ২৯ ডিচেম্বৰঃ** কামৰূপ জিলাৰ অন্তৰ্গত এখন অন্যতম শাখা সাহিত্য সভা উপৰহালী প্ৰগতি সাহিত্য সভাক শতদল শাখা সাহিত্য সভাৰ স্বীকৃতি অসম সাহিত্য সভাৰ। আজি শাখা সাহিত্য সভাখনৰ ৪৭ সংখ্যক দ্বি বাৰ্ষিক সাধাৰণ সভা উপৰহালী ছোৱালী হাইস্কুলত অনুষ্ঠিত হয়। উপৰহালী প্ৰগতি সাহিত্য সভাৰ সভাপতি অশ্বিনী কুমাৰ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সাধাৰণ সভা মুকলি কৰে কামৰূপ জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক ৰমেশ চন্দ্ৰ মহন্তই। তেওঁ এই প্ৰসংগত নিজৰ বক্তব্য আগবঢ়াই কয় - অসম সাহিত্য সভাৰ প্ৰাণ প্ৰকৃততে শাখা সাহিত্য সভা সমূহ। কামৰূপ জিলাৰ সক্ৰিয় শাখা সাহিত্য সভা সমূহৰ ভিতৰত উপৰহালী প্ৰগতি সাহিত্য সভা অন্যতম। সম্প্ৰতি এই শাখা সাহিত্য সভাখনে শতদল শাখা সাহিত্য সভাৰ স্বীকৃতি লাভ কৰি তেওঁলোকে দেখুওৱা এই গতিশীলতা অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনায়। আন এগৰাকী অতিথি হিৰণ্য কুমাৰ মজুমদাৰে উপৰহালী প্ৰগতি সাহিত্য সভাই উপৰহালী গাঁৱৰ ঐতিহ্য পোহৰলৈ আনিবলৈ বিশেষ পদক্ষেপ ল'বলৈ অনুৰোধ জনায়। সভাৰ আৰম্ভণিতে উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে সভাত দুটা বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সম্পাদক পবিত্ৰ কুমাৰ দাসে। আজিৰ এই সভাতে অসম সাহিত্য সভাৰ ৩০ গৰাকী নতুন আজীৱন সভ্যৰ স্বীকৃতি পত্ৰ আনুষ্ঠানিক ভাৱে বিতৰণ কৰে ক্ৰমে বিশিষ্ট অতিথি ৰমেশ চন্দ্ৰ মহন্ত, বৈদ্যগিৰি সাহিত্য সভাৰ সভাপতি তথা কবি হিৰণ্য কুমাৰ মজুমদাৰ, উপদেষ্টা নৃপেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া, ফণীধৰ তালুকদাৰ, ড শৈলেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া আৰু সম্পাদক পবিত্ৰ কুমাৰ দাসে। উল্লেখ যে আজিৰ এই সভাতে একেটা পৰিয়ালৰ পাঁচ গৰাকী আজীৱন সভ্য ভৰ্তি হোৱাৰ স্বীকৃতি স্বৰূপে অসম সাহিত্য সভাই "পৰম সুহৃদ হিতৈষী পৰিয়াল " হিচাপে স্বীকৃতি দিয়ে। এনে দুটা সম্ভ্ৰান্ত পৰিয়ালক ক্ৰমে অমৃত ঠাকুৰীয়া,অভয়া ঠাকুৰীয়া, সৰস্বতী ঠাকুৰীয়া, পৰশমণি ঠাকুৰীয়া আৰু ৰীমা দাসৰ পৰিয়ালৰ লগতে জয়াৰাণী তালুকদাৰ, সঞ্জীৱ তালুকদাৰ, পবিত্ৰ তালুকদাৰ, লিজা তালুকদাৰ আৰু অনুপ তালুকদাৰৰ পৰিয়ালক আজি এই পৰম সুহৃদ হিতৈষী পৰিয়ালৰ স্বীকৃতি পত্ৰ বিতৰণ কৰা হয়। ইয়াৰ পিছতে পূৰণি সমিতি ভংগ কৰি আগন্তুক ২০২৫-২৭ বৰ্ষৰ বাবে এখন ৩৫ জনীয়া নতুন শক্তিশালী কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। শতাধিক আজীৱন সভ্য আৰু সাধাৰণ সভ্যৰ উপস্থিতিত দ্বি বৰ্ষৰ বাবে পুনৰ অশ্বিনী কুমাৰ তালুকদাৰক সভাপতি আৰু সাংবাদিক, গল্পকাৰ পবিত্ৰ কুমাৰ দাসক সম্পাদক নিৰ্বাচিত কৰে। আনহাতে উপ সভাপতি হিচাপে ক্ৰমে বেনুধৰ তালুকদাৰ আৰু ৰিপু কুমাৰ তালুকদাৰ, সহ: সম্পাদক হিচাপে ৰবীন প্ৰসাদ ডেকা আৰু মৃগেন্দ্ৰ তালুকদাৰ, মুখপাত্ৰ 'প্ৰভাতী' সম্পাদক হিচাপে ফুলেন্দ্ৰ তালুকদাৰ, সাংস্কৃতিক সম্পাদক হিচাপে নৱ তালুকদাৰ,, প্ৰচাৰ সম্পাদক হিচাপে বীৰেণ মজুমদাৰ নিৰ্বাচিত হয়। আনহাতে উপদেষ্টা হিচাপে ক্ৰমে নৃপেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া, ফণীধৰ তালুকদাৰ, ড শৈলেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া, চক্ৰ তালুকদাৰ আৰু কনক চন্দ্ৰ তালুকদাৰক নিৰ্বাচিত কৰে সভাই। আজিৰ এই সভাতে প্ৰয়াত মনমোহন সিঙৰ স্মৃতিত এক মিনিট সময় মৌন প্ৰাৰ্থনা জনাই শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে।

# মন্দিৰা ৰিজাৰ্ভ প্ৰাক্তন সৈনিক সন্থাৰ বাৰ্ষিক অধিৱেশনৰ সামৰণি

**ই-সংবাদ, নগৰবেৰা, ২৯ ডিচেম্বৰঃ** কামৰূপ জিলাৰ মন্দিৰা ৰিজাৰ্ভ সৈনিক নগৰত দেওবাৰে দিনজোৰা কাৰ্যসূচীৰে মন্দিৰা ৰিজাৰ্ভ প্ৰাক্তন সৈনিক সন্থাৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা ৮ বজাত মন্দিৰা ৰিজাৰ্ভ প্ৰাক্তন সৈনিক সন্থাৰ সভাপতি লোক বাহাদুৰ চেত্ৰীয়ে পতাকা উত্তোলন কৰাৰ পিছত শ্বহীদ তৰ্পণ কৰে সন্থাৰ উপ-সভাপতি নায়ক চুবেদাৰ নীল বাহাদুৰ চেত্ৰীয়ে। ইয়াৰ পিছত খেল-ধেমালি পৰিচালনা কৰে ক্ৰমে লেফটেনেন্ট আবুল হুছেইন চৌধুৰী, চুবেদাৰ গোপাল দাস, হাবিলদাৰ যোগেন্দ্ৰ পাটোৱাৰী আৰু নায়ক নৌশাদ আলীয়ে। দুপৰীয়া ১২ বজাত মন্দিৰা ৰিজাৰ্ভ প্ৰাক্তন সৈনিক সন্থাৰ সভাপতি লোক বাহাদুৰ চেত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনৰ আঁতধৰে প্ৰাক্তন হাবিলদাৰ বীৰেন চন্দ্ৰ দাসে। সভাত অৱসৰপ্ৰাপ্ত বায়ু সেনা বিষয়া মেজৰ জেনেৰেল পূৰ্ণানন্দ দাসে ভাষণত কয় যে প্ৰাক্তন সেনা জোৱানসকলৰ বাবে চৰকাৰে বিভিন্ন আঁচনি লৈছে যদিও অৱসৰৰ পিছত এগৰাকী জোৱানে সদায় নিজৰ কল্যাণৰ কথা ভাবিলে নহ'ব। আমি নিজে কি কৰিব পাৰোঁ সেই কথা ভবা উচিত। যিহেতু জোৱানসকল সুদক্ষ প্ৰশিক্ষণপ্ৰাপ্ত, সেয়ে ইয়াৰ সদব্যৱহাৰ কৰি নিজৰ লগতে সমাজৰ কল্যাণৰ বাবে কাম কৰাৰ আহ্বান জনায়। তদুপৰি তেওঁ প্ৰাক্তন সৈনিকসকলক বিশেষভাৱে নিজৰ স্বাস্থ্যৰ প্ৰতি সচেতন হ'বলৈ কয়। সভাত অসম ৰাজ্যিক সৈনিক কল্যাণ সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত সঞ্চালক ব্ৰিগেডিয়াৰ পলাশ চৌধুৰীয়ে ভাষণত প্ৰাক্তন সৈনিকসকলৰ কল্যাণ আৰু পুনৰসংস্থাপন সন্দৰ্ভত গুৰুত্বাৰোপ কৰি সৈনিক সন্থাসমূহক নিস্বাৰ্থ সেৱা আগবঢ়াবলৈ কয়। তেওঁ অসম চৰকাৰে প্ৰাক্তন সৈনিকৰ বাবে আগবঢ়োৱা আঁচনিৰ সুবিধা ল'বলৈ আহ্বান জনায়। সভাত কামৰূপ(মেট্ৰ') জিলা সৈনিক কল্যাণ বিষয়া কৰ্ণেল পদ্মলোচন দাসে প্ৰাক্তন সৈনিকৰ বিভিন্ন সমস্যা আৰু সমাধান সম্পৰ্কে বিতং ব্যাখ্যা কৰি ভাষণ প্ৰদান কৰে। তদুপৰি সভাত কৰ্ণেল চিধানন্দ মেধি, দক্ষিণ কামৰূপ জিলা প্ৰাক্তন সৈনিক সন্থাৰ সভাপতি, সম্পাদক প্ৰমুখ্যে কেইবাগৰাকী জ্যেষ্ঠ অৱসৰপ্ৰাপ্ত প্ৰাক্তন সৈনিকে অতিথিৰূপে উপস্থিত থাকে। উল্লেখ্য যে সভাত সত্তৰোৰ্ধৰ ১০গৰাকী প্ৰাক্তন সৈনিকক জিলা সৈনিক কল্যাণ ব'ৰ্ডৰ পৰা বিশেষ উপহাৰ প্ৰদান কৰে।তদুপৰি সভাত কৃতী শিক্ষাৰ্থীৰ লগতে অধিৱেশন উপলক্ষে অনুষ্ঠিত বিভিন্ন খেল=ধেমালি প্ৰতিযোগিতাত স্থান লাভ কৰা সকলক মানপত্ৰ, গামোচা উপহাৰৰ টোপোলাৰে পুৰস্কৃত কৰা হয়।

# আমছুৰ নৱ নিৰ্বাচিত সাধাৰণ সম্পাদক কুদ্দুছ আলী চৰকাৰক দক্ষিণ চতিয়াত উষ্ম আদৰণি

**ই-সংবাদ, চতিয়া, ২৯ ডিচেম্বৰঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ (আমছু)ৰ কেন্দ্ৰীয় সমিতিৰ নৱনিৰ্বাচিত সাধাৰণ সম্পাদক কুদ্দুছ আলি চৰকাৰক শনিবাৰে সন্ধিয়া কবৈয়নী নতুন চেন্টাৰ বণিক সন্হা,চতিয়া ১ নং মণ্ডল কংগ্ৰেছ,কবৈয়নী আহমেদীয়া মাদ্ৰাছাৰ পৰিচালনা সমিতি,প্ৰয়াস এটি প্ৰচেষ্টা নামৰ স্বেচ্ছাসেৱী সংগঠনৰ তৰফৰ পৰা উষ্মা আদৰণি আৰু সম্বৰ্ধনা জনোৱা হয়। উক্ত সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু) ৰ নৱ নিৰ্বাচিত কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক কুদ্দুছ আলিচৰকাৰ, সাংগঠনিক সম্পাদক আমিল হক, প্ৰচাৰ সম্পাদক জালালউদ্দিন মণ্ডল,বিশ্বনাথ জিলা সমিতিৰ সভাপতি ফকিৰ আলি,উপ-সভাপতি ছফিকুল ইছলাম, সাধাৰণ সম্পাদক হুছেইন ছিকদাৰ (প্ৰশাসনিক),হুৰমুজ আলী (সাংগঠনিক),সহকাৰী সাধাৰণ সম্পাদক ছফিকুল ইছলাম (পাপু) আৰু দক্ষিণ চতিয়া আঞ্চলিক সমিতিৰ সভাপতি সম্পাদকে আদি কৰি সকলো বিষয়ববীয়া উপস্থিত থাকে।ইফালে নৱ নিৰ্বাচিত কেন্দ্ৰীয় সমিতিৰ সাধান সম্পাদক কুদ্দুছ আলী চৰকাৰে ভাষণ প্ৰসংগত কয়, অসমৰ পিছ পৰা সংখ্যালঘু জাতিৰ হকে নতুন উদ্যমেৰে বহুতো কাম কৰি যোৱাৰ লগতে সংখ্যালঘু অঞ্চলত শিক্ষাৰ ক্ষেত্ৰত সংখ্যালঘু ছাত্ৰ-ছাত্ৰী সকলক শিক্ষা প্ৰদান কৰি এখন শিক্ষিত সমাজ গঢ় দিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি ৰাইজক প্ৰতিশ্ৰুতি দিয়ে।

# উদমাৰিত গ্ৰামীণ শ্ৰমিক সন্থাৰ ব্লকৰ সন্মিলন সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ২৯ ডিচেম্বৰঃ** বুলড'জাৰ আৰু সাম্প্ৰদায়িক ঘৃণাৰ ৰাজনীতিৰ বিৰুদ্ধে গাঁৱৰ দুখীয়া ৰাইজৰ অধিকাৰ আৰু মৰ্যাদাৰ হকে গ্ৰামীণ শ্ৰমিক সন্থাক শক্তিশালী কৰাৰ আহ্বানত সকলোৰে বাবে খাদ্য, আৱাস গৃহ, ভূমি আৰু সংস্থাপনৰ অধিকাৰৰ দাবীত অবিভক্ত নগাঁও জিলাৰ লংজাপ উদমাৰি চুবাহী মাদ্ৰাছাত দেওঁবাৰে সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ যোগীজান ব্লকৰ প্ৰথম সন্মিলনখন অনুষ্ঠিত হয়। জয়নাল আবেদিন, নাৰয়ন বানাই , পুনেশ্বৰী দেৱী আৰু দিন বৰাৰ পৰিচালনাত অনুস্থিত হোৱা সন্মিলনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক অৰূপ কুমাৰ মহন্তই কয় যে, এতিয়া কেন্দ্ৰ আৰু ৰাজ্যৰ বিজেপি চৰকাৰখন হৈছে পুঁজিপতি আৰু বৃহৎ ব্যৱসায়ীৰ স্বাৰ্থৰক্ষাকাৰী, দুখীয়া বিৰোধী সাম্প্ৰদায়িক ফেচিষ্ট চৰকাৰ। শাসনৰ গাদীত বহিয়েই এই ডবল ইঞ্জিন চৰকাৰখনে দুখীয়া-ভূমিহীন কৃষক সকলক ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত কৰাৰ উদ্দেশ্যে সাম্প্ৰদায়িক বিভাজনৰ নীতিৰে বুলড'জাৰ আৰু উচ্ছেদ চলালে। আজি এই উচ্ছেদ আৰু বুলড'জাৰ অসমৰ সকলো জাতি-জনগোষ্ঠীৰ দুখীয়া ৰাইজৰ ওপৰত চলোৱা আৰম্ভ কৰিছে। "মোৰ মাটি মোৰ অধিকাৰ" শ্ল'গানেৰে আৰম্ভ কৰা মিছন বসুন্ধৰা ২.০ ত ভূমিৰ অধিকাৰৰ বাবে আবেদন কৰা লক্ষ লক্ষ গ্ৰামীণ দৰিদ্ৰ তথা কৃষকৰ আবেদন নাকচ কৰিলে। ৰায়তী কৃষকসকলৰ পৰম্পৰাগত ভূমিৰ অধিকাৰৰ নীতিকো নাকচ কৰিলে। হিমন্ত বিশ্ব চৰকাৰে ৰাজ্যৰ সমস্ত ভূমি তেওঁৰ অধিকাৰতহে ৰাখিলে। শেহতীয়াকৈ ৰাজ্যৰ কেবিনেটে তিনি পুৰুষ বা পঁয়সত্তৰ বছৰ ভূমিৰ দখলীকৃত প্ৰমাণ থাকিলেহে ভূমিৰ অধিকাৰ প্ৰদান কৰা সিদ্ধান্ত গ্ৰহণ কৰি দুখীয়া ভূমিহীন কৃষক সকলক ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত কৰিছে আৰু ৰিফিউজি প্ৰমাণপত্ৰ থকা সকলক ৰেহাই দি কৃষকসকলৰ মাজত এক নতুন বিভাজন সৃষ্টি কৰিব বিচাৰিছে। ভাষণ প্ৰসংগত মহন্তই চৰকাৰৰ এই বিভাজনমুখী নীতিৰ সলনি দুখীয়া-ভূমিহীন কৃষকসকলে "যি ভূমিত আমি বাস কৰি আছো সেই ভূমি আমাৰ" আৰু "যি ভূমি চৰকাৰী সেই ভূমি আমাৰ"। চৰকাৰে আগতীয়া সংস্থাপন অবিহনে উচ্ছেদ কৰিব নোৱাৰিব আৰু জন শুনানী অবিহনে যধে-মধে বৃহৎ কোম্পানী তথা ব্যৱসায়ী গোষ্ঠীক ভূমি আবণ্টন দিব নোৱাৰিব। এই দাবীত গ্ৰামীণ দুখীয়া কৃষক সকলক একত্ৰিত কৰিবলৈ আহ্বান জনায় । তেওঁ লগতে কয় যে, কেন্দ্ৰীয় চৰকাৰৰ ন্যূনতম মজুৰিৰ অধীনত ৬০০ টকাকৈ এমজি এনৰেগাৰ দৈনিক মজুৰি প্ৰদান, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ধন পাঁচ লাখ প্ৰদান কৰা তথা ৰাজহুৱা বিতৰণ ব্যৱস্থা সাৰ্বজনীন কৰাৰ লগতে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত চাউল, আটা, দাইল, মিঠাতেল, গাখীৰ, কণী আৰু আলু প্ৰদান কৰা, ২০০ ইউনিট বিজুলী মাফ কৰা আৰু ৰন্ধন গেছৰ দাম হাফ কৰা তথা জনবিৰোধী স্মাৰ্ট মিটাৰৰ সলনি পুৰণি মিটাৰকেই বাহাল ৰখাৰ দাবী উত্থাপন কৰে। অবিভক্ত নগাঁও জিলা সমিতিৰ সম্পাদক ইচব আলী পৰ্যবেক্ষক হিচাপে উপস্থিত থকা সন্মিলনত বৰপথাৰ, যদুপথাৰ, বৰপানী আৰু লুটুমাৰি পঞ্চায়তৰ এসত্তৰ জন প্ৰতিনিধিয়ে অংশগ্ৰহন কৰে। সন্মিলনত চি পি আই(এম এল) দলৰ নেতা নুৰজামাল, লক্ষণ বানাই, গ্ৰামীণ শ্ৰমিক সন্থাৰ স্বপন হাজৰিকা আৰু প্ৰগতিশীল নাৰী সন্থাৰ তাজমিনা বেগমেও বক্তব্য প্ৰদান কৰে। উক্ত সন্মিলনতে ইচব আলীক সভাপতি আৰু লক্ষণ বানাইক সম্পাদক হিচাপে লৈ সোতৰ জনীয়া ব্লক সমিতিখন গঠন কৰা হয়।

# নগাঁও জিলা আহোম সভাৰ বিশেষ সাধাৰণ সভা সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ২৯ ডিচেম্বৰঃ** সদৌ অসম আহোম সভাৰ নগাঁও জিলা সমিতিৰ এখনি বিশেষ সাধাৰণ সভা দেওঁবাৰে অনুষ্ঠিত হয়। জিলাখনৰ কামপুৰ আহোমগাঁও প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হোৱা সভাখনত পৌৰহিত্য কৰে আহোম সভাৰ নগাঁও জিলা সমিতিৰ সভাপতি ডঃ দীনেশ হাজৰিকাই। আহোম সভাৰ নগাঁও জিলা সমিতিৰ সম্পাদক মহেন্দ্ৰজিৎ বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনি টাই ভাষাৰ সমুহীয়া প্ৰাৰ্থনাৰে শুভাৰম্ভ কৰা হয়। সভাৰ আৰম্ভণিতেই সৰ্বসন্মতিক্ৰমে সৰ্ববৰহী ব্যক্তি বিজু ফুকনক সভাপতি আৰু দীপ ফুকনক সম্পাদক হিচাপে লৈ কামপুৰ আঞ্চলিক আহোম সভাৰ সমিতিখন গঠন কৰা হয়। ইয়াৰ পিছতে কামপুৰ আঞ্চলিক আহোম সভাৰ আতিথ্যত কামপুৰত অনুষ্ঠিত হ'বলগীয়া আগন্তুক মে-ডাম-মে-ফি অনুষ্ঠানটিৰ বিষয়ে বিশদভাবে আলোচনা কৰা হয়। গাম্ভীৰ্যপূৰ্ণ সভাখনিত অংশ গ্ৰহণ কৰি অপুৰ্ব গগৈ, নিৰুপমা বুঢ়াগোহাঁই, ৰঞ্জু লাহন, ৰূপালী বৰকঠীয়া, গুনিন্দ্ৰ ফুকন, ৰোহিনী বৰুৱা, জয়ন্ত ফুকন, মঞ্জুল গোহাঁই, ৰূপজ্যোতি বৰুৱা, মানস বৰা, ধনেশ্বৰ দুৱৰা, বিজয়া গগৈ, মালবিকা বৰা, ৰামচন্দ্ৰ বৰা, নিৰৱ ফুকন আদিয়ে মে-ডাম-মে-ফি উদযাপনৰ বিষয়ত বিভিন্ন দিহা-পৰামৰ্শৰে বক্তব্য দাঙি ধৰে। সভাত মে-ডাম-মে-ফিৰ কাৰ্যসূচীসমূহ সুকলমে পৰিচালনা কৰাৰ অৰ্থে ডঃ দিনেশ হাজৰিকাক সভাপতি, কুমুদ ফুকনক কাৰ্যকৰী সভাপতি তথা মহেন্দ্ৰজিৎ ফুকন আৰু বিজু ফুকনক সম্পাদক হিচাপে লৈ এখনি উদযাপন সমিতি গঠন কৰাৰ লগতে উৎসৱটিৰ লগত সংগতি ৰাখি এখনি মুখপত্ৰ প্ৰকাশ কৰি উলিয়াবৰ বাবে ঠগীত চন্দ্ৰ বৰুৱাক সভাপতি আৰু বিজয়া গগৈক সম্পাদকৰ দায়িত্ব অৰ্পন কৰা হয়। তদুপৰি সভাত নৱবৰ্ষৰ পহিলা ভাগতেই অনুষ্ঠিত হ'বলগীয়া সদৌ অসম আহোম সভাৰ কেন্দ্ৰীয় বাৰ্ষিক অধিবেশনৰ সন্দৰ্ভত আলোচনা কৰা হয়। শেষত টাই ভাষাত জাতীয় সংগীতৰে সভাৰ সামৰণি পৰে।

# চকলাঘাটৰ প্ৰবীন খেলুৱৈ, সমাজকৰ্মী, ডাক বিভাগৰ অৱসৰী বিষয়া পোহৰ বৰাৰ দেহাৱসানত শোকৰ ছাঁ

**বেবেজীয়া, ২৯ ডিচেম্বৰঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাট খাটোৱাল গাঁৱৰ নিবাসী প্ৰবীন খেলুৱৈ, সমাজকৰ্মী, ভাৰতীয় ডাক সেৱা বিভাগৰ অৱসৰী বিষয়া পোহৰ বৰাৰ শনিবাৰে সন্ধিয়া দেহাৱসান ঘটে। প্ৰায় এসপ্তাহ পূৰ্বে গুৰুত্বৰভাৱে অসুস্থ হৈ পৰা বৰাক নগাঁও চহৰৰ চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰি শনিবাৰে সন্ধিয়া চিকিৎসালয়ৰ পৰা গৃহাভিমুখে আনি থকা অৱস্থাত আকস্মিকভাৱে হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু মুখত পৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৫ বছৰ। বিগত বহু বছৰ ধৰি শতবৰ্ষ গৰকা খাটোৱাল গাঁৱৰ নামঘৰৰ পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব নিষ্ঠাসহকাৰে পালন কৰি অহা বৰা বৃহত্তৰ চকলাঘাট অঞ্চলৰ বাৰেগঞা সমাজৰ লগতে সকলো ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত থাকি সমাজৰ হকে সেৱা আগবঢ়াই আহিছিল। একালৰ হাতীচোঙৰ বিখ্যাত ষ্টাৰ স্পৰ্টিং ফুটবল দলৰ সুদক্ষ খেলুৱৈ বৰাৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত চকলাঘাট ৰাস মন্দিৰ, হাতীচোং সাহিত্য সভা সমাজ সাংস্কৃতিক সমিতি, চকলাঘাট শাখা সাহিত্য সভা, চকলাঘাট আঞ্চলিক ক্ৰীড়া সন্থা, চকলাঘাট ব্যৱসায়ী সন্থা, জাজৰি প্ৰেছ ক্লাবকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে বিভিন্নজনে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে । মৃত্যুৰ সময়ত তেওঁ এজন পুত্ৰ, দুগৰাকী কন্যা, বোৱাৰী, জোঁৱাইকে ধৰি বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।

# ডুমডুমাত দ্ৰুতবেগী বাহনৰ খুন্দাত আহত মহিলা

**ই-সংবাদ, ডুমডুমা, ২৯ ডিচেম্বৰঃ** ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত বিছাকুপি দলঙৰ সমীপত আজি আবেলি সংঘটিত হয় এক পথ দুৰ্ঘটনা। ঘটনাৰ বিৱৰণী অনুসৰি, ৰূপাই চাইডিং দিশৰ পৰা ডুমডুমা অভিমুখে গৈ থকা এ এছ ২৩ জেড ২২২৪ নম্বৰ ব্ৰিজা চাৰিচকীয়া বাহনখনৰ চালকজনে নিয়ন্ত্ৰণ হেৰুৱাই সন্মুখত ৰখাই থোৱা এখন বলেৰ' বাহনত খুন্দা মৰাত গাড়ীখনে ডুমডুমাৰ দিশৰ পৰা গৈ থকা এখন অ'টোত খুন্দা মাৰে। দুৰ্ঘটনাৰ ফলত অ'টোখনৰ এগৰাকী মহিলা যাত্ৰী আহত হয়। আহত মহিলা যাত্ৰীগৰাকীক স্থানীয় লোকৰ তৎপৰতাত উদ্ধাৰ কৰি ডুমডুমাৰ এফ আৰ ইউ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। দুৰ্ঘটনাটোত তিনিওখন বাহনৰ বিস্তৰ ক্ষতিসাধন হয়। উক্ত ঘটনাৰ পাছতে ঘাই পথচোৰাত তীব্ৰ যান-জঁটৰ সৃষ্টি হয় যদিও ডুমডুমা আৰক্ষী উপস্থিত হৈ উক্ত যান-জঁট নিয়ন্ত্ৰণ কৰে।

# তিনিচুকীয়াৰ গেলাপুখুৰী জয়ানগৰত ভয়ংকৰ অগ্নিকাণ্ড

**ই-সংবাদ, ডুমডুমা, ২৯ ডিচেম্বৰঃ** বাণিজ্যিক চহৰ তিনিচুকীয়াৰ গেলাপুখুৰীৰ জয়ানগৰৰ নিবাসী বাবুল চন্দ্ৰ ডেকাৰ ঘৰত আজি পুৱাৰ ভাগতেই এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। অগ্নিকাণ্ডৰ ফলত ঘৰটোৰ তিনিটা কোঠা জ্বলি ভস্মীভূত হয়। অৱশ্যে কিছু সময়ৰ পিছত অগ্নিনিৰ্বাপক বাহিনীৰ লোকৰ লগতে তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ পৰা আৰক্ষী গৈ ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপিত কৰে। অগ্নিকাণ্ড সংঘটিত হোৱাৰ সময়ত বাবুল চন্দ্ৰ ডেকা ঘৰত নাছিল বুলি জানিব পৰা গৈছে। কিদৰে অগ্নিকাণ্ড সংঘটিত হ'ল জানিব পৰা নাই যদিওঁ অগ্নিকাণ্ডৰ ফলত কেইবা লাখ টকাৰ সামগ্ৰী জুইত জাহ যায় বুলি জানিব পৰা গৈছে।

# বেছিমাৰীত মানসিক বিকাৰগ্ৰস্থ যুৱকক গছত বান্ধি নিৰ্যাতন

**ই-সংবাদ, দলগাওঁ, ২৯ ডিচেম্বৰঃ** মানুহ দিনক দিনে অমানুহলৈ ৰূপান্তৰ হৈছে। মানুহৰ দৰে হাত, ভৰি,নাক, কাণ আদি অৱয়ৱ থাকিলেও মনষত্য হেৰুৱাই দানৱলৈ ৰূপান্তৰ হোৱা একাংশই আজি দলগাঁৱৰ বেছিমাৰীত এজন মানসিক বিকাৰগ্ৰস্থ যুৱকক গছত বান্ধি প্ৰহাৰ কৰাৰ ভিডিঅ ভাইৰেল হৈছে। ভিডিঅটোত প্ৰতক্ষ্য কৰা মতে, ১/২ নং বৰুৱাঝাৰৰ এজন মানসিক বিকাৰগ্ৰস্থ যুৱকজনক প্ৰায় অৰ্ধশতাধিক লোকৰ ভিৰে গছত বান্ধি শাৰীৰিকভাৱে নিৰ্যাতন চলাই আছে। কি কাৰণত যুৱকজনৰ লগত এনে নিৰ্যাতনৰ ঘটনা ঘটিছে তাৰ আঁৰৰ কোনো তথ্য জানিব পৰা হোৱা যদিও ভিডিঅটো সামাজিক মাধ্যমত বিয়পি পৰাত সচেতন লোকে ক্ষোভ প্ৰকাশ কৰি অপৰাধীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী তুলিছে। এনে ঘটনাক সৰ্বত্ৰে গৰিহণা দিলেও নৰপিশাচসদৃশ দানৱৰ দলে নিৰ্যাতন চলাই অট্টহাস্য কৰা পৰিলক্ষিত হৈছে। প্ৰাপ্ত তথ্য মতে, প্ৰায় দুবছৰ ধৰি হাট-বজাৰত অনাই-বনাই ঘূৰি থকা যুৱকজন ড্ৰাগছ আসক্ত হৈ মানসিক ভাৰসাম্যতা হেৰুৱাই পেলাইছে। দীৰ্ঘদিন ধৰি চিকিৎসা কৰি থকা বুলি পৰিয়ালৰ লোকে জানিবলৈ দিয়ে। ইফালে, উক্ত ঘটনাৰ পিছতে বেছিমাৰী পহৰাচকীৰ আৰক্ষীয়ে যুৱকজনক উদ্ধাৰ কৰি পৰিয়ালক চমজাই দিয়ে যদিও মৰেল পুলিচিঙৰ ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে।

# ধৰ্মেন্দ্ৰ নাথৰ সন্ধানত পুনৰ চলিব অভিযান, আৰক্ষীৰ মহাপৰিদৰ্শকৰ বিশেষ সংবাদমেল



**ই-সংবাদ, ৰঙিয়া, ২৯ ডিচেম্বৰঃ** ৰঙিয়াৰ দক্ষিণ বৰদলৰ ধৰ্মেন্দ্ৰ নাথ নামৰ যুৱকজনে বনভোজস্থলীৰ পৰা নিখোজ হোৱা ঘটনাৰ লগত জড়িত থকাৰ অভিযোগত দুই অভিযুক্তক যোৱা নিশা আটক কৰিছে আৰক্ষীয়ে। সন্ধানহীন যুৱকজনৰ পৰিয়ালৰ লোকে দাখিল কৰা এজাহাৰ ভিত্তিত দুই অভিযুক্ত হিমাংশু কাকতি আৰু অমূল্য লহকৰক ঢেকিয়াজুলীৰ পৰা আটক কৰিছে আৰক্ষীয়ে। আজি ৰঙিয়া থানাত সংবাদমেল সম্বোধন কৰি এই তথ্য সদৰী কৰে অসম আৰক্ষীৰ মহাপৰিদৰ্শক (আইন শৃংখলা) পি কে ভূঞাই। ৰঙিয়া থানাত উপস্থিত হৈ সংবাদ মাধ্যমক সম্বোধন কৰি উক্ত ঘটনাত জড়িত আনজন অভিযুক্তক কৰায়ত্ব কৰাৰ বাবে আৰক্ষীয়ে প্ৰচেষ্টা অব্যাহত ৰখা বুলি সদৰী কৰে মহা পৰিদৰ্শকগৰাকীয়ে। কাইলৈ নিৰুদ্দিষ্ট যুৱকজনৰ সন্ধানত পুনৰ ঘটনাস্থলীত আৰক্ষীয়ে এছডিআৰএফ বাহিনীৰ লোকৰ সহযোগত অভিযান চলাব বুলিও ঘোষণা কৰে মহাপৰিদৰ্শকগৰাকীয়ে।



অষ্ট্ৰেলিয়াৰ বেটাৰ মাৰ্নাছ লাবুচাগেৰ কষ্টকৰ অৰ্ধশতক অৰ্জন, দেওবাৰে



ভাৰত-অষ্ট্ৰেলিয়াৰ মাজত মেলবৰ্ণত অনুষ্ঠিত টেষ্টৰ এটি বিশেষ মুহূৰ্ত, দেওবাৰে

## মাজুলীবাসীৰ লগত বাৰে বাৰে চৰকাৰৰ ল'ৰা-ধেমালি

# নিমাতী-অফলামুখৰ মাজত চলাচল কৰা নৈশ ফেৰী সেৱা অনিৰ্দ্দিষ্টকাললৈ পুনৰ বন্ধ

**ই-সংবাদ, মাজুলী, ২৯ ডিচেম্বৰঃ** মাজুলীৰ অফলামুখ নিমাতীৰ মাজত যোৱা ১২ ডিচেম্বৰৰ পৰা প্ৰায় ৯ টা মাহৰ মূৰত পুনৰ আৰম্ভ হোৱা নৈশ ফেৰী সেৱা আজিৰে পৰা পুনৰ বন্ধ ঘোষণা কৰিছে আভ্যন্তৰীণ জল পৰিবহন বিভাগে। যাক লৈ মাজুলীত এতিয়া পুনৰ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মাজুলীৰ নৌকা সেৱাৰ নতুন সংযোজন হিচাপে যোৱা বৰ্ষৰ ১০ মাৰ্চত অফলামুখ-নিমাতীৰ মাজত প্ৰথম আৰম্ভ হোৱা নৈশ ফেৰী সেৱা তেতিয়া চৰকাৰী কাৰ্যসূচীৰে মাজুলীলৈ অহা মন্ত্ৰী যোগেন মহনে মাজুলীৰ অফলামুখ আৰু নিমাতিৰ মাজত উক্ত ফেৰী সেৱা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছিল। মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত বিভিন্ন বিভাগৰ বহু কেইটা আচনিৰ শিলান্যাস, উদ্বোধনী অনুষ্ঠানতে মন্ত্ৰীগৰাকীয়ে এম ভি জাহ্নৱী নামৰ নৈশ ফেৰীখন উদ্বোধনৰ কথা ঘোষণা কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সদিচ্ছাত মাজুলীবাসীয়ে উক্ত ফেৰী সেৱা লাভ কৰিছিল বুলি ঘোষণা কৰিছিল। কিন্তু লোকসভা নিৰ্বাচনৰ সময়তে এমাহতকৈয়ো কম দিন চলাৰ পিছত উক্ত ফেৰী সেৱা বন্ধ হৈ পৰিছিল। ইয়াক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ পিছতো ৰাইজৰ প্ৰতিক্ৰিয়াৰ প্ৰতি চৰকাৰে ভ্ৰূক্ষেপেই কৰা নাছিল। কিন্তু এইবাৰো পুনৰ আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ প্ৰাকক্ষণত যোৱা ১২ ডিচেম্বৰৰ পৰা এম ভি জাহ্নৱী নামৰ নৈশ ফেৰীখন পুনৰ সন্ধ্যা ৫ বজাত নিমাতীৰ পৰা অফলামুখ ঘাটলৈ আৰু মাজুলীৰ অফলামুখ ঘাটৰ পৰা সন্ধ্যা ৭ বজাত নিমাতিলৈ চলাচল অব্যাহত আছিল। পুনৰ ৯ মাহৰ মূৰত নৈশ ফেৰীৰ পুনৰ ব্যৱস্থা হোৱাত সাধাৰণ ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছিল। কিয়নো বিশ্ব বেংকৰ এটা প্ৰকল্পৰ অধীনত দুচকীয়া আৰু চাৰিচকীয়া বাহনো নিব পৰা এমভি জাহ্নৱী যাত্ৰীবাহী নৈশ ফেৰী খন চলাচল কৰাত পুৱাতেই মাজুলীৰ পৰা যোৰহাটলৈ চিকিৎসাৰ কামতেই হওঁক বা অন্যান্য কামত যোৱা ব্যক্তি সকলে বিয়লি মাজুলীলৈ উভতি আহিবলৈ ৩.৩০ বজাৰ ফেৰী ধৰিব নোৱাৰিলে ঘাটৰ পৰা উভতি যোৰহাটত অধিক ধন খৰছ কৰি হোটেল আদিত থাকিবলগীয়া হোৱাৰ সমস্যাৰ যেন ওৰ পৰিব বুলি আশা কৰা হৈছিল। কিন্তু পুনৰ ১৬ টা দিন চলাচল কৰাৰ পিছতেই পুনৰ নৈশ ফেৰীৰ চলাচল বন্ধ হৈ পৰাত এতিয়া ৰাইজে মাজুলীবাসীৰ লগত চৰকাৰে ল'ৰা-ধেমালি কৰি থকা বুলি তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। ৰাইজে প্ৰত্যেক বাৰেই নিৰ্বাচনৰ প্ৰাক মুহূৰ্ততে নৈশ ফেৰী খনৰ চলাচল আৰম্ভ কৰি কেইটামান দিন চলোৱাৰ পিছতে বিভিন্ন অজুহাতত বন্ধ কৰি দিয়াই এতিয়া সাধাৰণ ৰাইজে বিষয়টোক লৈ ৰহস্যৰ গোন্ধ পাইছে। যাৰ পৰিপ্ৰেক্ষিতত ৰাইজে নৈশ ফেৰী সেৱাৰ লগত নিৰ্বাচনবোৰৰ কি সম্পৰ্ক বুলিও এতিয়া প্ৰশ্ন উত্থাপন কৰিবলৈ বাধ্য হৈছে। অৱশ্যে বিভাগে নৈশ ফেৰী সেৱা বন্ধৰ সন্দৰ্ভত ৰোড মেপিং আপডেটৰ বাবে উক্ত ফেৰী সেৱা অনিৰ্দিষ্টকাললৈ বন্ধ কৰা হৈছে বুলি জানিবলৈ দিয়ে। জাহাজ চলাচল কৰা জল পথ মেপিং আপডেট সম্পূৰ্ণ হলেহে পুনৰ চলাচল কৰিব বুলি জানিবলৈ দিছে বিভাগীয় কৰ্তৃপক্ষই। এই হলেও কিন্তু এনেদৰেই প্ৰতিবাৰেই এক নিৰ্দিষ্ট কৰি লোৱা অজুহাত দেখুৱাই ফেৰী খন বন্ধ কৰি ৰখাত এতিয়া প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আজিৰে পৰা পুনৰ অনিৰ্দিষ্টকাললৈ বন্ধ হৈ পৰে জলপথটোত চলাচল কৰা নৈশ ফেৰী সেৱা।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)।
মুখ্য সম্পাদকঃ ড০ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি